
নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

১৯৯৯—২০০০ ইং চন

# প্ৰাগজ্যোতি




তত্ত্বাৱধায়ক

শ্ৰীৰুদ্ৰ কলিতা

সম্পাদক

চৈয়দ আলকাচ আলী

# প্ৰাগ্‌জ্যোতি

## নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

বছৰেকীয়া প্ৰকাশ

দ্বাদশ সংখ্যা

১৯৯৯-২০০০ চন

*With due honour, love & best wishes...........*

*To,*

..............................................................................

..............................................................



From,

*Alkas Ali*

Editor

# PRAGJYOTI

**Nirmal Haloi College Megazine**
**12th Annual Publication**
**1999-2000 year**

তত্বাবধায়ক
শ্ৰীৰুদ্ৰ কলিতা

সম্পাদক
চৈয়দ আলকাচ আলী

# নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনী

দ্বাদশ সংখ্যা

১৯৯৯-২০০০ চন

## সম্পাদনা সমিতি

*সভাপতি*

ড° ৰমেশ চন্দ্ৰ শৰ্মা

*তত্ত্বাৱধায়ক*

শ্ৰীৰুদ্ৰ কলিতা

*সম্পাদক*

আলকাচ আলী

*সদস্য/সদস্যা*

শ্ৰীসদানন্দ দাস (প্ৰৱক্তা)

শ্ৰীজিতেন কুমাৰ ভাগৱতী (প্ৰৱক্তা)

শ্ৰীমণিকান্ত দাস (প্ৰৱক্তা)

শ্ৰীকিশোৰ কুমাৰ শৰ্মা (প্ৰৱক্তা)

শ্ৰীনিৰ্মালি মহন্ত চৌধুৰী (প্ৰৱক্তা)

শ্ৰীঅনিল মজুমদাৰ (প্ৰৱক্তা)

শ্ৰীঅনুপম দাস

শ্ৰীদীপক শৰ্মা

শ্ৰীৰূপধন আলী

*বেটুপাতৰ পৰিকল্পনা*

শ্ৰীসঞ্জয় শৰ্মা

*অংগ-সজ্জা*

শ্ৰীৰুদ্ৰ কলিতা (প্ৰৱক্তা)

আলকাচ আলী

*মুদ্ৰণ*

ইনফচ্‌ফ্‌ট কম্পিউটাৰ

হাউলী ৰোড, পাঠশালা

## কৃতজ্ঞতা

✷ ড° ৰমেশ চন্দ্ৰ শৰ্মা (অধ্যক্ষ)
সভাপতি, সম্পাদনা সমিতি

✷ তত্ত্বাৱধায়কঃ শ্ৰীৰুদ্ৰ কলিতা

✷ প্ৰাগ্‌জ্যোতিৰ সম্পাদনা সমিতি

✷ মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক/অধ্যাপিকাসকল

✷ মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীসকল

✷ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সকল

✷ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীসকল

✷ প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰী আৰু কৰ্মচাৰীসকল

## উছৰ্গা

আমাৰ মহাবিদ্যালয়ৰ কৃতী শিক্ষয়িত্ৰী ৰূপলেখা দেৱী, উদীয়মান ছাত্ৰ উৎপল মহন্ত
গভীৰ দেশাত্মবোধ সম্পন্ন ব্যক্তি, প্ৰাক্তন শিক্ষামন্ত্ৰী, নাট্যকাৰ, অভিনেতা,
নাট পৰিচালক, সাহিত্যিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি
লক্ষ্যধৰ চৌধুৰী, জনতাৰ ঔপন্যাসিক, আজিৰ মানুহৰ স্ৰষ্টা
অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হিতেশ ডেকা,
বড়ো সাহিত্য সভাৰ সভাপতি বিনেশ্বৰ ব্ৰহ্ম,
শিক্ষাবিদ অজিত কুমাৰ শৰ্মা,
শিল্পী অভিনেতা মাখন দেৱান,
ক্ৰীড়াবিদ, সংগঠক নীলিময় চৌধুৰী,
শিক্ষাবিদ মোহিনী মোহন ব্ৰহ্ম, মৃত্যুঞ্জয় উপন্যাসৰ নায়ক,
মুক্তিযোদ্ধা মহদানন্দ দেৱ গোস্বামী, সাংবাদিক
ৰবীন্দ্ৰ নাথ বৰুৱা এই সকলৰ স্মৃতিত
এই সংখ্যাৰ আলোচনী
উছৰ্গা কৰা হ'ল।

—সম্পাদনা সমিতি

# অশ্ৰু অঞ্জলী



জন্ম ঃ ১৩/১১/৫৯ ইং চন ঃঃঃঃ মৃত্যু ঃ ১৭/৩/২০০০ ইং চন

নিয়তিৰ নিষ্ঠুৰতাত অকালতে আমাক এৰি থৈ যোৱা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰূপলেখা দেবী।



জন্ম ঃ ৪/২/৮২ ইং চন ঃঃঃঃ মৃত্যু ঃ ২০/৯/২০০০ ইং চন

মহাবিদ্যালয়ৰ সন্মুখৰ ৰাষ্ট্ৰীয় পথত ট্ৰাক দুৰ্ঘটনাত আকস্মিকভাবে মৃত্যুক সাবটি লোৱা আমাৰ সকলোৰে মৰমৰ উৎপল মহন্ত।

# একান্ত অনুভৱ

নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হবলৈ যিখিনি সাহসৰ প্ৰয়োজন সেই সাহস খিনি গোটাই মই মোৰ বন্ধুবৰ্গৰ বিপুল দাবীত আলোচনী সম্পাদক হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিলো- ছাত্ৰ-ছাত্ৰীৰ আগত নিজকে জুখি চাবৰ প্ৰয়াসেৰে। কিন্তু নিৰ্বাচনত ছাত্ৰ-ছাত্ৰীৰ যি মৰম-চেনেহ পালো, মোৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ যি আদৰ তাত মই সঁচাকৈয়ে গৌৰৱবোধ কৰিছো। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ আগমূহুৰ্তত মই ছাত্ৰ-ছাত্ৰীৰ পৰা এটা সমাদৰ পাম বুলি বিশ্বাস আছিল, যদিও এনেদৰে ছাত্ৰ-ছাত্ৰীয়ে মোক আকোৱালি লব তাৰ অনুমান হোৱা নাছিল। এনেকুৱা আদৰ আৰু মৰম পাই মই প্ৰতিজ্ঞা কৰিছিলো আলোচনীখনৰ প্ৰতি কিবা এটা কৰাৰ। মইও জানো, আলোচনী খনৰ মই কোনো এটা ডাঙৰ পৰিবৰ্তন কৰাব নোৱাৰো। তথাপিও যিখিনি ছাত্ৰ-ছাত্ৰীয়ে বিচাৰিছে সিখিনি কৰাৰ এটা প্ৰবল হেপাহ গঢ়ি উঠিছিল।

বিগত দিনবোৰত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ আলোচনীখন কোনো এটা বছৰতে সঠিক সময়ত প্ৰকাশ নেপাই। সেয়েহে ছাত্ৰ-ছাত্ৰীয়ে প্ৰাপ্য আলোচনীখন পোৱাৰ পৰা বঞ্চিত হবলগীয়া হয়। সঠিক সময়ত আলোচনীৰ লেখনিসমূহ আৰু প্ৰয়োজনীয় ফটো বোৰ আহি নোপোৱাত আলোচনীখন প্ৰকাশ হোৱাত পলম হয়। যা হওঁক, অনাগত বৰ্ষৰ আলোচনী সম্পাদকসকলে নিজৰ একাগ্ৰতা আৰু নিষ্ঠাৰে আলোচনীখন কাৰ্য্যকালৰ ভিতৰতে প্ৰকাশ কৰিবলৈ বিশেষভাবে যত্নপৰ হব। এনেবোৰ অসুবিধা আঁতৰ কৰিব পাৰিম বুলি ছাত্ৰ-ছাত্ৰীয়ে মোক নিৰ্বাচিত কৰে আৰু তেওঁলোকৰ সেই আশা কিমান দূৰ পূৰণ কৰিব পাৰিছোনে নাই, সেইটো ছাত্ৰ-ছাত্ৰীয়ে বিচাৰ কৰিব।

মোৰ কাৰ্য্যকালত পোন প্ৰথম বাৰৰ বাবে আলোচনী বিভাগৰ দ্বাৰা এখন 'প্ৰাচীৰ পত্ৰিকা' প্ৰকাশ কৰাৰ সুবিধা দিয়াৰ বাবে মই মোৰ তত্বাবধায়ক শ্ৰীযুত ৰুদ্ৰ কলিতা দেৱ চাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

আনহাতে মোৰ বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ ড° ৰমেশ শৰ্মা, মোহন কলিতা, নিৰ্মল শইকীয়া, অনিল মজুমদাৰ, সদানন্দ দাস, হেমন্ত শীল, সুশীল বৰ্মন, মণিকান্ত দাস, সাবিত্ৰী বেজবৰুৱা, নমিতা হালৈ, কিশোৰ শৰ্মা, নিৰ্মালী মহন্ত চৌধুৰী, ড° প্ৰবোধ গোস্বামী, অনুপ শৰ্মা, গীতাশ্ৰী গোস্বামী, লগতে সমূহ চাৰ-বাইদেউ আৰু উচ্চ-নিম্নবৰ্গৰ সহায়ক তথা কৰ্মচাৰীবৃন্দৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো।


এই চেগতে মোক নিৰ্বাচনত ও কাৰ্য্যকালত বিশেষ ভাৱে সহায় সহযোগিতা আগবঢ়োৱা বন্ধু হিতেশ বৰ্মন, ধনজিৎ পাঠক, ৰূপধন আলী, পোনাকণ, প্ৰদীপ, দাদুল, ললিতা, পুলমা, দীপক, অনুপ, এলিজা, খনিন, অৰ্চনা, জ্যোৎস্না, নৱ, নুৰ, মিতালী, মচৰেফ, মনো, চামচুল, নিৰ্মালী, কমল, শলিতা, উৎপল আৰু দিপ্তী বৰ্মণৰ লগতে সমূহ সতীৰ্থৰ ওচৰত মই শলাগৰ শৰাই আগবঢ়ালো।

সম্পাদক<br>
প্ৰাগ্‌জ্যোতি

*Dr. R.C. Sarma,*
M.A. B.T.,B.Lib.Sc.,Ph.D.
Principal, N.H. College

Patacharkuchi
Ph No.- 64632
Dist.- Barpeta (Assam)
Pin- 781326

# আমাৰ শুভেচ্ছা



ছপা হৈ ওলাব বুলি জানি সন্তোষ পাইছোঁ।
নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰাগজ্যোতি' ছপা হৈ ওলাব বুলি জানি সন্তোষ পাইছোঁ। মহাবিদ্যালয়খনৰ সকলো প্ৰতিচ্ছবি
ছাত্ৰ একতা সভাৰ এই বাৰ্ষিক আলোচনীখনে ছাত্ৰ-ছাত্ৰীৰ আত্ম-প্ৰকাশ আৰু মহাবিদ্যালয়খনৰ সকলো প্ৰতিচ্ছবি দাঙি ধৰিব বুলি মোৰ বিশ্বাস।

এই আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে লিখনিৰ সহায়ত প্ৰতিভা প্ৰকাশ কৰক
সীমিত সুবিধাৰ মাজত এই আলোচনীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে লিখনিৰ সহায়ত প্ৰতিভা প্ৰকাশ কৰক সামাজিক অস্থিৰতা আৰু বিপৰ্য্যয়ৰ সময়তো আমাৰ
এয়ে মোৰ শুভ কামনা। একৈশ শতিকাৰ প্ৰাক্ ক্ষণত সামাজিক অস্থিৰতা আৰু বিপৰ্য্যয়ৰ সময়তো আমাৰ মহাবিদ্যালয়খন বৌদ্ধিক আৰু
ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে জাতীয় জীৱনৰ মানদণ্ড অধিক উন্নত কৰক। মহাবিদ্যালয়খন বৌদ্ধিক আৰু সাংস্কৃতিক প্ৰতিভাৰ কেন্দ্ৰস্থল হৈ পৰক। মহাবিদ্যালয় বাৰ্ষিক আলোচনীখনলৈ মোৰ আন্তৰিক শুভেচ্ছা থাকিল।

ড° ৰমেশ চন্দ্ৰ শৰ্মা

# তত্ত্বাবধায়কৰ একাষাৰ



অসমীয়া আলোচনীৰ ইতিহাস বহু বছৰ পুৰণি। উনবিংশ শতিকাৰ আলোচনীৰ মাজেৰে বিকাশ হৈছিল আধুনিক অসমীয়া সাহিত্য। আলোচনীবোৰ সাহিত্যৰ দাপোণ স্বৰূপ। ঠিক তেনেদৰে ই এটা অনুষ্ঠানৰ অতীত স্মৃতি হৈ পৰে। আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন মহাবিদ্যালয়ৰ দাপোণ স্বৰূপ। ইয়াত সন্নিবিষ্ট লিখনি সমূহৰ পৰাই মহাবিদ্যালয়খন সম্পৰ্কে সম্যক ধাৰণা এটা কৰিব পাৰি। তত্ত্বাবধায়কৰ দায়িত্ব লৈ অনুভব হৈছে- সাহিত্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰী সকলৰ উদ্দীপনা যথেষ্ট। ইয়াৰ ভিতৰত কবি আৰু গল্পকাৰৰ সংখ্যাই সৰহ। অন্যান্য দিশৰ সাহিত্যৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক তুলনামূলকভাৱে কম উৎসাহী হোৱা দেখা যায়। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ যোগেদি ন লেখক-লেখিকা হিচাপে আত্মপ্ৰকাশ কৰিছেহে মাথোন। সম্পাদনা সমিতিয়ে সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীৰ ৰচনাৰ গুণগত বৈশিষ্ট্য ৰাজিৰ প্ৰতি মূল্য দিবলৈ যত্ন কৰিছে। উৎকৃষ্ট মানদণ্ডৰ লিখনিৰ অভাব আৰু সীমিত কলেবৰত আলোচনীখন প্ৰকাশ কৰি উলিয়াবলগীয়া হোৱা বাবে বহুতৰে লিখনিক ইয়াত স্থান দিব পৰা নগ'ল। নতুন লেখক-লেখিকা হিচাপে তেওঁলোকৰ ৰচনা আশাব্যঞ্জক হোৱাটো বাঞ্চনীয়।

মহাবিদ্যালয়ৰ আলোচনীখনৰ যোগেদিয়েই ভবিষ্যতৰ বহু প্ৰতিভাশালী লেখকৰ সাহিত্য প্ৰতিভাৰ আৰম্ভণি হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰাজি প্ৰতিষ্ঠিত হবলৈ তেওঁলোক যথেষ্ট অপেক্ষা কৰিব লাগিব। সময়ৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে আগবাঢ়িব লাগিব।

তত্ত্বাবধায়ক হিচাপে দায়িত্ব লৈ কিমান সফল হৈছো নিজে একো উমান পোৱা নাই। নতুন সহস্ৰাব্দত আলোচনীখন ছাত্ৰ-ছাত্ৰী আৰু পাঠক সমাজৰ হাতত তুলি দিবলৈ পাই নিজকে ধন্য মানিছো। আলোচনীখনৰ (প্ৰাগ্‌জ্যোতি) বৰ্দ্ধিত কলেবৰ আশা কৰি মহাবিদ্যালয়খনৰ উৎকৰ্ষতাৰ চিনাকি দিব বুলি কামনা কৰিছো।

শ্ৰীৰুদ্ৰ কলিতা



# সম্পাদকীয়

## সম্পাদকৰ কাপেৰে নিগৰে..........

সময় দুঃসময় হ'ল। মানৱতাৰ অপমৃত্যু। অন্যায় অবিচাৰ দুৰ্নীতি ভ্ৰষ্টাচাৰ আদিৰ কোলাহল। মিছা আৰু অসত্যৰ মায়া জালেৰে সত্যক ঢকাৰ অপচেষ্টা। আজি চকু মেলিলে সেউজী দৰাত দেখা পাওঁ বঙহৰ তেজেৰে ৰাঙলি। সঁচা সৰু খাটি খোৱা মানুহৰ বুকুৰ তেজ পি স্বৰ্ণসৌধ নিৰ্মাণৰ প্ৰচেষ্টা অহৰহ। সততা মানৱতাক দুই ভৰিৰে মোহাৰি ৰাৱণৰ হৰ্ষ উল্লাস এচাম অসুৰৰ তথাপিতো এন্ধাৰৰ প্ৰকৃত পোহৰৰ সন্ধানত অহৰহ বুকুৰ ভিতৰত শৰত শেৱালীৰ সুবাস। কিৰণ খিৰিকী খুলি প্ৰগাঢ় আত্মীয়তাৰে গঢ়ি তুলিব লাগিব এখন শোষণহীন সমাজ। ব্যৱহাৰিক অৰ্থত জীৱনৰ লক্ষ্য হব লাগিব উপযুক্ত বৃত্তি বাছি লৈ তাত সম্পূৰ্ণভাৱে কৃতকাৰ্য্যতা লাভ কৰা। ইয়াৰ বাবে লাগিব আমাক সহজাত প্ৰবৃত্তি, বিকাশ সাধন কৰা সজ প্ৰচেষ্টা আৰু মানবীয় প্ৰমূল্যবোধ। মানুহে ধন ঘটিবলৈ বুদ্ধি বা জ্ঞান লাগিব। এই সন্দৰ্ভত ফ্ৰান্সিছ বেকনে এষাৰ কথা কৈছিল— 'Knowledge is Power.' জ্ঞানেই হ'ল শক্তি। জ্ঞান বা সৎ বুদ্ধিৰ দ্বাৰাহে জীৱনত প্ৰকৃত সুখী হব পৰা যায়। সুখ সম্পদ লাভ কৰিব পাৰি।

কিন্তু সাম্প্ৰতিক কালত আমাৰ সমাজত মানুহৰ মাজত প্ৰজ্ঞাৰ অভাৱ হৈছে। প্ৰজ্ঞা অবিহনে সুখ শান্তি আনন্দ আৰু নৈতিকতাৰ উৎকৰ্ষ সাধন নহয়। যাৰ ফলত আজি আধুনিক সভ্যতা ব্যাধিগ্ৰস্ত হৈ মানৱ সমাজ (এক শ্ৰেণী) অসুখী হৈ পৰিছে।

ইয়াৰ উপৰি আজি আমাৰ মাজত যিবোৰ অনীতি দুৰ্নীতি দুৰ্ভাৱনা অপায় অমঙ্গল আদি অশুভ শক্তিৰ প্ৰাদুৰ্ভাব হৈছে সেই সমূহৰ কথা অনুধাবন কৰি চাওঁ তেতিয়া হ'লে দেখিবলৈ পাম যে জাতিৰ সত্বাৰ অবলুপ্তিৰ বা স্থবিৰতাৰ কাৰণ হ'ল শ্ৰম বিমুখতা। প্ৰত্যেক মানুহে এই কথা বুজি পায় এলাহ মানুহৰ ডাঙৰ শত্ৰু। জীৱনৰ বেছিভাগ ব্যৰ্থতা আৰু প্ৰতিভাৰ কৰুণ অপচয় হয় এলাহৰ বাবে। সেই কাৰণে কোৱা হয়- "পৰিশ্ৰমে উদ্‌গতিৰ মূল।" সুখী জীৱন যাপন কৰিবলৈ নিজৰ লক্ষ্যত উপনীত হবলৈ হ'লে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। কামৰ প্ৰতি একাগ্ৰতা আৰু পৰম নিষ্ঠা থাকিব লাগিব। পৰিশ্ৰমে জীৱনটো অৰ্থপূৰ্ণ কৰি চৰিত্ৰক সুন্দৰভাৱে গঢ় দিব। অসমীয়া মানুহৰ প্ৰতিভাৰ অভাৱ নাই। কিন্তু এলেহৱা আৰু শ্ৰম বিমুখ হোৱাৰ বাবে অসমীয়াই উন্নতিৰ জখলাত উঠিব পৰা নাই। আজি অসমৰ যুৱকৰ কি শিক্ষিত অশিক্ষিত সকলোৰে আশা মাথো সহজলভ্য ধন ঘটা, বিনা পৰিশ্ৰমে বিলাসী জীৱন উপভোগ কৰা। দকাহকা দি ধন সংগ্ৰহ কৰি বিনা শ্ৰমে বহি খোৱা প্ৰবৃত্তি দেখা গৈছে। কিন্তু আমি এটা কথা ভাবি চোৱা উচিত- অসমত নাই কি? অসমৰ প্ৰাকৃতিক সম্পদ আছে, উৰ্ব্বৰ কৃষিভূমি আছে, জনশক্তি আছে, নাই মাথো কৰ্মস্পৃহা আৰু সুদক্ষ নেতৃত্ব। ইয়াৰ ফলত গঢ়ি উঠিছে বিভিন্ন উগ্ৰপন্থী সংগঠন।

অসামাজিক কাৰ্য্য কলাপৰ সৃষ্টিৰ মূল কাৰণ কৰ্ম বিমুখতা। এই কথাষাৰ কিন্তু সকলোৱে স্বীকাৰ কৰিবই লাগিব। ইংৰাজীত এষাৰ কথা আছে- "Idle life is a devil workshop." গতিকে এইবেলি এই কহুৱা ফুলা শৰতৰ শুকুলা ডাৱৰে আঁতৰাই নিয়ক আমাৰ এলাহ ভাগৰ। বঙহৰ তেজৰ বন্যা নাইকীয়া হওঁক। সকলোৱে কৰ্ম-সংস্কৃতি গঢ়ি তুলি সুখ আৰু শান্তিৰ বাবে ৰাৱণ বধৰ বাবে আগবাঢ়ি আহক। আগবাঢ়ি আহক অসুৰ বিনাষৰ হেতু অকাল বোধৰ যজ্ঞৰ বাবে। আমি সংকল্প লওঁ আহক গুলীবিদ্ধ হৃদয় খনক আকৌ নকৈ সী লবলৈ। 'কৰ্মই ধৰ্ম'- এই মূলমন্ত্ৰ সাৰোগত কৰিবলৈ; 'প্ৰাগজ্যোতিক নৰূপ দিবলৈ....... শান্তি আৰু প্ৰগতিৰ বাবে প্ৰত্যেকে সজাগ হবলৈ.......... নিষ্ঠাপূৰ্ণভাৱে নিজ কৰ্মৰ প্ৰতি উদ্বুদ্ধ হবলৈ আমি আটায়ে সংকল্প লওঁ আহক।

জয়তু নিৰ্মল হালৈ মহ বিদ্য লয়

**চৈয়দ আলক্‌চ আলী**
*সম্পাদক, প্ৰাগ্‌জ্যোতি*

## প্ৰাগ্‌জ্যোতিৰ পাতে পাতে.............

### প্ৰবন্ধ


যতীন্দ্ৰ নাথ দুৱৰাৰ কাব্য মানস ঃ ৰুদ্ৰ কলিতা/১
মহাবিদ্যালয়ৰ স্তৰত শৈক্ষিক পৰিবেশ ঃ তপন কলিতা/৩
শোষক শ্ৰেণীৰ প্ৰভাৱ আৰু যুৱ মানসিকতা ঃ আলকাচ আলী/৬
এখন সাৰ্থক ট্ৰেজেদী নাটক ঃ কমল ঠাকুৰীয়া/৮
অসমৰ লোক সংস্কৃতিত হুঁচৰি ঃ গৌতম শৰ্মা/১০
ড্ৰাগচ্ ঃ ইয়াৰ প্ৰতিকাৰ ঃ অম্বিকা বৰ্মন/১২
শিক্ষাৰ ইতিহাস আৰু ইয়াৰ প্ৰসাৰ ঃ দিগন্ত কলিতা/১৩


### কবিতা


সমাধান ঃ মুনীন দাস/১৭
দুটি কবিতা ঃ দীপক শৰ্মা/১৭
স্বপ্ন সনা দুচকু ঃ পিঙ্কী দাস/১৮
মৃত্যু নহয় হত্যা ঃ অনুপম তালুকদাৰ/১৮
এটি তেজাল গোলাপ ঃ ভনীতা কলিতা/১৯
শেৱালী ঃ অচ্যুত হালৈ/১৯
এটি নতুন অনুৰাগ ঃ সবিতা ডেকা/২০
শৰত ঃ জাহানাৰা বেগম/২০
সন্ধান ঃ অনুপম দাস/২১
অকাল শৰত ঃ নয়নজ্যোতি বৰ্মন/২১
সময়ৰ গান ঃ নাগেশ্বৰ মেধি/২২
অলপ দুখৰ অনুভৱ ঃ নিপজ্যোতি ডেকা/২২
আশা ঃ কমল কুমাৰ চৌধুৰী/২৩
এটি নিঃশব্দ হাঁহি ঃ ভাৰত ৰাজবংশী/২৩
মনত পৰিছে ঃ নাজমা বেগম/২৪
ব্যৰ্থ প্ৰয়াস ঃ গোলক দাস/২৪
ভগ্ন হৃদয় ঃ উৎপল দাস/২৫
প্ৰতিজ্ঞা ঃ চন্দনা কলিতা/২৫
আম্বেদকাৰ ঃ সঙ্গীতা কলিতা/২৬
সন্ধান ঃ দুলুমনি দত্ত/২৬
এটি নিশাৰ ডায়েৰী ঃ নিপন দত্ত/২৭
পূৰ্ণতা ঃ ৰীতা ডেকা/২৭
সহস্ৰাব্দ ঃ মুনীন দাস/২৮
প্ৰিয়তমা ঃ দাদুল হক/২৮


### গল্প


তেজ লগা চিঠি ঃ কিঙ্কণ কলিতা/৩১
হৃদয় বেদনাৰ গান ঃ কিশোৰ শৰ্মা/৩৪
অমানিশাৰ অন্ধকাৰ ঃ সঞ্জয় শৰ্মা/৩৬
কেঁচা তেজৰ দাগ ঃ ললিতা কলিতা/৩৭
সোণ বৰণীয়া ফুলবোৰ আৰু তাই ঃ তপন দাস/৩৮
আলহী ঃ মনোজ দাস/৪০
সংঘৰ্ষ ঃ মিনু বেগম/৪২
দুঃসময় ঃ মুনীন দাস/৪৪

সম্পাদনা সমিতিৰ ফটো/৪৫
ছাত্ৰ একতা সভাৰ ফটো/৪৬
বিশেষ ফটো সংযোজন/৪৭
সম্পাদকলৈ প্ৰশ্ন/৪৯
১৯৯৯-২০০০ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত আয়োজিত প্ৰতিযোগীতাৰ ফলাফল/৫০
বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন/৫১
বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন/৫১
১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকসকলৰ নামৰ তালিকা/৬০


### English Section


A memorable entry into Indian Politics
*Mr. Hemanta Kr. Seal / 63*

Educational Reforms in India Since 1986
*Mr. Kishore Kr. Sarma / 64*

Beauty Pageant & Indian Society
*Mr. Anup Kr. Sarma / 65*

My Beseech
*Saifuddin Ahmed. / 66*

How to Succeed
*Pranjeet Kalita / 66*


# প্ৰবন্ধ

*"নিজস্ব ভাষা, সাহিত্য, সংস্কৃতি, অৰ্থনীতি, ৰাজনীতিৰ নিটোল পৰিপুষ্টি সাধি নিজৰ দেশ আৰু জাতীয় সত্তা ৰক্ষা কৰি নিজ দেশত গৌৰৱময় প্ৰতিষ্ঠাৰে জী থকাটোৱে চিৰন্তন ধৰ্ম-কৰ্ম সকলোৰে মূল। এই সাধনাৰ সাফল্যকৃত হয় দেশবাসীৰ অদম্য কৰ্ম-স্পৃহা আৰু শ্ৰমপ্ৰিয়তা, এই কৰ্ম-স্পৃহা আৰু শ্ৰম-স্পৃহা সদায় জীৱন্ত কৰি ৰাখে কাজলয়ী জাতীয় সাহিত্যই।"*

—অম্বিকাগিৰী ৰায় চৌধুৰী

# যতীন্দ্ৰনাথ দুৱৰাৰ কাব্য মানস

শ্ৰীৰুদ্ৰ কলিতা
প্ৰবক্তা, অসমীয়া বিভাগ

কাব্যযোগী যতীন্দ্ৰনাথ দুৱৰা অসমীয়া কাব্য মন্দিৰৰ এগছি উজ্জ্বল প্ৰদীপ। অসমীয়াৰ মানত তেও এটি সাঁথৰ। কবি যতীন্দ্ৰনাথ দুৱৰা এজন কবিয়েই নহয়, তেওঁৰ জীৱনটোৱে এটি কবিতা। প্ৰায় দুকুৰি বছৰকাল দুৱৰাদেৱে অকলে আপোনমনে নিৰলাত বহি অসমীয়া কাব্য কাননলৈ পুষ্পাঞ্জলি যাচিয়েই ক্ষান্ত থকা নাছিল, নিজানত গান ৰচি ৰচি নিজৰ জীৱনটোকো এটা পূৰ্ণাঙ্গ কবিতাৰ ৰূপ দি গৈছে। কাব্য চৰ্চ্চাৰ কাল অনুপাতে দুৱৰাৰ কবিতা সংখ্যাত তাকৰ। তেওঁৰ চাৰিখন কাব্যপুথি “ওমৰ তীৰ্থ”, “আপোন সুৰ”, “বনফুল” আৰু “মিলনৰ সুৰ”। তেওঁৰ কাব্য পুথি সংখ্যাত কম হলেও কাব্যিক সৌন্দৰ্যৰ পিনৰপৰা অসমীয়া সাহিত্যত দুৱৰাৰ কবিতা এখনি আচুতীয়া আসনৰ যোগ্য। কবিয়ে নিজস্ব অধ্যয়ন আৰু ৰসাস্বাদনৰ দ্বাৰা অসমীয়া কাব্যত প্ৰভাবৰ পৰিধি বঢ়োৱাৰ লগে লগে সংগীত আৰু কোমলতাৰ মাধুৰ্য্য বিস্তাৰিত ৰহণ সানি অসমীয়া ৰোমাণ্টিক কবিতাক ন-সাজেৰে সুসজ্জিত কৰি গৈছে। সেই কাৰণে দুৱৰাৰ কবিতা পাশ্চাত্য কাব্য সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত। কাৰুণ্য আৰু ওমৰৰ বিশ্বমানৱৰ সহানুভূতিৰ ভাবাবেগৰ দ্বাৰা দুৱৰাৰ কবিতা সমৃদ্ধ।

দুৱৰা আঠিস সৌন্দৰ্য্যৰ উপাসক, প্ৰেমৰ কবি। তেওঁৰ ভাবসমুদ্ৰ প্ৰেমতৰঙ্গৰ দ্বাৰা উদ্বেলিত, তেওঁ মাথোন প্ৰেমৰেই সপোন দেখে আৰু প্ৰেমৰ কবিতাই লিখে। কবি প্ৰেমৰ সন্ধানত হাবাথুৰি খাইছে; মানুহৰ মৰম-স্নেহ, প্ৰীতি-ভালপোৱাৰ মাজত তেওঁ প্ৰকৃত প্ৰেমৰ উৎস বিচাৰি নাপালে। পাৰ্থিব জীৱনৰ ভাব বৈচিত্ৰ্যৰে দুৱৰাৰ কাব্য সম্ভাৰ উপচি আছে। তেওঁৰ কোনো কবিতাত মিলন আকাঙ্খা হৰ্ষোল্লাস, আন কেইটামানত নিষ্ঠুৰ প্ৰত্যাখ্যানৰ গভীৰ বেদনা আৰু কিছুমানত ব্যৰ্থ জীৱনৰ ক্ষতবিক্ষত হিয়াৰ হা-হুতাশ আৰু কিছুমানত অতৃপ্তিৰ বিষণ্ণকাতৰ ভাবাবেগৰ প্ৰতিধ্বনি প্ৰকাশি উঠিছে। ‘বনফুল’, ‘আপোন সুৰ’ আৰু ‘মিলনৰ সুৰ’ কবিতাৰাজিৰ মাজেদি কবিয়ে ব্যক্তিগত জীৱনৰ হা-হুমুনিয়াহ, প্ৰেম আৰু দাৰ্শনিক ভেটি স্থাপন কৰিছিল। গভীৰ বেদনা, আত্মপীড়নে দুৱৰা কবিক দগ্ধ কৰি নৰখা হলে তেওঁৰ ‘আপোন সুৰ’ সৃষ্টিয়েই নহ’লহেঁতেন। জীৱন সমুদ্ৰ মন্থনত অমৃত আৰু গৰল দুয়োটাই আছে। পোৱা নোপোৱাৰ হাঁহি-কান্দোনৰ যতবোৰ অভিজ্ঞতা তেওঁ লাভ কৰিলে তাৰেই ফলশ্ৰুতি হ’ল ‘আপোন সুৰ’। নিজ অন্তৰৰ আকুল সুৰৰ প্ৰতিধ্বনি ‘আপোন সুৰ’ৰ কবিতাবোৰত প্ৰকাশ হৈছে।

সৌন্দৰ্যসন্ধানী কবিয়ে “জীৱনত প্ৰেমৰ অমিয়া” যেতিয়া বসন্তৰ প্ৰথম পুৱাতে লাভ কৰিছিল তেতিয়া সেই প্ৰেমেই ‘সৌন্দৰ্যৰ অনন্ত নিজৰা বুলি কবিৰ উপলব্ধি হ’ল। প্ৰেমতেই তেওঁ বৰ্ষাৰ উচ্ছলতা, শৰতৰ স্নিগ্ধতা, বসন্তৰ বিকশিত প্ৰাচুৰ্য, নদীৰ অনন্ত লহৰ, জোনৰ জোনাকী সুষমা আৰু অৰুণৰ প্ৰাণ জগোৱা উত্তাপ বিচাৰি পাইছল। গীতি কবিতাৰ তীব্ৰ আবেগ, অখণ্ড ভাব, প্ৰেম বিৰহৰ সুখ দুখ, গীতৰ লয় আদি গীতি কবিতাৰ প্ৰায়বিলাক লক্ষণেই দুৱৰাৰ কবিতাত বিদ্যমান। তেওঁৰ ‘আপোন সুৰ’ আৰু ‘বনফুল’ৰ প্ৰায়খিনি কবিতাই লিৰিক ধৰ্মী। দুৱৰাৰ লিৰিক অসমীয়া কাব্য-কাননৰ প্ৰস্ফুটিত গোলাপৰ নিচিনা। সেই কাৰণতে দুৱৰাৰ কবিতাই পাঠকৰ মনত মধুৰ ভাবৰ সৃষ্টি কৰিছে—

“মধুৰ জোকাৰ পৰি ৰ’ল
কোন আহি কেনি গ’ল?”

দুৱৰা আছিল অতীতৰ কবি, কল্পনাৰ সপোন ৰাজ্যই তেওঁৰ বিচৰণ ভূমি। কবি আছিল আশাবাদী। আশাৰ বন্তি জ্বলাই তেওঁ নানা ধৰণৰ কল্পনা কৰিছিল। মানুহৰ জীৱনত যে সপোনৰ মূল্য আছে কবিয়ে ‘হেৰোৱা সপোন’, ‘সুখৰ সপোন’ ‘সপোনৰ সুৰ’, ‘শিল্পীৰ সপোন ভাঙিল’ আদি কবিতাত সুন্দৰ প্ৰকাশ কৰিছে। অজস্ৰ আশা আৰু সহস্ৰ ৰঙীণ সপোনৰ টোপোলা হাতত লৈ কবি এই পৃথিবীলৈ আহিছিল। কবিয়ে তেনে এটা পৰিবেশত মানস মন্দিৰৰ ৰঙীণ বেদীত মানসা প্ৰতিমা প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল—

“গঢ়িছিলা ৰংমনে শিলৰ প্ৰতিমা
পূজিছিলা ধূপধুনা লৈ,
ৰাখিছিলা মন্দিৰৰ গুপুত কোণত
মানুহৰ চকু আৰ কই

কবিৰ অতীত ছন্দময় জীৱনটিয়ে বাৰে বাৰে আমনি নকৰা হ’লে জীৱনৰ শেষত বিষাদৰ বিননি নুঠিলহেঁতেন। কবিৰ সকলো আছিল— বিশাল প্ৰকৃতিয়ে সকলো যাচিছিল— লগৰীৰ সতে আনন্দ উপভোগ লগৰীয়া দিহাদিহি গ’ল কিন্তু সেই সুখৰ স্মৃতি অস্থায়ী হৈ ৰ’ল। যৌৱনৰ প্ৰেমৰ সপোন ব্যৰ্থ হ’লে যে পোৱাৰ আশা নাথাকে। সপোনৰ বেহা লৈ ভুল বাট ধৰি তেওঁ অকলই আহিছিল আৰু আজি অপাৰ্থিব মিলনৰ আগমূহুৰ্তত পাৰ্থিব জগতৰ মায়ামোহ এৰি থৈ যাবলৈ ওলালে তেওঁক যেন বিদায় সম্ভাষণহে জনায়। সেয়েহে তেওঁ কৈছে—

মাতিছোঁ কাকুতি কৰি,
সপোনৰ বেহা লই
জীৱনৰ ভুল বাট ধৰি
আহিছিলোঁ আপোন পাহৰি,

নিজৰ সকলো দুখ গোটাই লৈ লোক বিস্মৃতিৰ গৰ্ভত আত্মগোপন কৰাই কবি দুৰ্ব্বাৰ জীৱনৰ অন্য এটি উদ্দেশ্য। এয়েই তেওঁৰ কবিতাৰ পাহৰণিৰ তত্ত্ব।

জননীৰ মুক্তিৰ চিন্তাত আকুল কবিয়ে নবীন বেশেৰে সাজি মাতৃ পূজাৰ বাবে ওলাই আহিছে। কবিৰ অন্তৰত আশা আৰু মুখত মধুৰ ভাষাৰ সুৰধ্বনি। দুৰ্ব্বাৰ স্বদেশ-প্ৰেমমূলক গীতত অসম কেশৰী অম্বিকাগিৰিৰ গীতৰ বিপ্লৱৰ জলন্ত শিখা বিচাৰিলে ভুল কৰা হ'ব। জননীৰ পূজাৰ বেদীত অতীতৰ পূজাৰীসকলে যিদৰে ষোড়শোপচাৰ আগবঢ়াইছিল, দুৰ্ব্বাই সেইসকলক স্মৰণ কৰি সেইদৰে মাতৃপূজাৰ প্ৰেৰণা লভিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰৰ মহান আদৰ্শৰে আকৌ সমাজক নকৈ গঢ় দিবলৈ বিচাৰিছে। গীতিকাৰ হিচাপে কবি দুৰ্ব্বা মাথো ৰোমাণ্টিক ভাব-বিলাসিতাতে উটি ফুৰা নাছিল, তেওঁ আছিল সমাজ সচেতন।

ভাৰতীয় দৰ্শনৰ আদৰ্শেৰে দুৰ্ব্বাৰ কবিতা ৰঞ্জিত। স্থূল বস্তুৰ সৌন্দৰ্য্যৰ পৰা ভুমাৰ সৌন্দৰ্য্য অন্বেষণেই তেওঁৰ কবিতাৰ দাৰ্শনিক পৰিচয়। 'এই বাটে নাহিবা দুনাই' কবিতা সেই দাৰ্শনিক ভাবাদৰ্শৰ দ্বাৰা সমৃদ্ধ। দুৰ্ব্বাৰ কবিতাৰ প্ৰতীকবোৰ বিশেষ অৰ্থব্যঞ্জক। এইবোৰৰ প্ৰয়োগৰ কাৰণে বেছি ভাগ কবিতা চিত্ৰধৰ্মী হৈ পৰিছে। নদী, নাও, লুইত, বাটৰুৱা, জালিকতা ৰিহা, জেতুকা পাত আদি তেনেকুৱা প্ৰতীক। ওমৰৰ জীৱন দৰ্শনে কবিৰ মনত নতুন আলোকপাত কৰিছে। ওমৰৰ বিশ্বজনীন ভাবাদৰ্শৰ প্ৰতি আকৃষ্ট হৈয়ে কবিয়ে "ৰুবায়েত"ৰ ভাঙনি "ওমৰতীৰ্থ" প্ৰকাশ কৰে। ওমৰ তীৰ্থৰ প্ৰতিটো স্তৱকেই স্বয়ংসম্পূৰ্ণ অৰ্থব্যঞ্জক। তথাপি তাৰ মাজতো এটা ভাবৰ ঐক্য সংৰক্ষিত হৈছে। নিয়তিৰ বিধি-বিধানৰ প্ৰতি বিদ্বেষ আৰু মানুহৰ অন্ধবিশ্বাস আৰু ভণ্ডামিৰ প্ৰতি সহানুভূতিৰ ভাব প্ৰকাশ পাইছে।

"কোনোৱে ভাবিছে বৰণৰ পাছে
পাম সঁচাকৈয়ে সুখৰ পুৰী
তইঁতৰ সুখ নাই ক'তো হেৰা
নিষ্ঠুৰ মৰণে চিঞৰি কয়।"

কবি এজন অকলশৰীয়া নাৱৰীয়া। পাহৰণি নৈৰ পাৰত এটা পজা সাজি তেওঁ সোণোৱালী দেশৰ ফালে অবিৰাম গতিৰে নাও বাই যাব খোজে। এইটোকে কবিৰ জীৱন দৰ্শন বুলি কব পাৰি।

তেওঁৰ কবিতাৰ মাজত আছে আলসুৱা হিয়াৰ ব্যথা আৰু অভিমান। তেওঁ যেন নিজৰ বেদনা লিৰিকি-বিদাৰি নিজৰ এখন গোপন জগতত বাস কৰিছিল। সুখী মানুহৰ পোহৰেৰে ওপচা জগততকৈ সেই জগত বহুত বেলেগ। তাত আছে মাথোন চকুলো সনা আন্ধাৰ। কবিয়ে জীৱনৰ ভৰপুৰ সময়খিনিতে অনাহুত বেদনা পাইছিল। তীব্ৰভাৱে সংবেদনশীল তেওঁৰ হৃদয় মানুহৰ প্ৰেমজগত খনৰ মিছা ৰং-ৰূপৰ পৰা আঁতৰি আহিবৰ বাবে কৰা তেওঁৰ প্ৰয়াস পাইছে 'বিদায়' নামৰ কবিতাটোত। উলাহেৰে আৰু বিলাসেৰে ভৰা প্ৰেমৰ পৃথিৱীৰ প্ৰতি তেওঁৰ স্পৃহা শেষ হৈ গৈছে। কাৰণ সেই সুখৰ আয়োজন তেওঁৰ বাবে নহয়। তেওঁৰ বাবে আছে মাথোন ব্যৰ্থতা আৰু বেদনা। তেওঁ কৈছে—

সকলোটি শেষ হ'ল আজি,
নকৰোঁ একোকে কামনা,
নুপুৰাও নুপুৰাও আৰু
হৃদয়ৰ অতৃপ্ত বাসনা।

ভাষা আৰু ছন্দৰ সুপ্ৰয়োগৰ বাবে তেওঁৰ কবিতা অতীৱ জনপ্ৰিয় হৈ পৰিছে। তেওঁৰ কবিতাৰ ভাষা জটিলতাহীন, শব্দৰ দুৰ্বোধ্যতা আৰু অৰ্থৰ অস্পষ্টতা নাই। শিশুৰ দৰে সৰল আৰু স্বভাৱসুন্দৰী নাৰীৰ দৰে নিৰলঙ্কাৰ তেওঁৰ ভাষা। বছা বছা উপমা আৰু ৰূপৰ প্ৰয়োগো তেওঁৰ কবিতাত বিদ্যমান। কবিতাৰ চিত্ৰকল্প সমূহেও কবিৰ শিল্পী প্ৰতিভাৰ পৰিচয় দিছে। কুৰি শতিকাৰ নানা বৰ্ণীয়া ভাবৰ সমাবেশেৰে পৰিপুষ্ট আদৰ্শক সৌন্দৰ্য্যৰ মাজেৰে আমাৰ আগত দাঙি ধৰা কবি সকলৰ ভিতৰত যতীন্দ্ৰ নাথ দুৱৰা এগৰাকী আগশাৰীৰ কবি। প্ৰেমৰ পূজাৰী নান্যাস আন্দোলনৰ শ্ৰেষ্ঠ কবিজন অসমীয়া কাব্য মন্দিৰত আজি জ্বলি জ্বলি নিঃশেষ হৈ নোযোৱা এগছি বন্তিৰ দৰে জিলিকি আছে। ❑

পাদটীকা ঃ
*নিবন্ধ গুচ্ছ - সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী*
*আপোন সুৰ - যতীন্দ্ৰ নাথ দুৱৰা*
*কবিতাৰ কথা - নিৰ্মল প্ৰভা বৰদলৈ*
*জেতুকা পাতৰ দৰে - প্ৰবন্ধ সংকলন*
*অসমীয়া সাহিত্যৰ ৰূপৰস - কৰবী ডেকা হাজৰিকা*
*কবি আৰু কবিতা - নন্দ তালুকদাৰ*



# মহাবিদ্যালয় স্তৰৰ শৈক্ষিক পৰিৱেশ ঃ সমাজ, ছাত্ৰ আৰু শিক্ষকৰ দায়িত্ব

*শ্ৰীতপন কলিতা, এম.এ, বি.এড্*
*প্ৰবক্তা, বুৰঞ্জী বিভাগ*

শিক্ষা মানৱ জীৱনৰ অবিচ্ছেদ্য অংগ। শিক্ষাই মানুহক জ্ঞানী, শৃংখলাবদ্ধ তথা সুৰুচিসম্পন্ন ব্যক্তি কৰি গঢ়ি তোলে। ইয়াৰ ভিতৰত আনুষ্ঠানিক শিক্ষাক প্ৰধানকৈ আমি প্ৰাথমিক, মাধ্যমিক আৰু মহাবিদ্যালয় বা বিশ্ববিদ্যালয় স্তৰত বিভক্ত কৰিব পাৰো। ইয়াৰ মহাবিদ্যালয়সমূহকে উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল বুলি গণ্য কৰা হয়। মহাবিদ্যালয়সমূহৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীসকলক স্নাতক পৰ্য্যায়ৰ শিক্ষা প্ৰদান কৰা। এইখিনিতে এটা কথা উল্লেখ কৰা প্ৰয়োজন যে এজন স্নাতক উপাধি লাভ কৰা লোকে একমাত্ৰ কলেজ শিক্ষকৰ বাহিৰে যিকোনো সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ পদ লাভ কৰাৰ বাবে যোগ্য হৈ উঠে। এই হিচাপে ডিগ্ৰীটোৰ সন্মান আৰু গুৰুত্ব যথেষ্ট আছে।

অৱশ্যে অসমৰ সৰহ সংখ্যক মহাবিদ্যালয়ত প্ৰাক্-স্নাতক(+২) শ্ৰেণীবোৰ আৰু কিছুসংখ্যক মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰো পাঠ দান কৰা হয়। কিন্তু পৰিতাপৰ বিষয় এই যে অসমৰ মহাবিদ্যালয়সমূহত যোৱা দুই দশক মানৰ পৰা শৈক্ষিক পৰিৱেশৰ দ্ৰুত অৱনতি ঘটা আমাৰ দৃষ্টিগোচৰ হৈছে। ফলত শিক্ষা জগতত বিশৃংখলতাই দেখা দিয়াৰ লগতে ছাত্ৰ সমাজৰ প্ৰভূত ক্ষতি হৈছে। এনেকুৱা নিৰাশাজনক পৰিস্থিতিৰ হেতু বিশ্লেষণ কৰিলে আমি আলোচ্য কাৰকবোৰকে দায়ী কৰিব পাৰো।

প্ৰথম কথা হ'ল এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ় দিয়াৰ বাবে একমাত্ৰ ছাত্ৰ-শিক্ষকসকল কৰ্ত্তব্য পৰায়ণ, দায়িত্বশীল, সমন্বয়ৰক্ষী হ'লে হ'ব এনেকুৱা নহয়। প্ৰধান প্ৰয়োজনীয় বস্তুটো হ'ল এক সুস্থ-সবল সামাজিক পৰিৱেশৰ, যিটোৰ অভাৱ আমাৰ ৰাজ্যখনত বাৰুকৈ দেখা দিছে। বিভিন্ন সংস্থা, সংগঠন-প্ৰতিষ্ঠানে তেওঁলোকৰ বিভিন্ন দাবীৰ সমৰ্থনত সঘনাই অসম বন্ধ, জিলাবন্ধ বা স্থানীয় বন্ধৰ আহ্বান দিয়া দেখা যায়। এই বন্ধবোৰ তেওঁলোকৰ দাবী পূৰণত কিমান অৰিহণা যোগায় সেইটো বিচাৰ্য্য যদিও এই বন্ধবোৰে শিক্ষাজগতত সুষম পাঠদানত গুৰুতৰ ব্যাঘাত জন্মাইছে। তদুপৰি বৰ্ত্তমান অসমত হত্যা-লুণ্ঠন, অপহৰণ, ভাবুকি প্ৰদান, বোমা-বিস্ফোৰণ আদিয়ে সমাজ জীৱন স্তব্ধ কৰি পেলাইছে। গতিকে এনেকুৱা পৰিৱেশত সুস্থ শৈক্ষিক পৰিৱেশ বিৰাজ কৰিব বুলি আশা কৰাটো ভুল। এনে সন্ধিক্ষণৰ পৰা মুক্ত হবলৈ হলে সমাজৰ প্ৰতিজন নাগৰিকে এই দুৰাচাৰৰ বিৰুদ্ধে সক্ৰিয় প্ৰতিবাদ কৰি তাৰ প্ৰতিবিধানৰ বাবে আগবাঢ়ি আহিব লাগিব। অন্যথা ইয়াৰ বিকল্প নাই।

দ্বিতীয়তে, আমাৰ ছাত্ৰ সমাজো বৰ্ত্তমানৰ অধঃপতিত শৈক্ষিক পৰিৱেশৰ বাবে বহুপৰিমাণে দায়ী। বিশেষকৈ ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰৰ আন্দোলনৰ পিছত ছাত্ৰ সমাজ ক্ৰমান্বয়ে অবাধ্য, উশৃংখল, বেপেৰুৱা হৈ উঠিছে। আমি যদি অসমৰ শতাধিক মহাবিদ্যালয়ৰ ছাত্ৰ-সমাজলৈ লক্ষ্য কৰো তেন্তে দেখিম যে তাৰ সৰহভাগেই অধ্যয়ন বিমুখী। পাঠ্যপুথি অধ্যয়ন নকৰি বজৰুৱা নোট সংগ্ৰহ কৰা, ঘৰুৱা শিক্ষকৰ সহায় লোৱা, পঢ়া-শুনা নকৰি পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰাৰ প্ৰবনতা বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বৃদ্ধি পাইছে। অৱশ্যে বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতিয়ো ইয়াৰ বাবে কিছু দায়ী। কিয়নো যিকোনো বিষয়ৰ প্ৰশ্নকাকতত ১০/১২ টা প্ৰশ্নৰ ভিতৰত কেৱল ৫/৬ টা প্ৰশ্নৰ উত্তৰ কৰিবলৈ দিয়া হয়। ফলত পাঠ্যক্ৰমৰ সামান্য অংশৰ বাহিৰে বাকী অংশ নপঢ়ে আৰু শ্ৰেণীকোঠাতো উপস্থিত থকাৰ পৰা বিৰত থাকে।

তদুপৰি অসমৰ গাওঁ অঞ্চলৰ বা সৰু চহৰ সমূহৰ মহাবিদ্যালয়ৰ আন এক প্ৰধান সমস্যা হৈছে কম মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰী। এনে ছাত্ৰৰ বেছিভাগেই লক্ষ্য নোহোৱা জীৱন আৰু কোনোমতে পাছ কৰাৰ মানসিকতাৰ। কিন্তু তেওঁলোকে এইটো বুজিবলৈ চেষ্টা নকৰে যে কোনো এটা বিশেষ পৰীক্ষাই কোন কিমান মেধাসম্পন্ন সেইটো নিৰ্দেশ নকৰে। উদাহৰণস্বৰূপে আমি কব পাৰো যে শিক্ষান্ত পৰীক্ষাত তৃতীয়শ্ৰেণী পোৱা ছাত্ৰ এজনে ভালদৰে পঢ়াশুনা কৰি আগৰ আন পৰীক্ষাবোৰত ভাল ফল দেখুৱাব পাৰে। কিয়নো উচ্চতৰ শ্ৰেণীত বা স্নাতক শ্ৰেণীত ছাত্ৰজনৰ মনৰ পছন্দৰ বিষয়বোৰ বাছি লব পাৰে। কিন্তু সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে এই সত্যটো বুজিবলৈ অসমৰ্থ।

মহাবিদ্যালয় বিলাকৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাত আৰু এক প্ৰধান ভূমিকা লৈছে উশৃংখল মানসিকতাৰ যুৱক এচামে। একেটা শ্ৰেণীত কেবাবাৰো বেয়া কৰি আনৰ ওচৰত ছাত্ৰ হিচাবে পৰিচয় দিয়াৰ বাবে বা বিষয় বাব লাভ কৰি সন্মান লাভ কৰাৰ উদ্দেশ্যে মহাবিদ্যালয়ৰ নিবাচনত অংশ লৈ জয়ী হোৱাৰ আশাৰে নাম ভৰ্তি কৰে। সচৰাচৰ এওঁলোক বিভিন্ন ৰাজনৈতিক দলৰ লগত সক্ৰিয়ভাৱে জড়িত থকাৰ লগতে ব্যক্তিগত ব্যৱসায়, ঠিকা-

ঠুকুলি আদিতো নামি পৰে। ক্লাচ-পাতি নকৰা এনেকুৱা ছাত্ৰৰ স্বাভাৱিকতে শিক্ষকৰ প্ৰতি শ্ৰদ্ধা-ভক্তি নাথাকে। এওঁলোকেই সাধাৰণ কথাতে মহাবিদ্যালয়ৰ কতৃপক্ষৰ লগত মতানৈক্য ঘটাই তেওঁলোকৰ দাবী পূৰণৰ বাবে আন্দোলনৰ কাৰ্যসূচী হাতত লৈ আন আন ছাত্ৰ-ছাত্ৰীকো উচটনি দিয়ে। ফলত শিক্ষাৰ পৰিবেশ বিঘ্নিত হয়।

সেয়েহে শিক্ষানুষ্ঠান সমূহত যাতে এনেকুৱা এক অস্বস্তিকৰ পৰিবেশ সৃষ্টি নহয় তাৰ বাবে শিক্ষক, ছাত্ৰ সমাজ, অভিভাৱক সকলোৱে চকু ৰাখিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত নিয়মিত পাঠদান গ্ৰহণ কৰা, ঘৰত নিৰ্দিষ্ট সময়ত পঢ়া-শুনা কৰা আদিৰ প্ৰতি অভিভাৱকসকলে চকু দিয়া উচিত। পাঠদান শিক্ষকসকলে ছাত্ৰৰ লগত সু-সম্পৰ্ক ৰাখি তেওঁলোকৰ পাঠদান অধিক আকৰ্ষণীয় কৰি তুলিবলৈ চেষ্টা কৰিব লাগে। মনত ৰখা ভাল হব যে একমাত্ৰ মিস্ত্ৰিজন ভাল হলেই আচবাব ভাল হব সেইটো নহয়, ইয়াৰ বাবে ভাল কাঠৰ দৰকাৰ, সেইদৰে শিক্ষানুষ্ঠানৰ ভাল ফলাফলৰ বাবে অকল ভাল শিক্ষক হলেই নহব, ছাত্ৰসকলো উচিত মেধাসম্পন্ন হোৱাৰ নিতান্ত প্ৰয়োজন।

আমাৰ বাবে সৌভাগ্যৰ বিষয় বুলিয়ে কব লাগিব যে অসমৰ মহাবিদ্যালয়সমূহ তুলনামূলকভাৱে অন্যান্য শিক্ষানুষ্ঠান সমূহত থকাৰ দৰে কুটীল ৰাজনীতিৰ হস্তক্ষেপৰ পৰা বহুখিনি মুক্ত। মহাবিদ্যালয়ৰ কাম-কাজ পৰিচালনাৰ বাবে প্ৰশাসনিক সমিতি আছে। অৱশ্যে আজিকালি ইয়াৰ সভাপতি পদটো একোজন ৰাজনীতিক ব্যক্তিক দিয়া হয়। তৎসত্ত্বেও অসমৰ মহাবিদ্যালয়ৰ প্ৰশাসনিক সমিতিৰ সদস্যসকলে নিষ্ঠাৰে মহাবিদ্যালয়ৰ কাম কাজ যাতে সুচাৰুৰূপে সম্পাদন হয় তাৰ প্ৰতি চকু ৰাখিব লাগে। তেওঁলোকে পৰিচালনা সমিতিৰ সদস্য পদবীটো ব্যক্তিস্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ যাতে নহয় তাৰ প্ৰতি সদা সতৰ্ক হোৱা উচিত। তাৰোপৰি মহাবিদ্যালয় পৰিচালনাৰ বিভিন্ন নিয়ম কানুন শিকি-বুজি লোৱাটো নিতান্তই আৱশ্যক।

এইটো সচা যে মহাবিদ্যালয় সমূহত শ্ৰেণী বা ক্লাচ বিভিন্ন চৰকাৰী-বেচৰকাৰী বন্ধৰ বাবে অতি কম হয়। লগতে বিভিন্ন পৰীক্ষা আদিৰ বাবে পাঠদান বহুদিন বন্ধ থাকে। আনহাতে পাঠদান চলি থকা অৱস্থাতো দিনৰ ১-৩০/২ বজাৰ পিছত সৰহভাগ ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ত উপস্থিত থকা দেখা নাযায়। তেতিয়া কোনো শ্ৰেণীকোঠাত শিক্ষকে মুষ্টিমেয় ছাত্ৰ-ছাত্ৰী এমুঠিমান লৈ পাঠ দি থাকে। বা কেতিয়াবা শিক্ষকো এই সময়ছোৱাত নাইকিয়া হৈ পৰে। তেতিয়া নিৰ্দিষ্ট এই সময়চোৱাত বিৰাজ কৰে এক নিস্তব্ধতাৰ আৰু চকীদাৰৰ শ্ৰেণীকোঠাৰ দুৱাৰ খিৰিকী বন্ধ কৰাৰ শব্দৰ বাহিৰে অন্য ব্যস্ততা নাথাকে।

গতিকে এনেকুৱা আসোঁৱাহ সমূহ দূৰ কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা উচিত। চৰকাৰে শিক্ষানুষ্ঠান সমূহৰ বন্ধ পৰিমাণ হ্ৰাস কৰা উচিত। মহাবিদ্যালয়ৰ অধ্যক্ষ তথা পৰিচালনা সমিতিয়ে নিয়মিত পাঠদানৰ ওপৰত গুৰুত্ব দিব লাগে অন্যথা শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইক্ষেত্ৰত ঐক্যভাৱে কাম কৰিবৰ বাবে সময়ে সময়ে অভিভাৱক, ছাত্ৰ, শিক্ষক তথা সমাজৰ বিশিষ্ট ব্যক্তি মিলিত হৈ সভা আদি অনুষ্ঠিত কৰি আলোচনা কৰিব লাগে।

মহাবিদ্যালয় এখনত সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তোলাত - বৰ্ত্তাই ৰখাত অধ্যক্ষ গৰাকীয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। সেয়েহে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিয়ে অধ্যক্ষ নিৰ্বাচনত সাৱধান হ'ব লাগে। এজন দক্ষ, নিৰপেক্ষ, নিৰ্ভীক, তীক্ষ্ণবুদ্ধিৰ ব্যক্তি মহাবিদ্যালয়ৰ অধ্যক্ষ হলে সকলোৰে মঙ্গল। অধ্যক্ষজন মহাবিদ্যালয়ৰ ধৰণীস্বৰূপ। সেয়েহে সকলো ব্যক্তিয়ে তেওঁক প্ৰয়োজনীয় সময়ত লগ পাব পৰাকৈ তেওঁৰ বাসভৱন মহাবিদ্যালয়ৰ ওচৰে-পাজৰে হোৱা উচিত। কিন্তু বৰ্তমান কিছু সংখ্যক মহাবিদ্যালয়ত ইয়াৰ বিপৰীত প্ৰতিচ্ছবিহে দেখা যায়। ইয়াৰ ফলত প্ৰশাসনিক আৰু শৈক্ষিক দিশত বিৰূপ প্ৰভাৱ পৰা স্বাভাৱিক। অধ্যক্ষই বহু সময়ত মহাবিদ্যালয়ৰ একাংশ শিক্ষক-কৰ্মচাৰীক হাত কৰি বিভিন্ন স্বেচ্ছাচাৰী কামত লিপ্ত হোৱাও দেখা যায়। ফলত শিক্ষক-কৰ্মচাৰীৰ মাজত বিভাজন আহে, পাঠদান ব্যাহত হয়, শিক্ষানুষ্ঠানৰ উন্নতি স্থবিৰ হয়। গতিকে শিক্ষানুষ্ঠান সমূহত যাতে এনেকুৱা হব নোৱাৰে তাৰ বাবে স্থানীয় ৰাইজ, অনুষ্ঠান-প্ৰতিষ্ঠান শিক্ষক-কৰ্মচাৰী সকলোৱে একগোট হৈ কাম কৰিব লাগে।

সুস্থ শৈক্ষিক পৰিবেশ সৃষ্টিত মহাবিদ্যালয়ৰ শিক্ষক সকলৰো ভূমিকা গুৰুত্বপূৰ্ণ। সৰহ সংখ্যক শিক্ষকে নিষ্ঠাৰে পাঠদান কৰে যদিও সৰহভাগ মহাবিদ্যালয়ৰে একাংশ শিক্ষকে বিভিন্ন ৰাজনৈতিক-সামাজিক কাৰ্যকলাপত ওতঃপ্ৰোতভাৱে জড়িত হৈ প্ৰধান কৰ্ত্তব্য পাঠদানৰ প্ৰতি পিঠি দিয়ে আৰু একাংশ শিক্ষকে ঘৰুৱা টিউচনত অত্যাধিক ব্যস্ত থাকি মহাবিদ্যালয়ত পাঠদান ঠিকমতে নকৰে আৰু মহাবিদ্যালয়ৰ অন্যান্য কাৰ্যসূচীত অংশ নলয়। ফলত উলুৰ লগত বগৰী পোৱা যোৱাৰ দৰে সমগ্ৰ শিক্ষক শ্ৰেণীটোৰ "ক্লাচ নকৰা" বুলি বদনাম হয়। ইপিনে সমাজৰ বৰ্দ্ধিত অসহিষ্ণুতাৰ প্ৰভাৱো শিক্ষক সমাজৰ মাজতো নপৰা নহয়, যিয়ে সহকৰ্মী শিক্ষকৰ লগত কাজিয়া কৰি ছাত্ৰ-ছাত্ৰীক তেওঁৰ বিৰুদ্ধে উচটোৱাও দেখা যায়। সমাজৰ মেৰুদণ্ড স্বৰূপ কোনো শিক্ষকৰ এনে আচৰণে সমগ্ৰ শিক্ষক শ্ৰেণীটোৰ প্ৰতি কেতিয়াবা কেতিয়াবা ছাত্ৰ-সমাজৰ বিতুষ্ট ভাৱ আনে। ই অতি লাজৰ কথা।



সেয়ে নিজৰ কৰ্ত্তব্য তথা দোষ-ত্ৰুটিবোৰৰ প্ৰতি সচেতন হৈ শিক্ষকসকল সমাজৰ এক উচ্চ স্থানত যাতে থাকিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। যিসকল শিক্ষকে পাঠদান সুচাৰুৰূপে নকৰে, মহাবিদ্যালয়ৰ বিভিন্ন কাম-কাজত সহযোগ নকৰে, তেওঁৰ প্ৰতি কৰ্তৃপক্ষই শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা উচিত।

চৰকাৰেও এই ক্ষেত্ৰত বহুখিনি কৰিব পাৰে। আইনৰ যোগেদি চৰকাৰী অনুদান পোৱা মহাবিদ্যালয়ৰ শিক্ষকে ঘৰুৱা টিউচন কৰাটো বন্ধ কৰিব লাগে। লগতে একেসময়তে দুটা অনুষ্ঠানত কাম কৰাটো বন্ধ কৰি মহাবিদ্যালয়ত এটি নিৰ্দিষ্ট সময়ত সকলো শিক্ষকে উপস্থিত থাকিব লগাটো কঠোৰভাবে বলবৎ কৰা উচিত।

আশা কৰা যায় ওপৰোক্ত সমস্যাবোৰ আলোচনা কৰা সংস্কাৰবোৰৰ মাজেদি সমাধান কৰিব পৰা যায়। সেইটো সম্ভৱ হয় তেতিয়া, যেতিয়া সমাজৰ সকলো জাতি, বৰ্ণ, শ্ৰেণীৰ লোক একগোট হৈ এই সংস্কাৰবোৰ সাৰ্থক ৰূপ দিবলৈ আগবাঢ়ি আহিব এই ক্ষেত্ৰত চৰকাৰেও যোগাত্মক দৃষ্টি ভংগীৰে চোৱাৰ প্ৰয়োজন। ৰাজনীতি নকৰি সেৱাৰ মনোভাবেৰে আগবাঢ়ি আহিলে চৰকাৰে শিক্ষা জগতৰ বেমেজালিবোৰ আতৰ কৰিব নোৱাৰাৰ কোনো কাৰণ নাই। তেতিয়াহে এক সুস্থ সমাজ, সুস্থ শৈক্ষিক পৰিবেশ সম্ভৱ হয়। দেশ আৰু দহৰ উপকাৰ হব। ❑

আমাৰ দেশত যিমান দিনলৈকে পাঠক সমাজ গঢ়ি নুঠে, সিমান দিনলৈকে আমাৰ জাতীয় সাহিত্যৰ উন্নতি বা মংগলৰ নিমিত্তে শিক্ষিত সমাজে অলপ স্বাৰ্থত্যাগ কৰি কাকত বা কিতাপবিলাকক উৎসাহ দি জীয়াই ৰাখিবৰ চেষ্টা কৰা উচিত; নহলে কিতাপ লেখক নাইবা আলোচনী আৰু কাকতৰ পৰিচালক সকলৰ ব্যক্তিগত স্বাৰ্থত্যাগৰ পৰা সাহিত্যৰ উন্নতিৰ আশা সুদূৰ পৰাহত।

**— নগেন্দ্ৰ নাৰায়ণ চৌধুৰী**

দকৈ নাদ খান্দি ল'লে পানীৰ অভাৱ নহয়, সেইদৰে দকৈ মন এৰাৰ চহাই ল'লে ভাব আৰু ভাষা আপোনা-আপুনি আহি থাকে। প্ৰত্যেক উন্নত জাতিৰ সাহিত্যতেই ভাব আৰু ভাষাৰ এটি ক্ৰমবিকাশ পোৱা যায়। ইয়াৰ কাৰণ এক যুগৰ লেখক সকলে আগৰ যুগৰ লেখক সকলে য'ত শেষ কৰে তাৰ পৰা আৰম্ভ কৰে।

**— তৰুণ ৰাম ফুকন**

# শোষক শ্ৰেণীৰ প্ৰভাৱ আৰু যুৱ মানসিকতা

চৈয়দ আলকাচ আলী
স্নাতক দ্বিতীয় বৰ্ষ

সম্প্ৰতি অসমৰ যুৱ মানসিকতা কোন দিশে?— ই যদিও এটা জটিল প্ৰশ্ন, কিন্তু এয়া সকলোৰে অনুমেয়। সময় যিমানে জটিল নহওক কিয়, সমাজ চিৰন্তৰ গতিশীল। আদিম স্তৰৰ পৰা প্ৰগতিশীল দিশত আগবাঢ়ি আহি সমাজ আজিৰ অৱস্থাত উপনীত হৈছেহি। উল্লেখ্য যে যুৱ সমাজ এখন সমাজৰ অবিচ্ছেদ্য আৰু গুৰুত্বপূৰ্ণ অংশই নহয় যুৱ সমাজেই প্ৰত্যেক সমাজৰ গতি-প্ৰগতিৰ মূল ধাৰক। যুৱ সমাজক আওকান কৰি কোনো সমাজৰ অস্তিত্বৰ ভু লব নোৱাৰি। সেয়ে সমাজৰে যুৱশক্তিৰ অপচয় অথবা অৱক্ষয় সমাজৰ বিপৰ্য্যয় বা পতনৰ কাৰক হৈ পৰা কাৰো কাম্য হ'ব নোৱাৰে। কিন্তু ভাৰতীয় অৰ্ধ ঔপনীবেশবাদ অথবা সামন্তবাদৰ কৱলত পৰি আজিৰ অস্থিৰতা, বিশৃংখলতা আৰু জাতীয় সমস্যাই আমাৰ প্ৰত্যেক সমাজ ব্যৱস্থাক জৰ্জৰিত কৰি তুলিছে। যাৰ ফলস্বৰূপে আজি প্ৰত্যেক সচেতন মহলৰ প্ৰশ্ন হৈছে যুৱ শক্তিৰ অৱক্ষয় অথবা অপচয় হব ধৰিছে নেকি? উত্তৰৰ বাবে কোনেও ইতিবাচক দিশ পৰিহাৰ কৰিব নোৱাৰিব ধুৰূপ। সেয়েহে সম্প্ৰতি সাম্প্ৰতিক সমাজৰ এই অস্থিৰতা, বিশৃংখলতা আৰু জাতীয় সমস্যাৰ বিজ্ঞানসন্মত উৎস। বিশ্লেষণ কৰি বিজ্ঞান সন্মত মতাদৰ্শৰ সমস্যা বিলাকৰ সমাধান কৰিব লাগিব বুলি সময়ৰ আহ্বানত ধৰা দিছেহি।

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ সমষ্টি লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ মাজতো আমি এক বৃহৎ অসমীয়া জাতি, কিন্তু বহিঃ ৰাষ্ট্ৰৰ শোষণৰ কৱলত পৰি বিভিন্ন অপশক্তিৰ লগতে অপসংস্কৃতি অক্টোপাছৰ চেপাত প্ৰতিটো জাতি-জনগোষ্ঠীয়ে ঠান-বান হোৱাৰ পথত। এসময়ৰ 'ঘৰে ঘৰে ৰং ধেমালীৰ হাট, ঘৰে ঘৰে হাহিমুখ।' আজি আৰু সস্তীয়া ৰোমাঞ্চ, বিকৃত যৌনতা প্ৰদৰ্শন, কদৰ্য বিজ্ঞাপন, সুন্দৰী প্ৰতিযোগিতা, বিলাতী মদৰ লগত চুলাই মদৰ মহল আদিৰ দ্বাৰা বিভিন্ন যৌৱন ধ্বংসী আঁচনিৰে যুৱসমাজক এক বিশেষভাবে আকৰ্ষণ কৰিবলৈ ওলাইছে যাৰ প্ৰধান উদ্দেশ্য যুৱ মানসিকতাক বিপথগামী কৰি তৰুণ বিপ্লৱী চেতনাক ধ্বংস কৰা। গতিকে এতিয়া পৰিয়ালে পৰিয়ালে হাই দ্বন্দ-কাজিয়া, অদৃশ্য শক্তি ধৰ্মই ধৰ্মই কাজিয়া। প্ৰতিটো সম্প্ৰদায় শোষণ প্ৰতিযোগীতাৰ প্ৰতিদ্বন্দ্বী। সমাজৰ তিনি আলি, চাৰি আলি, সন্ধিয়াৰ চোতালাদিত তাচ, মদ, ভাং, জুৱা, অশ্লীল হাই উৰুমি আদিৰ কথা বাদেই, প্ৰতিটো জনগোষ্ঠীক আজি বিভিন্ন সমস্যাই বিপন্ন কৰি তুলিছে। কিন্তু আজি সময়ৰ আহ্বানত কোনো জনগোষ্ঠীয়ে এই মহান সত্যক উপলব্ধি নকৰাকৈ থকা নাই। কি কাৰণত, কাৰ কাৰণে, আজি প্ৰতিটো জাতি-জনগোষ্ঠীৰ যুৱচামে আত্ম-নিয়ন্ত্ৰণ তথা স্বাধীনতাৰ দাবী তুলিব লগা হৈছে? সেইবোৰ আমাৰ সকলোৰে জ্ঞাত। আচল কথা হ'ল চেগা-চেৰাকৈ আৰু প্ৰত্যেক জনগোষ্ঠীয়ে নিজা ছাত্ৰ সংগঠনাদিক দৃঢ় কৰাৰ মানসিকতাৰ ফলত সৃষ্টি হোৱা ভয়, ধৰ্মীয় সন্ত্ৰাসে অসমৰ জনজীৱন কোঙা কৰাৰ লগতে প্ৰতিক্ৰিয়াশীল সকলোকে উপকৃতহে কৰিছে অৰ্থাৎ উগ্ৰজাতীয়তাবাদী প্ৰৱণতাই শোষক সকলকহে লাভৱান কৰিব। গতিকে অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে ভবা উচিত যে এটা জনগোষ্ঠীৰ যি সমস্যা অসমৰ সমূহ জনগোষ্ঠীৰ একক সমস্যা য'ত সকলো জনগোষ্ঠীৰ এখন ঐক্যবদ্ধ সংগ্ৰামৰ প্ৰয়োজনীয়তা কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

অসমৰ স্বাধীনোত্তৰ কালৰ পৰাই ভাষা আন্দোলনকে ধৰি ছাত্ৰ আন্দোলনলৈ বহু আন্দোলনে ইতিহাসৰ পাতত লিপিবদ্ধ হ'ল। ১৯৭৯ চনত সৃষ্টি হ'ল অসমৰ অস্তিত্ব ৰক্ষা আন্দোলন। সেই সময়ৰ অসমৰ যুৱ মানসিকতাই এক সুন্দৰ জনজাগৰণৰ সূচনা কৰিব পাৰিছিল আৰু সেয়া আছিল অসমৰ কাৰণে গৌৰবোজ্জ্বল অধ্যায়। কিন্তু আন্দোলনৰ নেতৃবৰ্গই মতাদৰ্শগত উত্তোৰণ নিবিচাৰি মধ্যবিত্তীয় সুবিধাবাদক প্ৰশ্ৰয় দিয়াত তেনে গৌৰবোজ্জ্বল ইতিহাস আজি মাথো ৰোমাঞ্চকৰ স্মৃতিতহে পৰিণত হ'ল। অৰ্থাৎ কোনো আন্দোলনেই ক্ষন্তেকীয়া আবেগিকৰ বাবে একো নহ'ল আৰু সমাজখনক এক অনগ্ৰসৰতাইহে আবৰি ধৰিলে।

আনফালে বৰ্তমান অসমত প্ৰচলিত ঔপনিবেশিক শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী অথবা যুৱ মানসিকতাক সমাজৰ প্ৰকৃত মানৱ সম্পদলৈ গঢ় দিয়াত প্ৰকৃত আৰু আৱশ্যকীয় শিক্ষা লাভৰ পৰা বঞ্চিত হে কৰিছে, ইয়াতো কোনেও দ্বিমত দিব নোৱাৰিব। কাৰণ এই শিক্ষা ব্যৱস্থাৰ লগত উৎপাদন পদ্ধতিৰ থলুৱা অৰ্থনীতিৰ কোনো সম্পৰ্ক নাই। ই এক আমোলাতান্ত্ৰিক শিক্ষা ব্যৱস্থাহে, যি কাৰণত প্ৰতি বছৰে আমিবোৰৰ দৰে হাজাৰ হাজাৰ যুৱক-যুৱতীয়ে কৰ্মসংস্থাপনৰ পথভ্ৰষ্ট হৈ নিবনুৱা নামৰ মহামাৰীটোৰ ক্ষমতাকহে আৰু অধিক শক্তিশালী কৰি তুলিছে।

ইতিহাসে ৰিঙিয়াই বিশ্বত এনে এটি ঘটনা নাই— য'ত যুৱ সমাজে অংশ গ্ৰহণ কৰা নাই। এই সন্মিলিত শক্তিটোৱে আসাধ্য সাধন কৰিব পাৰে সঠিক তথা মজবুত নেতৃত্ব পালে যুৱ-বাহিনী সঠিক দিশত ধাবীত হয়। চীনৰ পৰা ভিয়েটনামলৈ দক্ষিণ আমেৰিকাৰ পৰা ভাৰতলৈ সকলো সংগ্ৰামতে আমি যুৱ সমাজে অংশ গ্ৰহণ কৰা দেখা পাও। ভিয়েটনামত আমেৰিকাৰ যুৱছাত্ৰ সকলে কৰা বিক্ষোভ এটা উৎকৃষ্ট দৃষ্টান্ত। ১৮৫৭ চনতে আৰম্ভ হোৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামত যুৱছাত্ৰৰ ভুমিকা অন্যতম আছিল। কনকলতা, ভগৎ সিংৰ দেশপ্ৰেম নতুন প্ৰজন্মৰ বাবে প্ৰেৰণা স্বৰূপ। যুৱ সমাজৰ ত্যাগ আৰু সেৱাৰ মনোভাবে প্ৰতিখন সমাজক আজিও সৰব তথা সক্ৰিয় কৰি ৰাখিছে। শোষক শ্ৰেণীয়ে সততে চকু দি থকা চামটোৱে হ'ল যুৱ সমাজ। সেয়ে শোষক লুণ্ঠনৰ প্ৰক্ৰিয়াটো অব্যাহত ৰখাৰ স্বাৰ্থতে বিভিন্ন ধৰণৰ ভুৱা প্ৰচাৰ চলায় জনগনৰ মাজত আৰু বেছি প্ৰভাৱ পৰে যুৱ সমাজৰ ওপৰত। শাসক গোষ্ঠীৰ হাতত যিহেতু বিভিন্ন প্ৰচাৰ মাধ্যম সমূহ আছে সেয়ে অহৰহ প্ৰচাৰ কৰি থকা হৈছে সংস্কৃতিৰ নামত অপসংস্কৃতিৰ গুণানুকীৰ্ত্তন পুলিচ-মিলিটেৰীৰ মাজত সুৰক্ষিত হৈ থাকিব বিচৰা সাম্ৰাজ্যবাদীৰ দালাল ভাৰতীয় শাসক বৰ্গৰ পৃষ্ঠপোষকতাতে তেওঁলোকৰ প্ৰভুসকলৰ (আমেৰিকা, ফ্ৰান্স আদি দেশসমূহ) স্বাৰ্থত চৌদিশে আৰম্ভ কৰি দিছে এখন কৌশলগত যুদ্ধ। যুৱ সমাজে যাতে বস্তুনিষ্ঠভাবে প্ৰগতিশীল মতাদৰ্শৰ প্ৰতি আকৰ্ষিত হব নোৱাৰে তাৰ বাবে সকলো বন্দোবস্ত এই শক্তিসমূহে কৰি লৈছে। যুৱ মানসিকতা পংগু কৰাই বুজোৱা চিন্তা-চৰ্চাৰ বাহক কৰি তোলাৰ বাবে অৰ্থহীন, সস্তীয়া, যৌন উদ্দীপক কতাপ, আলোচনী বজাৰত মেলি ধৰা হৈছে। টি.ভি, ভি.ডি.ও.ৰ যোগে অহৰহ প্ৰচাৰ কৰা হৈছে অশ্লীল অবাস্তৱ কাহিনী উদ্দেশ্য নতুন প্ৰজন্মক বিপথে পৰিচালিত কৰা। যুৱক-যুৱতীসকলৰ অপৰেদি শোষক-বঞ্চনাৰ ৰোলাৰ চলাই আহিছে। দেশৰ মন্ত্ৰী, এম.এল.এ-বোৰক কিনি ৰাখিছে বিদেশী কোম্পানীবোৰে। মদ-সুৰা, ড্ৰাগছৰ দৰে কেপচুল যুৱ ছাত্ৰ সকলৰ আগত দাঙি ধৰা হৈছে।

জনগনক বিভ্ৰান্ত কৰাৰ বাবে শাসক শ্ৰেণীটোৱে কৌশলগত ভাবে বিভিন্ন আচনি তৈয়াৰ কৰে। জনগনৰ স্বাৰ্থত আত্মোৎসৰ্গ কৰিবলৈ ওলাই অহা যুৱক-যুৱতীসকলক জনগনৰ পৰা বিচ্ছিন্ন কৰাৰ বাবে তেওঁলোকৰ মাজত জাতি-ধৰ্মৰ নামত বিভাজনৰ কূট-কৌশল অৱলম্বন কৰা হৈছে। চৰকাৰী পৃষ্ঠপোষকতাৰে গঢ়ি তোলা হৈছে অনেক গুপ্ত হত্যাকাৰী।

এইবোৰ দেখি-শুনিও আমি নীৰবে থকা উচিত হবনে? আজিৰ পৰিস্থিতিত আমাৰ কৰণীয় কি? যুবছাত্ৰসকলে কোনো গঠনমূলক মানসিকতা লৈ জন্ম গ্ৰহণ নকৰে। সমাজৰ আচৰণসমূহে ৰ মন প্ৰভাবিত কৰে। সমাজৰ গতিৰে ফালেই ধাবিত হয় যুৱ চামৰ গতি। জীয়াই থকাৰ বাবে সংস্থান বিচাৰি মন্ত্ৰীৰ পিছত দিনৰ পিছত দিন দৌৰি নিজৰ সন্মানক, বিবেক বিসৰ্জন দিও একো সংস্থান নাপালে এজন যুৱকে কি পথ লোৱা উচিত হব? এইবোৰ দেখিও বৰ্তমান ব্যৱস্থাটোৰ মাজত সংস্থাটোৰ মাজত সংস্থাপনৰ আশাতে বন্দী হৈ থাকি নিজৰ ভবিষ্যৎ অন্ধকাৰ অৱস্থালৈ লৈ যোৱা নাইনে? ইয়াৰ পৰিবৰ্তন কৰিবলৈ হলে যুৱক-যুৱতীসকলে মায়া-মোহ ত্যাগ কৰি শোষণৰ কৱলৰ পৰা মুক্ত হৈ বৈপ্লৱিক সংগ্ৰামত চামিল হব লাগিব। যুৱক-যুৱতী সকলে তাৰ আগতে বৈপ্লৱিক চিন্তাধাৰা আগত ৰাখি নিজকে প্ৰস্তুত কৰি লব লাগিব। নিপীড়িত জনগনক সচেতন কৰি তেওঁলোকৰ মাজত থাকি সুখ-দুখৰ সংবাদ লব লাগিব। এই ক্ষেত্ৰত মাৰ্ক্স-লেনিন, এঙ্গলছ, মাওঁৰ ৰচনাৰাজিৰ অধ্যয়ন নিতান্তই প্ৰয়োজন। নিপীড়িত জাতি তথা জনগনৰ লগত থাকি তেওঁলোকৰ মাজৰ পৰাই গঢ়ি তুলিব লাগিব জাতীয় মুক্তি আৰু কৃষি বিপ্লৱৰ সংগ্ৰামী ক্ষেত্ৰ। শোষক গোষ্ঠীয়ে জনগনৰ মৌলিক সমস্যা সমাধান কৰিব নিদিয়ে। জনগনে নিজে নিজৰ ভাগ্য নিয়ন্তা হব লাগিব। যুৱ সমাজে কৃষক শ্ৰমিকৰ কান্ধত কান্ধ মিলাই বৈপ্লৱিক সংগ্ৰামেৰে এই অৰ্ধ ঔপনিবেশিক শাসন ওফৰাই পেলাই এখন সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিব পাৰিলেহে সকলোৰে মুক্তি সম্ভব হব।

আজি আমি এনে এটা সন্ধিক্ষণত উপনীত হৈছো যে সমাজৰ বাবে যিবোৰ শুদ্ধ পথ ৰাষ্ট্ৰই আনি দিছে তাৰে প্ৰতি যুৱ সমাজৰ দায়বদ্ধ হোৱা দূৰৰ কথা অনিহা প্ৰকাশ কৰা দেখা যায় আৰু গোটেই সমাজ ব্যৱস্থাটোক এক বিশৃংখল কৰি তুলিছে। এইটো স্বীকাৰ্য্য যে ৰাষ্ট্ৰৰ দ্বাৰা যিবোৰ আইন সমাজৰ বাবে তৈয়াৰ কৰিছে এইবোৰে দেখুৱাইছে যে শক্তিশালী গোট জনকল্যাণমুখী নোহোৱা বাবে ৰাষ্ট্ৰৰ নিচিনা সামাজিক অনুষ্ঠানৰ প্ৰতি আজিৰ যুৱ সমাজ বিভ্ৰান্তমুখী হবলৈ বাধ্য হৈছে। ইয়াৰ বাবে দায়ী সমাজৰ প্ৰভাৱশালী ব্যক্তি গোষ্ঠীয়ে নিজৰ স্বাৰ্থ হেতুকে গোটেই সমাজ ব্যৱস্থাটোকে নিজৰ বহতীয়া কৰি সামাজিক উন্নয়নৰ বাটকটীয়া বুলি সমাজ ব্যৱস্থাক বন্ধকলৈ ঠেলি দিছে।

সেয়েহে আজিৰ যুৱসমাজে দিক্‌বিদিক হেৰুৱাই ৰাষ্ট্ৰৰ নিচিনা সামাজিক অনুষ্ঠানৰ প্ৰতি দায়বদ্ধতাৰ স্খলন হৈছে। কৰ্ম বিমুখ যুৱ সমাজৰ মানসিক ভাৰসাম্যহীন হোৱাটো স্বাভাৱিক তথাপিও সমসাময়িক পৰিবেশ দায়বদ্ধতাৰ বাবে আজিৰ যুৱ সমাজে নিজৰ আত্মবিশ্বাসেৰে অসমক আনৰ বহতীয়া হৈ থাকিব নিদি নিজৰ নিয়ন্ত্ৰণলৈ আনি নিজৰ তথা ভবিষ্যৎৰ প্ৰজন্মৰ প্ৰতি জ্ঞাত হৈ সামাজিক উন্নয়নৰ বাবে ঐক্য সংহতি আৰু ভাতৃত্বভাবে এক শোষণমুক্ত সমাজ গঢ়াৰ প্ৰতি দায়বদ্ধ হব নে? ❑

# এখন সাৰ্থক Tragedy নাটক হিচাপে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ "ৰূপালীম"

শ্ৰীকমল ঠাকুৰীয়া
স্নাতক তৃতীয় বৰ্ষ

"ৰূপালীম" জ্যোতি প্ৰসাদ আগৰৱালাৰ অসমীয়া নাট্য সাহিত্যৰ এক অনুপম সৃষ্টি। চৰিত্ৰ সৃষ্টি পৰিস্থিতি পৰিকল্পনা ইত্যাদিৰ ক্ষেত্ৰত নাটকখনৰ স্বকীয় বৈশিষ্ট্য, অনস্বীকাৰ্য্য। নাটকীয় কাহিনী বা ঘটনাৰ জটিল বিন্যাস নাটখনত পোৱা যায় যদিও কাহিনীৰ তীব্ৰগতিৰ চৰিত্ৰৰ বৈচিত্ৰ আৰু ৰস বস্তুৰ ঐশ্বৰ্য্যৰ বাবে ই বিশ্বৰ যিকোনো নাট্য সাহিত্যৰ এখন অনন্য ত্ৰুটীহীন নাট হিচাপে বিবেচিত। নাটকখন যদিও কাল্পনিক তথাপি নাট্যকাৰে নাটকৰ পাতনিত নিজে মৰিচ মেটাৰলিংকৰ "মান্না ভান্না" নাটকৰ ক্ষীণ প্ৰভাৱ পৰা বুলি উল্লেখ কৰিছে। উক্ত নাটৰ চৰিত্ৰসমূহ নাট্যকাৰৰ মৌলিক সৃষ্টি।

জ্যোতি প্ৰসাদ আগৰৱালাৰ "ৰূপালীম" নাটকখনত Tragedy ৰ কিছুমান লক্ষণ পৰিস্ফূট হোৱা বাবে উক্ত নাটকখনক এখন সাৰ্থক Tragedy মূলক নাটক হিচাপে চিহ্নিত কৰিব পৰা যায়। "ৰূপালীম" নাটকখন Tragedy মূলক নাটক হিচাপে আলোচনা কৰাৰ আগতে Tragedy সম্পৰ্কে কিছু কথা জনা দৰকাৰ।

যি নাটকৰ পৰিণতিত গভীৰ বিষাদ বা বিচ্ছেদৰ সৃষ্টি হয়, তাকেই Tragedy বা বিয়োগাত্মক নাটক বুলি কোৱা হয়। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে যদিও তেওঁৰ সম সাময়িক তিনিজন নাট্যকাৰক কেন্দ্ৰ কৰিয়েই Tragedy ৰ সংজ্ঞা দিছিল, তথাপি ইয়াকে চিদ্ৰহীন সাৰ্থক Tragedy ৰ সংজ্ঞা হিচাপে বিশ্ব সাহিত্যই মানি লয়। উক্ত সংজ্ঞাটো হ'ল— "A Tragedy, then is the imitation of an action that is serious and also, as having magnitude, complete in itself, in language with pleasurable accessories, each kind brought in separately in the parts of the work in a dramatic, not in a narrative form, with incidents arousing pity and fear, where with to accomplish its cathersis of such emotions." Tragedy ৰ উক্ত সংজ্ঞাটোৱে আমাক কিছুমান লক্ষণ দেখুৱাই দিয়ে। সেইবোৰ লক্ষণ হ'ল—

(১) Tragedy হ'ল জীৱনৰ কোনো গুৰুত্বপূৰ্ণ কাহিনীৰ নাট্যৰূপ।
(২) Tragedy ৰ কাহিনীৰ পৰিসৰ কিছু বহল হোৱা দৰকাৰ যাতে ই নাটৰ ৰস সৃষ্টি কৰাত সহায় হয়।
(৩) Tragedy ৰ ভাষা হব লাগিব লয় যুক্ত আৰু ছন্দ যুক্ত।
(৪) সংজ্ঞাটোৰ আটাইতকৈ বিতৰ্কিত অংশটি হ'ল Tragedy ৰ উদ্দেশ্য হব লাগে ভয় আৰু সহানুভূতিৰ উদ্ৰেক কৰি তেনেধৰণৰ ভাবৱেগৰ বিমোক্ষণ কৰোৱা।
(৫) প্ৰকাশ ৰীতি সংলাপ নিৰ্ভৰ বৰ্ণনাত্মক হব নোৱাৰিব।
(৬) Tragedy ৰ ঘটনাটো স্বয়ং সম্পূৰ্ণ আৰু পৰিমিত আকৃতিৰ হব লাগিব।

এইবোৰ লক্ষণৰ উপৰিও Tragedy ৰ নায়ক সম্পৰ্কেও এৰিষ্টটলৰ এটি নিজা সূত্ৰ আছে। তেওঁৰ মতে Tragedy ৰ নায়কজন এনে হব লাগিব যাৰ অভ্ৰভেদী, খ্যাতি, বিপুল সমৃদ্ধি আৰু অলপ ভুলৰ বাবে জীৱনটো সকলো দুখ বিপৰ্য্যয় নামি আহে। তেওঁ সাধাৰণ জনৰ মনত দেৱসম, কিন্তু দেৱতা নহয়।

"ৰূপালীম" নাটকখন সুক্ষ্ম দৃষ্টিভংগীৰে বিচাৰ কৰি চালে Tragedy ৰ প্ৰায় আটাইকেইটা লক্ষণে পৰিস্ফুট হোৱা দেখা যায়, যাৰ বাবে উক্ত নাটখনক এখন সাৰ্থক Tragedy নাটক হিচাপে বিবেচিত কৰিব পৰা যায়। Tragedy মাথোন এজন লোকৰ জীৱনৰ কাহিনী নহয়। এই কাহিনীৰ লগত জীৱন, জগত, সংসাৰ, সমাজৰ পৰিস্থিতিৰ কথা লিপ্ত হৈ থাকে। গ্ৰীক Tragedy সমূহত দেখা যায় নিজৰ দুৰ্ভোগৰ বাবে ব্যক্তি সম্পূৰ্ণ জগৰীয়া নহয়। ৰূপালীম নাটকত জীৱন বুৰঞ্জীৰ যি কাৰুণ্যৰ সৃষ্টি হৈছে তাত কাহিনীৰ পৰিস্থিতি, জগত, সংসাৰ আৰু ব্যক্তিগত প্ৰতিহিংসাৰ অৱদান আছে। কিন্তু Directly দৈৱ দুৰ্বিপাকে চৰিত্ৰৰ বিপৰ্য্যয় ঘটোৱা নাই। "ৰূপালীম" নাটকত ৰূপালীমৰ মৃত্যুৰ কাৰণ তাই নিজে নহয়। পৰিবেশে তাইক মৃত্যুৰ মুখলৈ ঠেলি দিছে। কামনা লোলুপ মণিমুগ্ধৰ হাতৰ পৰা তাই নিজৰ সতীত্ব ৰক্ষা কৰিব পাৰিলে যদিও ঈৰ্ষাপৰায়ণ ইতিভেনৰ প্ৰতিহিংসাৰ জুইত জাহ যাবলগীয়া হৈছিল। অসহায়া, নিৰপৰাধী, আজলী ৰূপালীমৰ মৃত্যুৱে নাটকখনৰ Tragedy অধিক উজ্জল কৰি তুলিছে।

Tragedy নাটকৰ আন এটা লক্ষণ হ'ল ইয়াৰ কাহিনীৰ পৰিসৰ বহল হব লাগে যাতে ই নাটৰ ৰস সৃষ্টি কৰাত সহায় হয়। ৰূপালীম নাটকত কাহিনীৰ পৰিসৰ ইমানেই বহল যে ঘটনাটোৰ লগত একে জীৱন যুদ্ধৰ পৰিণতি পৰিস্ফুট হোৱা দেখা যায়। নাটকীয় কাহিনীত কেনেদৰে প্ৰান্ত দেশৰ ৰজা মনিমুগ্ধৰ হাতত ৰুক্মী ৰাজ্যৰ গাভৰু ৰূপালীম বন্দী হব লগীয়া হ'ল আৰু শেষত কেনেদৰে মণিমুগ্ধৰ পৰা স-সন্মানে মুক্তি পাই ইতিভেনৰ ঈৰ্ষাৰ বশবৰ্তী হৈ জীয়াই জীয়াই পুৰি মৰিবলগীয়া হ'ল। এই সকলোবোৰ যথাযথভাৱে দেখুওৱা হৈছে। কাহিনীৰ পৰিসৰ ইমানেই বহল আছিল যে গোটেই নাটকখন ভয় আৰু কৰুণ ৰসৰ দ্বাৰা আক্ৰান্ত হোৱা দেখা যায়। এই ফালৰ পৰা "ৰূপালীম" এখন সাৰ্থক Tragedy মূলক নাট।

Tragedy ৰ আন এটা লক্ষণ হ'ল ইয়াৰ ভাষাসমূহ হব লাগিব লয়যুক্ত আৰু ছন্দযুক্ত। ভাষা আৰু সংলাপৰ ব্যবহাৰৰ ক্ষেত্ৰত নাটকখন কাব্যিক নাটকৰূপে গঢ়ি তুলিছে। "ৰূপালীম" নাটকত নাট্যকাৰে ছন্দ পৰিহাৰ কৰিছে যদিও নাট্যকাৰে সংলাপ অতিপাত দীঘলীয়া কৰা নাই বা সংলাপৰ পুনৰুক্তি দোষ ঘটিবলৈ দিয়া নাই। কাহিনীৰ দৰে নাটকৰ সংলাপৰ ক্ষেত্ৰটো কেতিয়াবা কেতিয়াবা কল্পনাই স্থান পাইছে। ইতিভেনৰ দেশপ্ৰেমমূলক আৰু মণিমুগ্ধৰ কামবিভোৰ ভাৱ প্ৰকাশক উক্তিবোৰত কাব্যধৰ্মিতা আৰু কল্পনাই স্থান পাইছে। উদাহৰণস্বৰূপে—

মণিমুগ্ধ ঃ "বাৰু নেলাগে থাকিব। মই তোমাক ইয়াৰ পৰা লৈ যাম সৌ-দূৰণিলৈ। সৌৱা নীলা আকাশৰ পৰা নিজৰি তৰাৰ হীৰাফুলীয়া পোহৰবোৰ আহিছে। জোনৰ জোনাকে যত জোনোৱালী সপোনৰ ৰাজ্য পাতিছে। তালৈ আমি দুয়ো ওলাই যাও বলা। তুমি মোৰ কোলাত বহি তোমাৰ বুকুৰ মৰমৰ কথাবোৰ কবা, মই কাণ পাতি শুনিম মিলন পিয়াসী বুকুৰ স্পন্দন ৰূপালীম।" আনহাতে ইতিভেনৰ উক্তিবোৰত কল্পনা আৰু দেশপ্ৰেম মূলক ভাব প্ৰকাশ কৰাৰ লগে লগে নাটকখনৰ সংলাপবোৰত কাব্য ধৰ্মিতাই স্থান লাভ কৰিছে, যাৰ বাবে ই Tragedy ৰ শাৰীলৈ উঠিবলৈ সক্ষম হৈছে।

আনহাতে Tragedy ৰ আন এটা লক্ষণ হ'ল, ইয়াৰ উদ্দেশ্য হ'ল ভয় আৰু সহানুভূতিৰ উদ্ৰেক কৰি তেনে ধৰণৰ ভাৱাবেগৰ বিমোক্ষণ কৰোৱা। 'ৰূপালীম' নাটকত হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে ৰূপালীমৰ ৰূপেই তাইৰ বৈৰী হৈছে। সৰলমতী যুৱতী এগৰাকী নিষ্ঠুৰ অন্যায়ৰ বলী হোৱাত নাটকৰ কাহিনী অধিক Tragic হৈ পৰিছে। দৰ্শক পাঠকৰ মনত সাধুলোকৰ অন্যায়ভাবে হোৱা মৃত্যুই অধিক কৰুণ ভাবৰ সৃষ্টি কৰে। গতিকে ফুলৰ দৰে পবিত্ৰ ছোৱালী ৰূপালীম ঈৰ্ষাৰ বশবৰ্তী হৈ মৃত্যু হোৱাত আমাৰ চকুলো সৰি পৰে।

আনহাতে Tragedy ৰ কাহিনী বৰ্ণনাত্মক নহয়; ই সংলাপ নিৰ্ভৰশীল। এইবোৰ ক্ষেত্ৰত ৰূপালীম নাটক কোনো গুণেই পিচ পৰা নহয়। ইয়াৰ কাহিনীভাগ নাটকীয় অভিনয়ৰ উপযোগী আৰু সংলাপ নিৰ্ভৰশীল। না: কখনৰ কতো বৰ্ণনাৰ দ্বাৰা কাহিনী বা ঘটনা বুজাই দিয়া দেখা পোৱা নাযায়। সংলাপৰ দ্বাৰাহে দৰ্শক পাঠকক কাহিনী ভাগ বুজাই দিয়া হয়। উদাহৰণ স্বৰূপে—

মণিমুগ্ধ ঃ এৰা পোহৰ হ'ল, পোহৰ হ'ল।

নাটকখনৰ মণিমুগ্ধৰ এনেকুৱা সংলাপ আৰু ইতিভেনৰ প্ৰতিহিংসা আৰু দেশপ্ৰেম মূলক সংলাপৰ দ্বাৰা এই কথা পতিয়ন যাব পাৰি। এই ফালৰ পৰা ৰূপালীম এখন সাৰ্থক Tragedy নাট।

আনহাতে Tragedy ৰ নায়কজন এজন অসাধাৰণ গুণ সম্পন্ন ব্যক্তি হব লাগিব। সাধাৰণ মানুহৰ মনত দেৱসম, কিন্তু দেৱতা নহয়। দেখা যায় ৰূপালীম নাটকৰ নায়ক-নায়িকা মণিমুগ্ধ আৰু ৰূপালীমৰ লগতে ইতিভেনৰ ক্ষেত্ৰত এই লক্ষণ সম্পূৰ্ণৰূপে প্ৰকাশ পোৱা দেখা যায়। ইহঁতৰ কোনো জনৰে ইচ্ছা আকাংখা পূৰণ হোৱা নাই। সন্দেহ নাই যে মণিমুগ্ধ অসাধাৰণ গুণ সম্পন্ন ব্যক্তি। বহু গুণ থকা স্বত্বেও দেওঁৰ দোষ ত্ৰয়েই আছিল যে তেওঁ আছিল কামুক, স্বেচ্ছাচাৰী সৌন্দৰ্যৰ প্ৰতি স্পৃহা অথচ আদৰ্শৰ প্ৰতিও তেওঁৰ দুৰ্বলতা কম নহয়। তেওঁৰ আদৰ্শ নিষ্ঠা মনোভাৱ আৰু কামনাৰ ভাবেই তেওঁক ক্ষত বিক্ষত কৰি তুলিছে। ইয়াৰ বাবেই তেওঁৰ জীৱনলৈ দুৰ্যোগ নামি আহি পৰা বুলি কব পাৰি। তেওঁৰ কামনা মনোভাবে তেওঁৰেই শিল্পী মনোভাৱৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে। এইখিনিতে নায়িকা ৰূপালীমৰ ক্ষেত্ৰত কিন্তু নিজৰ দোষৰ বাবে বিপৰ্য্যয় নামি অহা নাই। পৰিস্থিতিৰ দাস হৈ পৰাজয় স্বীকাৰ কৰি তাই চকুলো টুকিব লগা হৈছে। ইতিভেনে ৰূপালীমৰ প্ৰতি ঈৰ্ষান্বিত বিদ্ৰোহ কৰি মণিমুগ্ধৰ হাতত বন্দী হবলগীয়া হৈছিল। যাৰ বাবে তাইৰ সাহস আৰু শক্তি থকা স্বত্বেও ইতিভেনৰ জীৱনলৈ নামি আহিছিল অনাকাংক্ষা। তাইৰ ভাবী স্বামীক কেতিয়াও তাই স্বামী ৰূপে বৰণ কৰিব নোৱাৰিলে। কিন্তু তাইৰ ঈৰ্যাৰ ফলতেই ৰূপালীমৰ আশা, আকাংক্ষা অপূৰ্ণ হৈ জীয়াই জীয়াই পুৰি মৰিবলগীয়া হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে মণিমুগ্ধ, ৰূপালীম আৰু ইতিভেন, এই তিনিটা চৰিত্ৰৰ কোনোটোৰে আশা আকাংক্ষা পূৰণ নহ'ল। সেয়েহে নায়ক-নায়িকাৰ ফালৰ পৰাও এখন সাৰ্থক Tragedy মূলক নাটক। ❑

গ্ৰন্থপঞ্জী ঃ
১। অসমীয়া নাট্য সাহিত্য ঃ সত্যেন্দ্ৰ নাথ শৰ্মা
২। ট্ৰেজেদী বিচাৰ ঃ ড° শৈলেন ভৰালী
৩। সাহিত্যৰ উপক্ৰমণিকা ঃ মহেন্দ্ৰ বৰা

# অসমৰ লোক সংস্কৃতিত হুঁচৰি

শ্ৰীগৌতম কুমাৰ শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

হুঁচৰি ৰঙালী বিহুৰ আটাইতকৈ আকৰ্ষণীয় অনুস্থান। বহাগ বিহু হ'ল চ'তৰ সংক্ৰান্তিৰ দিনৰ পৰা বহাগৰ ছয় দিনলৈকে। ইয়াকে সাতবিহু বোলে। বহাগৰ বিহুত জা-জলপান খোৱা, মান সৎকাৰ কৰা, বিহুৱান দিয়া আদি নীতি-নিয়ম সংস্কাৰৰ উপৰিও আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুস্থান হ'ল হুঁচৰি গোৱা। ব্ৰহ্মদেশত আজিকালিও বহাগৰ বিহুৰ সময়ত হুঁচৰি গাওঁতে ৰাজ আলিয়েদি গৈ থাকে, ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি শৰাই দি আশীৰ্বাদ লয়। আমাৰ দেশতো একে সময়ত তেনেকৈয়ে হুঁচৰি গাইছিল যেন অনুমান হয়। মধ্য যুগৰ ৰজা ডা-ডাঙৰীয়া আদিক তোষামোদ কৰিবৰ বাবে তেওঁ বিলাকৰ চোতালত হুঁচৰি গাই আশীৰ্বাদ দিয়াৰ পিছৰ পৰাই সকলোৰে চোতালত হুঁচৰি গোৱাৰ পৰম্পৰা এটা সৃষ্টি হয়।

বিহুগীতবোৰৰ তুলনাত হুঁচৰি আগৰ যুগৰ সৃষ্টি ৰজা ঘৰীয়া আমোলত ই ঠন ধৰি উঠা বস্তু। যেনে—

"দেউতা ও খুজি মাগি
এমুঠি ৰান্ধো
মা হালধীৰে গৰুক গা ধোৱালো
তৰালী পঘাৰে বান্ধো।।
দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰী
কেতেকী মলে মলাই ঐ গোবিন্দই ৰাম।।"

আদি হুঁচৰি গীতবোৰত দেউতা শব্দটোৱেই এই কথা সুচায় - অসমৰ পুৰণি আভিজাত্যপূৰ্ণ সমাজখনৰ চকামকা ৰূপ এটা এই গীতসমূহৰ মাজত ধৰা পৰে। বছৰেকৰ বিহুত হুঁচৰি গাই ওখ তৰপৰ ডা-ডাঙৰীয়া সকলক যে সম্বৰ্ধনা জনোৱা হৈছিল সেই কথা বুৰঞ্জীতেই ফটফটীয়া পুৰণি প্ৰথা অনুসাৰেই হয়তো এতিয়াও ধনে ধানে মানে ক্ষমতাই দপ দপাই থকা গাওঁৰ মুখীয়াল মানুহৰ ঘৰতেই হুঁচৰি প্ৰথমে গোৱা হয়।

হুঁচৰি পুৰুষৰ সুকীয়া অনুষ্ঠান। হুঁচৰি শব্দৰ অৰ্থ উলিয়াবলৈ টান, যদিও হুঁচৰি শব্দৰ মূল হ'ল হুঁ-ছা-ৰি-। হু- মানে চিঞৰি চিঞৰি, ছা- মানে আশীৰ্বাদ বা কুশল, ৰি- মানে উত্তেজিত বা উৰুলীকৃত এতেকে হুচাৰি শব্দৰ অৰ্থ হ'ল আনন্দত উত্তেজিত হৈ চিঞৰি চিঞৰি কুশল কামনা কৰা। এই হুঁচৰিত দুটা অংশ পদ দিয়া আৰু হুঁচৰি নাম—

"পাৰিজাত ঐ কোবাই দে বগৰী জাত
নঘৰ ঐ পুৰণি বাম,
হুঁচৰি গাবলৈ আহিছো আমি"

এইবোৰ হুঁচৰি নাম, তাৰ পিছত পদ দিয়া হয়—

প্ৰথমে প্ৰণামো ব্ৰহ্মা ৰূপী
সনাতন যুগে যুগে অবতাৰ ভৈলা প্ৰথমত

এই হুঁচৰি গীতসমূহত এদিন বৈষ্ণৱ ধৰ্মৰ প্ৰভাব পৰা দেখা যায়।

"ৰাধাই বোলে কৃষ্ণই আমাক পাৰে কৰা
এই যমুনাৰ জল ঐ গোবিন্দই ৰাম।"

এনে ধৰণৰ হুঁচৰি নামেও অসমত গা কৰি উঠে। হুঁচৰিত পদ দিয়া অংশত ঢোল, তাল, বজায় তাত কিছুমানে আকৌ লহৰী দেখুৱাই। হুঁচৰি অনুষ্ঠান গোটেই অসমতে বিয়পি আছে। আনকি লুচাই, কুকি আৰু উত্তৰ পূব অসমৰ আবৰ সকলৰ মাজতো এই ধৰণে নাচি নাচি গীত পদ গাই পইচা বা খোৱা বস্তু আহৰণ কৰা দেখা যায়।

বিহুগীতৰ লগত হুঁচৰিৰ পাৰ্থক্য আছে কিন্তু মুকলি পথাৰৰ উন্মাদনা হুঁচৰিত নাই। সেয়েহে ঘৰুৱা পৰিবেশে হুঁচৰি গীতবোৰত ঘৰুৱা মাৰ্জিত ৰূপ দান কৰিছে। গতিকে কব পাৰি হুঁচৰি এটা বিহুৰ পবিত্ৰ অনুষ্ঠান। হুঁচৰিত বিবিধ জনজাতীয় থলুৱা ঢোলৰ ছেও আছে। যেনে— মিৰি ছেও, কছাৰী ছেও আদি।

আলফুলীয়া কল্পনাৰে কিছুমান হুঁচৰি গীত অপূৰ্ব সৌন্দৰ্য্যমণ্ডিত হৈ উঠিছে। যেনে-

"কৃষ্ণৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম"

"হুঁচৰি গাও ঐ দলৰ পৰা
আমি যে আহিছো হুঁচৰি গাই
হুঁচৰি গোৱা ল'ৰাহতক কিনো দিব পাই
আগে পাছে নিয়ম আছে চেলেং দিব পায়"

এইদৰে গৃহস্থৰ চোতালত ঘূৰণীয়াকৈ হুঁচৰি পদ গাই শেষ হোৱাৰ পিছত গৃহস্থই আশীৰ্বাদ লয় আৰু ঘৰৰ মূল গৃহিণীয়ে বা গৃহস্থই বটাত তামোল পান ধন দি হুঁচৰি গোৱা সকলক মান ধৰি আশীৰ্বাদ লয়। তাৰ পিছত হুঁচৰি দলৰ মুখিয়াল জনে গৃহস্থৰ অনুমতি লৈহে বিহু নৃত্য প্ৰদৰ্শন কৰিব পাৰে। অবশ্যে হুঁচৰিৰ লগত গৃহস্থৰ চোতালত বিহু মৰা বা বিহু নচা প্ৰথা নাছিল। কিন্তু গৃহস্থৰ লগত ধেমালি কৰিবলৈ আৰু ঢুলীয়া নাচনীৰ (পুৰুষ নাচনী) জোৰা নামৰ চলেদি এটি বিহুৰ পৰিবেশ গঢ়ি তুলিবলৈ ইয়াৰ দ্বাৰা চেষ্টা কৰা হয়। এই জোৰা নাম বা গীত সমূহ মাৰ্জিত হব লাগে। হুচৰীত পুৰুষ নাচনীয়েহে নাচিব পাৰে বা নচাতো পৰম্পৰাগত নিয়ম।

হুঁচৰিত দীঘল চেওবোৰত (কুৰি বা পচিশটা) পাহোৱাল ডেকাই কলা কুৰুতা বা স্থানীয় বাবে প্ৰচলিত বিহুত নাচনী চোলা পিন্ধি মূৰত ফুলাম গামোছা আৰু ককালত বৰ ফুলৰ ৰঙা টঙালি মাৰি হাতৰ ঠাৰিত গুটি ফুলৰ হাচতি বান্ধি কল ফুল ঢাকি চুৰিয়া পিন্ধি ঘূৰণীয়া বৃত্ত এটা কৰি শৃংখলিত ভাবে শালীনতা ৰক্ষা কৰি অথচ আনন্দত মতলীয়া হৈ নাচিবলৈ ধৰিলে কোনে বাৰু আমাৰ এই হুঁচৰি নোচোৱাকৈ থাকিব পাৰে।

পৰিবৰ্ত্তনৰ নামত হুঁচৰিক মঞ্চলৈ আনি অধিক জনপ্ৰিয় কৰাৰ নামত সংস্কাৰ কৰাৰ কলা গুণ সনাৰ নামত হুঁচৰিত গাভৰু ছোৱালীক নচুৱাই ভুল ব্যৱস্থাক গাৰ বলেৰে শুদ্ধ বুলি কবলৈ লৈছে। সংস্কৃতি বা লোক সাহিত্য মৰা সুঁতি নহয়, বোৱতী নৈ গতিকে নতুন নতুন সমল অহাতো স্বাভাবিক কিন্তু সি যদি মূলকে বিকৃত কৰিবলৈ চেষ্টা কৰে সি উৎসাহপ্ৰদ নহয়। এইখন অসমত এনে কিছুমান ঠাই আছে যত গাভৰু ছোৱালী নচা দূৰৰ কথা তাত ছাঁ এটাকে পৰিবলৈ দিয়া নহয়। সেইবোৰ ঠাইৰ ছোৱালী বিলাকে নাচিব নাজানে যে তেনে নহয়। সেইবোৰ ঠাইত গাভৰু ছোৱালী বিহু মাৰে মনৰ আনন্দত লোকক দেখুৱাবলৈ নহয় গছৰ তলত "গাভৰু বিহু" ঘৰৰ ভিতৰত "ঘৰ বিহু" মাৰে।

আমাৰ সংস্কৃতিৰ পথাৰখনত কিছুমান লোকে ৰঘুমালা হৈ আমাৰ বাপোতি সাহোন বিহু হুঁচৰিক বিকৃত ৰূপ দিছে। নিজকে চিনাকি দিবলৈ হলে পুৰণি ঐতিহ্য যথাযথ ভাবে ৰক্ষা কৰি ভাল অসমীয়া সংস্কৃতিৰ এফাল ঠাই আগুৰি থকা বিহু সংস্কৃতিক ৰক্ষা কৰিবলৈ হলে চতৰ বিহু (মুকলি বিহু) আৰু বহাগৰ বিহু (হুঁচৰি)ৰ প্ৰাচীন ঐতিহ্য ৰক্ষা কৰাৰ কথা সকলো অসমবাসীয়ে ভাবিব লাগিব নহলে নিদৰ্শনৰ আমোদ প্ৰমোদ পবিত্ৰ শুভ কামনা আৰু সজ প্ৰচেষ্টাৰ মিঠা ৰসৰে প্ৰতি বছৰে বিহুৰ লগে লগে অহা হুঁচৰি অসমীয়া জাতিৰ বাপতি সম্পত্তি। মৌখিক গীতমাত পদবোৰ লুপ্তপ্ৰায় হোৱা বৰ্তমান বিহু হুঁচৰিৰ অবস্থা পুতৌ লগা। ছালে বেৰে ধৰি যদি কথমপি জীয়াই নাথাকে তেতিয়া হলে কালৰ গতিত এই কৃষ্টি নিচিহ্ন হৈ যাব। হুঁচৰি অসমীয়া কৃষ্টিৰ এখিলা সোন খটোৱা পাত। সময়ৰ উইৰ পৰা এই কৃষ্টি (বিহু, হুঁচৰি) নুফুটাকৈ ৰাখিবলৈ প্ৰতিজন অসমবাসীয়ে চেষ্টা কৰিব লাগিব। নহলে অসমীয়া জাতিৰ আয়ুস ৰেখা, এই বিহু হুঁচৰি কালৰ গতিত নাইকিয়া হৈ যাব। ❑

> দেশ যেতিয়া বিপন্ন হৈছিল দেশৰ অস্তিত্ব যেতিয়া শত্ৰুৰ গৰাহত পৰিবৰ উপক্ৰম হৈছিল, তেতিয়াই জন্ম হৈছিল অসম আৰু অসমীয়া জাতিসত্ত্বাৰ। আজিও অসমীয়া ভাষী তথা অসমবাসীৰ ভাষা-সাহিত্য-সংস্কৃতি আৰু অস্তিত্বৰ সংকট আহিছে। ইতিহাসৰ পৰা শিকনি লৈ আজি পূৰ্বৰ ঐক্য-সংহতি ৰক্ষাৰ উপৰিও অধিক সজাগ-সচেতন হৈ দূৰদৰ্শিতাৰে আগবাঢ়িব লাগিব।
>
> — ড° লীলা গগৈ

# ড্ৰাগচ্ ঃ ইয়াৰ প্ৰতিকাৰ

শ্ৰীঅম্বিকা বৰ্মণ
স্নাতক প্ৰথম বৰ্ষ

অতীজৰ পৰাই মানুহে কিবা নহয় কিবা কাম কৰি আনন্দ পাই আহিছে। তেওঁলোকে এই আনন্দ পোৱা কামটোক বাৰে বাৰে কৰিবলৈ বিচাৰে। ইয়াকে ক্ৰোৱা হয় নিচা।

সময়ৰ লগে লগে মানৱ সমাজলৈ কিছুমান গঠনমূলক সামগ্ৰী আহিল আমোদৰ আহিলা স্বৰূপে। সময় পাৰ হোৱাৰ লগে লগে আহিল আন কিছুমান আমোদকৰ আহিলা। এইবোৰ বৰঞ্চ গঠনমূলক নহৈ ধ্বংসমূলকহে। এইবোৰেই হ'ল ৰাগিয়াল পদাৰ্থ অথবা ড্ৰাগচ্। এই পদাৰ্থবোৰে মানুহক তিল্ তিল্কৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়ে। অতীজৰ পৰা আমাৰ সমাজত ৰাগিয়াল পদাৰ্থৰ বহুল ব্যৱহাৰ হৈ আহিছে। স্বাধীনতাৰ আগেয়ে অসমত কানিৰ প্ৰচুৰ প্ৰচলন হৈছিল। কিন্তু বৃটিছ চৰকাৰৰ অলেখ চেষ্টাৰ ফলত কানি নিবাৰণ আইন প্ৰস্তুত আৰু কানিৰ বহুল ব্যৱহাৰ কিছু পৰিমাণে ৰোধ কৰিবলৈ সক্ষম হয়।

কানিৰ প্ৰচলন বন্ধ হোৱাৰ লগে লগে আন কিছুমান ৰাগিয়াল পদাৰ্থ আহি অসম পায়হি। এচাম অৰ্থলোভী সমাজৰ "খলনায়ক" স্বৰূপ লোকে বজাৰত মেলি দিলে যুৱক-যুৱতীৰ বৰবিহ সদৃশ হিৰ'ইন, ককেইন, ব্ৰাউনচুগাৰ, আফিং আদি।

মানুহে ড্ৰাগচ্ বা ৰাগিয়াল পদাৰ্থ ব্যৱহাৰ কৰে কিয়? মানুহে কিয় ড্ৰাগচ্ লয় তাৰ বাবে মনোবিজ্ঞানীসকলে কেইবাটাও কাৰণ দিছে। জীৱনৰ সংগ্ৰামত অসফল হৈ হতাশ হোৱা লোকে প্ৰায়ে ড্ৰাগচ্ লোৱা দেখা যায়। মাক-দেউতাকৰ মাজত থকা অমিল-মিল দেখি হতাশ হৈ বহুত যুৱক-যুৱতীয়ে ড্ৰাগচ্ লোৱা দেখা যায়। আকৌ আজিৰ যুগৰ কিশোৰ চামে মাক-দেউতাকৰ ওপৰত নিৰ্ভৰ কৰিব নিবিচাৰে। কিন্তু তেওঁলোকে আত্মনিৰ্ভৰশীল হবও নোৱাৰে কাৰণ তেওঁলোকৰ নিজা 'কেৰিয়াৰ' নাই। তেনেক্ষেত্ৰত তেওঁলোকে নিৰ্ভৰ কৰিব লাগে তেওঁলোকৰ ফাইলটোৰ ওচৰত। গতিকে ফাইলটোত থকা দহজন লৰাৰ নজনে যি কৰে দশমজনে ইচ্ছা নাথাকিলেও কৰিবলগীয়া হয়। কাৰণ তেওঁ প্ৰমাণ কৰিব বিচাৰে তেওঁ ফাইলটোত আছে। গতিকে এই ফাইলটোৰ অধিকাংশ ল'ৰা ড্ৰাগ্চ সেৱনকাৰী হলে আনকেইজনো ড্ৰাগচ্ সেৱনকাৰী হোৱা প্ৰায়ে দেখা পোৱা যায়।

সেৱনকাৰীয়ে ইয়াৰে প্ৰতি ইমানে আসক্ত হয় যে তেওঁ ড্ৰাগচৰ অবিহনে থাকিব নোৱাৰে, ড্ৰাগচ্ৰ অবিহনে তেওঁৰ দেহত নানা ৰোগ দেখা দিয়ে। ড্ৰাগ্চে আমাৰ যুৱ-সমাজক অক্টোপাছৰ দৰে আৱৰি ধৰিছে। যদিহে ড্ৰাগ্চৰ প্ৰচলন বন্ধ কৰিব পৰা নাযায় তেনেহলে ই আমাৰ যুৱ সমাজক পঙ্গু কৰি পেলাব।

ড্ৰাগ্চে আমাৰ দেহত কেনেকৈ অনিষ্ট সাধন কৰে বাৰু? নিচাযুক্ত পদাৰ্থ গ্ৰহণ কৰি সেৱনকাৰীয়ে লাভ কৰে কেইটামান ছেকেণ্ডৰ আমেজ। কিন্তু এই ক্ষণস্থায়ী আমেজ লবলৈ যাওতে মানৱ দেহত বিস্তৰ ক্ষতি হয়। মদ, ভাং, শ্লিপীং টেবলেট আদিয়ে মানুহৰ স্নায়ু দুৰ্বল কৰে। নিচাযুক্ত দ্ৰব্যই শৰীৰৰ বিভিন্ন অংগ ক্ষতিগ্ৰস্ত কৰে। এই নিচাযুক্ত দ্ৰব্যৰ অপপ্ৰয়োগ যেনেদৰে নহওক কিয় ই শৰীৰৰ পক্ষে ক্ষতিকাৰক। ই কৰা ক্ষতিৰ পৰিমাণ নিৰ্ভৰ কৰে ইয়াৰ গুণাগুণ, ব্যৱহাৰ পদ্ধতি, মাত্ৰা আদিৰ ওপৰত।

ড্ৰাগচ্ৰ প্ৰচলন বন্ধ কৰিব পাৰি, ই অসম্ভৱ নহয়, ইয়াৰ বাবে প্ৰয়োজন সংযমৰ। যুৱকসকলে ড্ৰাগচ্ৰ অপকাৰিতা সম্পৰ্কে বুজি লৈ নিজেও ব্যৱহাৰ কৰিব নালাগিব।

অভিভাৱক সকলেও নিজৰ সন্তানে যাতে ড্ৰাগচ্ৰ কবলত নপৰে তাৰ বাবে দৃষ্টি দিব লাগিব। অভিভাৱকসকলে নিয়মিয়াকৈ নিজৰ সন্তানৰ ওচৰত বহি তেওঁলোকৰ অনুভূতিক বুজিব লাগে। সন্তানৰ কাম-কাজ, হবিৰ লগতে বন্ধু-বান্ধৱৰ লগতো জড়িত হৈ পৰা উচিত। মাক-দেউতাকে ঘৰত যি যি ড্ৰাগচ্ আছে তাৰ ভু-ৰখা উচিত। তেওঁলোকে ৰাগিয়াল পদাৰ্থ সম্পৰ্কে বুজোৱা উচিত।

যদি কোনো সন্তানে ড্ৰাগচ্ সেৱন কৰে তেতিয়া হলে অভিভাৱকে খং নকৰি বা ভয় নাখায় খৰতকীয়া ব্যৱস্থা লব লাগে। এনে অৱস্থাত অভিভাৱকে নিজৰ নিচাগ্ৰস্ত সন্তানক পেচাদাৰী চিকিৎসকৰ ওচৰলৈ লৈ গৈ চিকিৎসা কৰাব লাগে।

প্ৰখ্যাত হিন্দী ছবিজগতৰ অভিনেতা সঞ্জয় দত্তই ড্ৰাগচ্ৰ কবলত পৰিছিল যদিও লণ্ডনত গৈ চিকিৎসা কৰি ইয়াৰ কবলৰ পৰা মুক্ত হয়। কিন্তু ড্ৰাগচ্ৰ কবলৰ পৰা মুক্ত হব নোৱাৰিলে ক্ৰীড়াবিদ জনছনে।

সেয়েহে মোৰ ডেকা বন্ধু সকললৈ বিনম্ৰ অনুৰোধ—
"ড্ৰাগচ্ সেবনৰ পৰা বিৰত থাকক
সুখময় জীৱন এটি গঢ়ক।" ❑



# শিক্ষাৰ ইতিহাস আৰু ইয়াৰ প্ৰসাৰ

শ্ৰীদিগন্ত কলিতা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

নিৰক্ষৰতা আমাৰ দেশত বৰ্তমানে এক জলন্ত সমস্যাৰূপে গা কৰি উঠিছে। ইয়াৰ ফলত জনসংখ্যা, নিবনুৱা সমস্যা আদিৰ প্ৰকোপ বৃদ্ধি পাইছে। নিৰক্ষৰতাৰ ফলত সৃষ্টি হোৱা জনসংখ্যা বৃদ্ধিয়ে আমাৰ জীৱন যাত্ৰাৰ পথত বাৰুকৈয়ে প্ৰভাৱ পেলায়। আজি আমাৰ নিবনুৱা সমস্যাই দেশত যি আলোড়নৰ সৃষ্টি কৰিছে ইয়াৰ মূলতে আছে নিৰক্ষৰ লোকসকল। গতিকে নিৰক্ষৰতা দূৰ কৰিবলৈ হলে আমাৰ প্ৰধান দায়িত্ব হব বাধ্যতামূলক শিক্ষা ব্যৱস্থা। ইয়াৰ বাবে সজাগ হব লাগিব দেশৰ জনসাধাৰণ, চৰকাৰ আৰু আমি ছাত্ৰসকল। ছাত্ৰ সংগঠন (সন্থা) দেশৰ অন্যান্য সংস্থা সমূহৰ ভিতৰত অন্যতম। এই ছাত্ৰ সংগঠনে আগবাঢ়িলে বোধহয় নোৱাৰা কাম নোলাব। কিন্তু পৰিতাপৰ বিষয় যে আজিৰ আমি ছাত্ৰ সকলৰ প্ৰায় ৭০ শতাংশই ছাত্ৰ সন্থাৰ কাৰ্য্যাৱলী কি নাজানো।

১৯১৯ চনত গৃহীত হোৱা ভাৰত আইন অনুসৰি শিক্ষা ব্যৱস্থাতো প্ৰাদেশিক চৰকাৰৰ অধীনলৈ আহিছিল আৰু তেতিয়াৰে পৰা বিভিন্ন প্ৰদেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচলনৰ কাৰণে প্ৰথমখন আইন পাছ কৰা হৈছিল। ১৯২৬ চনৰ পৰা অসমতো পৰ্য্যায়ক্ৰমে বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰচলনৰ বাবে অসম ৰাজ্য চৰকাৰে বহুতো কাৰ্য্যকৰি ব্যৱস্থা হাতত লৈছিল। কিন্তু দুখঃজনক কথা যে কুৰি শতিকাৰ শেষভাগত সেই আইনৰ কোনো সীমাবদ্ধতা নোহোৱা হ'ল। যাৰ ফলত লৰা-ছোৱালীয়ে বিশেষকৈ গাৱলীয়া অঞ্চলত প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰে আৰু যেতিয়া প্ৰাথমিক শিক্ষাতেই খেলি মেলিৰ সৃষ্টি হয়, তাৰ পিছত শিক্ষা কেনেকুৱা হব সেইটো বিচাৰ কৰিবলগীয়া। কিছুমান পিছপৰা অঞ্চলৰ বিদ্যালয়ত (প্ৰাথমিক স্তৰত) শিক্ষকে ছাত্ৰক ঘৰুৱা কামতো লগোৱা দেখা যায়। ফলত ছাত্ৰৰ প্ৰাথমিক শিক্ষাৰ বুনিয়াদ অসম্পূৰ্ণ হৈ পৰে। কিছুমান গাওলীয়া অঞ্চলৰ বিদ্যালয়বোৰৰ পৰিস্থিতি সংকটজনক। এইবোৰ চোৱাচিতা কৰাৰ বাবে উপযুক্ত স্কুল পৰিদৰ্শকৰ অভাৱ। ১৯৮৬ চনৰ পৰা আমাৰ দেশত নতুন শিক্ষানীতি প্ৰবৰ্তন কৰা হয়। কিন্তু কথা হ'ল এটা নীতি গ্ৰহণ কৰাটোৱে যথেষ্ট নহয়। যদি সেই নীতি নিষ্ঠা আৰু উদ্যমেৰে কাৰ্যত পৰিণত কৰা নহয় তেতিয়াহলে সেই নীতিৰ পৰা কোনো লাভ আশা কৰিব নোৱাৰি। স্বাধীনতাৰ পিছত আমাৰ শিক্ষাৰ সম্প্ৰসাৰণ হৈছে ইয়াৰ বাবে বহুতো পৰীক্ষা নিৰীক্ষা কৰা হৈছে। বিভিন্ন দিশত শিক্ষাৰ উন্নতিও কিছু পৰিমাণে হৈছে। তথাপিও এতিয়াৰ শিক্ষাজগতৰ ছবিখন নিৰাশজনক। বিশেষকৈ চৰকাৰৰ দ্বাৰা পৰিচালিত স্কুলবোৰত শিক্ষাদান কাৰ্য্য সঠিকভাৱে নহয় বুলি অভিযোগ শুনা যায়। এই স্তৰত ছাত্ৰ-ছাত্ৰীসকলে যিখিনি শিক্ষা লাভ কৰিব লাগে সেইখিনি আয়ত্ব কৰিব নোৱাৰা বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ইয়াৰ পিছৰ পৰীক্ষাত এক বৃহৎ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হব নোৱাৰে। বৰ্তমানে শিক্ষক নিযুক্তিত কিমানখিনি খেলিমেলি হব ধৰিছে সেই কথা আমি সকলোৱে জানো। শিক্ষক নিযুক্তিক চৰকাৰে নিৱনুৱা সমস্যা সমাধানৰ এটা উপায় হিচাপে ব্যৱহাৰ কৰা হোৱা দেখা যায়। এই কথাবোৰ প্ৰকৃত শিক্ষানীতিৰ অভাৱত হোৱা নাই। শাসক চক্ৰৰ অকৰ্মণ্যতা, দুৰ্নীতি, স্বাৰ্থপৰতা আৰু নিয়ম-নীতিৰ প্ৰতি অবহেলা প্ৰদৰ্শন কৰাৰ মনোবৃত্তিৰ বাবেহে এনে এটা অৱস্থাৰ সৃষ্টি হৈছে।

বৰ্তমান কালত শিক্ষা লাভ কৰাতো প্ৰতিজন মানুহৰ বাবে প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। শিক্ষা বুলি কওতে আমাৰ মনলৈ বহুতো শিক্ষাই আহে। তথাপিও ছাত্ৰ জীৱনৰ শিক্ষা বুলি কওতে সাধাৰণতে স্কুল-কলেজৰ পৰা লাভ কৰা শিক্ষাকে বুজায়। এই শিক্ষা লাভ কৰাতো প্ৰতিজন ছাত্ৰৰে প্ৰাক্-প্ৰথম কৰ্তব্য। কিন্তু আজিৰ প্ৰায়ভাগ ছাত্ৰই এই কৰ্তব্যক অৱহেলিত কৰা দেখা যায়। এই শিক্ষা নিৰ্ভৰ কৰে ছাত্ৰৰ অভ্যাস অভিজ্ঞতা, সংৰক্ষণ আৰু সংশোধনৰ জৰিয়তে। কিন্তু ছাত্ৰৰ এই শিক্ষাত ৰাজনীতিৰ প্ৰলেপেও কিন্তু হেতা ওপৰা লগায়। সংসাৰত উদ্‌গতি কৰিবলৈ মানুক মনৰ একাগ্ৰতা লাগে আৰু শিক্ষাৰ পৰাহে সেই একাগ্ৰতা লাভ কৰিব পাৰি। চঞ্চল মন স্থিৰ কৰিবলৈ আৰু ভোটা বুদ্ধি চোকা কৰিবলৈ শিক্ষাৰ নিচিনা গুণকাৰী উপায় নাই। বিদ্যা উপাৰ্জনৰ উপায় হ'ল পুথি অধ্যয়ন। পুথিৰ পৰা আমি দূৰৈৰ মাণিক হাততে পাও। আধুনিক যুগত বিজ্ঞানৰ অগ্ৰগতিৰ ফলত আমাৰ শিক্ষায়ো কিছু কিছু ক্ষেত্ৰত উন্নতি লাভ কৰিছে সচা। কিন্তু প্ৰাচীন কালৰ শিক্ষাৰ দৰে শিক্ষাৰ্থীয়ে নানা বিষয়ত সিদ্ধি লাভ কৰি নতুন নতুন তথ্য আৰু সত্য আবিস্কাৰ কৰিবলৈ সমৰ্থ হোৱা নাই। ইয়াৰ কাৰণ কি? ভাবিলে আচৰিত যেন নেলাগেনে? ইয়াৰ উপৰি ভালকৈ ৰিজাই চালে দেখা যায় প্ৰাচীন কালৰ শিক্ষাৰ শিক্ষাৰ্থীয়ে পোৱা সুবিধাতকৈ বৰ্তমানৰ শিক্ষাৰ্থীয়ে পোৱা সুবিধা অতি বেছি। তেনেহলে কি ছাত্ৰ? কি শিক্ষক? যদিওবা ভাৰত চৰকাৰে বছৰি কৌটি কৌটি টকা শিক্ষাৰ নামত খৰচ কৰিছে আৰু যদিও লাখ লাখ লৰাই শিক্ষা লাভ কৰিব লাগিছে তথাপি

কিয় আজি আমি ছাত্রসকলে স্বাধীন চিন্তা কৰি নতুন তত্ব বাহিৰ কৰিব পৰা নাই। ইয়াৰ মুখ্যত কাৰণ হ'ল আগৰ কালত শিক্ষাৰ উদ্দেশ্য আজিকালিৰ দৰে চাকৰি নাছিল। প্ৰাচীন কালত শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ সজ প্ৰবৃত্তিবোৰক ফুলাই তুলি অসৎ প্ৰবৃত্তিবোৰক তুলি বা দলিয়াই পেলাই তেওঁক জীৱন যুদ্ধৰ নিমিত্তে ভালকৈ সাজু কৰা।

সন্ত্ৰাসবাদ আমাৰ এটা ডাঙৰ সামাজিক ব্যাধি। ইয়াৰ ফলতে দেশত হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ প্ৰকোপ বাঢ়িছে। কিছুমান অঞ্চলত বেশ্যালয় প্ৰতিষ্ঠিত হৈছে। এই আটাইবোৰৰ মূলতে আছে উপযুক্ত শিক্ষাৰ অভাৱ। থুলমূলভাবে কব পাৰি যে আমাৰ জাতীয় জীৱনত সন্ত্ৰাসবাদ সৃষ্টিত শিক্ষাই মূখ্য ভূমিকা গ্ৰহণ কৰিছে। গতিকে আমাৰ শিক্ষা ব্যৱস্থাক উন্নত মানদণ্ডৰ কৰি তোলা আবশ্যকীয়। ইয়াৰ বাবে চৰকাৰে শিক্ষা ব্যৱস্থাটোক অধিক গুৰুত্ব দিয়া উচিত। ১৯৮৬ চনৰ 'শিক্ষাৰ প্ৰত্যাহ্বান' নামৰ পুস্তিকাখনত কোৱা হৈছিল যে ৰাজনৈতিক প্ৰভাব শিক্ষানীতি কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰধান অন্তৰায়। শিক্ষানুষ্ঠানক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰাৰ কথাও তাত কোৱা হৈছিল। আজিকালি বহুতৰে শিক্ষা লাভৰ একমাত্ৰ উদ্দেশ্য হৈছে কৰ্মসংস্থান বা ডিগ্ৰী লাভ। এই উদ্দেশ্যৰ বাবেই হয়তো বৰ্তমানে শিক্ষাৰ অন্তৰ্নিহিত অৰ্থ উপলব্ধি কৰিব পৰা নাযায়। উল্লিখিত উদ্দেশ্যৰ ফলতেই হয়তো আজিৰ ছাত্ৰ-ছাত্ৰীসকলে স্কুল পৰ্য্যায়তেই হওক বা কলেজ পৰ্য্যায়তে নকলৰ আলম লব লগা হয়। ইয়াৰ ফলস্বৰূপে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত শিক্ষাৰ বাহিৰত থাকিবলগীয়া হয়। অন্যথাই নকলত ধৰা পৰি স্কুল কলেজৰ পৰা বাহিৰ কৰাৰ ফলশ্ৰুতি স্বৰূপে বহুতো ছাত্ৰ-ছাত্ৰীয়ে আত্মহত্যা কৰাৰ উদাহৰণ পোৱা যায়। আজি আমাৰ যুব সমাজৰ মাজত অপৰাধ প্ৰৱনতা, শৃংখলহীনতা বৃদ্ধি পাইছে। প্ৰাপ্তবয়স্ক সকলৰ আগতো নিজৰ স্বাৰ্থৰ বাহিৰে আন কোনো সামাজিক দায়বদ্ধতা নাই। মুঠতে শিক্ষাৰ অনুন্নতি অধিক উৎকৃষ্ট ধৰণে বৃদ্ধি হোৱাতো পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাৰ আগ্ৰহ নাইকীয়া হৈ পৰিছে। শিক্ষক সকলৰ মাজতো নিষ্ঠাৰে শিক্ষাদান কৰিব খোজা শিক্ষকৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাব ধৰিছে। ❑

প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি (freedom)। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা মুক্তিৰ বন্ধনবিহীনতা, স্বচ্ছন্দ লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃতৱৎ। তাৰ আত্ম-প্ৰতিভা অবিকশিত, অহৃষ্ট, অপুষ্ট, অমহান। মানুহৰ জীৱন বৈচিত্ৰ্যময়। জীৱন্ত সাহিত্যও সেই লক্ষণাক্ৰান্ত; কিন্তু যেতিয়াই আমি সাহিত্যক কঠোৰ নিয়মৰ নিগড় দি বান্ধোঁ-চাঁটো, তেতিয়াই সাহিত্যই পংগু আৰু নিৰ্জীৱ অৱস্থাৰফালে ঢাল লয়।

— লক্ষ্মীনাথ বেজবৰুৱা





# কবিতা

কবিৰ আটাইতকৈ ডাঙৰ গুণ হৈছে নিজৰ সৃজনশীল মননশীল বিচিত্ৰ ভাবনাৰ বাহন স্বৰূপে শব্দ ব্যৱহাৰ কৰা ক্ষমতা। এই শব্দবোৰেই কবিক আন মানুহৰ পৰা পৃথক কৰিছে।"

—হীৰেণ ভট্টাচাৰ্য্য

"জীৱনৰ অভিজ্ঞতাৰ প্ৰকাশ মানুহৰ আবেগ আৰু অনুভূতিৰ প্ৰতিধ্বনিয়ে হ'ল কবিতা।"

—লক্ষ্মীনাথ বেজবৰুৱা



## সমাধান

শ্ৰীমুনীন্দ্ৰ দাস
স্নাতক তৃতীয় বৰ্ষ



সি বৈ আছে—
প্ৰত্যাশাৰ কীট এটি লৈ
বাঃ কি দুৰন্ত সাহস.....................


কণ মানি চৰাইজনী গ'লগৈ শূন্যলৈ উৰি
সঁচা-মিছা
তাৰ আত্মা বিচাৰি

দুচকু মুদিলে নেকি?
সৰি পৰিল নিঃশব্দে তেজৰ টোপাল এটি।

উঃ বাহটো বিষাই উঠিল
যন্ত্ৰণাও যে মধুৰ! ট্ৰিগাৰত
আঙুলি থৈ কাণপাতি শুনিছোঁ
তাইৰ গৰ্ভত হৃদয়ৰ স্পন্দন আছে নেকি?
(ট্ৰিগাৰত সঁচাকৈ টিপি দিলো)
গম পালো জীয়াই আছে
জীৱিত সি কুঁৱলীৰ আবৰণত

সি যে বৈ আছে;
সৰি পৰিল নিঃশব্দে
আবেলিৰ কবিতা এটি...................

বুকু ফাটি আত্মালৈ বিষ
সম্ভৱত। চিকাৰ এটি হব। ❑



## দুটি কবিতা

শ্ৰীদীপক শৰ্মা
স্নাতক দ্বিতীয় বৰ্ষ

### (এক) ৰীহাৰ খোচত গধূলি ডুবে

ৰৰষুণজাকো আউললগা
ডাঁৱৰে আবেলিতে বেলিটো
জেপত ভৰাই আনিছে
বাস্তাবোৰ বোকাৰে ভৰা
গধূলিতে তুমি ওলাই আহা
তোমাৰ ৰীহাৰ খোচত
গধূলি ডুবে
নিশাৰ পাতল আন্ধাৰে
তোমাৰ গালত চুমা যাচে

### (দুই) তিতা ৰীহাৰ মাতটো

তিতা ৰীহাৰ মাতটো
চট্‌প, চট্‌পকৈ বাজে
তোমাৰ খোজে পতি
আগভেটি ধৰে


পানীৰে তিতা চিপ্‌চিপিয়া
ভাজবোৰত গধূলি জিৰায়
শব্দটোৰে কিনো কয়?

বৈ বৈ মোৰ বুকুত সোমায়
তেতিয়া বোকাৰ
বুকুতো জুই লাগে।। ❑

# স্বপ্ন সনা দুচকু

শ্ৰীপিংকী দাস
স্নাতক প্ৰথম বৰ্ষ

স্বপ্ন য'ত সন্ধ্যা হৈ নামে
সেই দুৰণিৰ কথা কোৱা,
জীৱনৰ পদূলিত অভিশাপে যদি বিউিয়াই
তাৰ কথা পাহৰি পেলোৱা।।
তুমি আহিবা, তুমি আহি আকৌ উভতি যাবা
মোৰ দুচকুত প্ৰদীপ উজ্বলি ৰব,
তোমাৰে মৰমী ছাঁতে সীমা জানো আছে তাৰ
বেদনাৰ স্মৃতিভৰা শেঁতা দিনবোৰ
দীঘল নিশাৰ সপোন উটিল
সপোনৰ অৱসাদ জোনাকৰ পৰাজয়
কাৰ বাবে মৰমৰ ৰেখা
এয়া জানো মনৰ খবৰ নহয়।।
সেইদিনা ভাবিছিলোঁ কোন আছে মোৰ
কাৰবাবে ৰচিম, সাগৰনীলা চকুযুৰি
ধৰিম জপাই
মাঘৰ আগতে জানো ফাগুন আহিব
স্মৃতিৰ দুৱাৰদলিত স্মৰিবে ৰাখিব। ❑



# মৃত্যু নহয় হত্যা

শ্ৰীঅনুপম তালুকদাৰ
স্নাতক তৃতীয় বৰ্ষ

এইমাত্ৰ এটা শব্দ চৌদিশে
বিস্ফোৰিত হ'ল
তাৰ মৃত্যু হোৱা নাই
তাক হত্যাহে কৰিলে
লগে লগে ডাঠ কুৱলীয়ে
ঘেৰি ধৰিলে আকাশ-বতাহ
আৰু মোৰ গাওঁ
বাটে-পথে মানুহৰ সমাগম
সকলোৰে চকুত চকুলো
চকুলোৰে তিতি গ'ল গোটেই
ৰাজপথ
কিছুদূৰত, সোঁৱা তেজেৰে ৰাঙলী হোৱা
মুখখন কাৰ?
আমাৰ গাওঁৰ ডেকাজনৰ নহয়নে?
মোৰ মনত পৰে
পথাৰৰ মাজত পৰি আছিল।
মৃতদেহ
হায়! মোৰ সহৃদ বন্ধু
কিয় বাৰু হত্যা কৰিলে তোমাক?
অথচ আজি শ্মশানৰ বুকুত
জনতাই যাচিলে অশ্ৰু অঞ্জলী। ❑

(বিঃ দ্ৰঃ এই কবিতাটো গুলীত নিহত হোৱা এজন বন্ধুৰ স্মৃতিত উৎসৰ্গিত)





# প্ৰীতি তেজাল গোলাপ

শ্ৰীভনীতা কলিতা
স্নাতক দ্বিতীয় বৰ্ষ

তোমাক লৈয়ে সপোন ৰচিলো
গোলাপ এটি লৈ।
সিও যে আছে জকমকাই
লবানে আকোৱালি?
তেজাল গোলাপ এটি
মৰমেৰে ৰাখিছো।
তোমাক ভেলেনটাইনত দিম বুলি
প্ৰেমৰ প্ৰতীক
তেজাল গোলাপ এটি।
জকমকোৱা গোলাপটি
সুগন্ধি আৰু মৰমেৰে উপজিছে।
তেজাল গোলাপটি
ৰাখিবানে হৃদয়ত তুমি?
তাৰ সুগন্ধিয়ে তোমাৰ
হৃদয় জগাই তুলিবনে?
মোৰ ঈপ্সিত প্ৰেম।
গ্ৰহণ কৰিবানে তুমি মোৰ
তেজাল গোলাপটি। ❑





# শেৱালি

শ্ৰীঅচ্যুত হালৈ
দ্বাদশ শ্ৰেণী

শাৰদীয় সন্ধ্যাৰ
নিৰিবিলি নীৰৱতাত
সেউজীয়া ৰিহা,
কেয়ুৰ আৰু প্ৰলেপেৰে
সাজি কাচি
ৰমক্ জমক্‌কৈ
পাত গাভৰুটি হৈ
ওলাই আহে শেৱালি।
নিৰ্মল আকাশৰ
তিৰবিৰণিত
বগা হালধীয়া
সুগন্ধি অলংকাৰেৰে
আমোলমোলাই
ৰূপালী দীপালী
হেঙুলীয়া ৰহন সানে।
শাৰদীয় মলয়াৰ
ৰিৰ ৰিৰনিত
সেউজীয়া ৰিহা আঁচলে
করুণ সুৰত
সংগীৰ বিৰহৰ গীত গাই
নাচে ঠেও ধৰি ধৰি।
নিসংগতাৰ নীৰৱতাত
তৰাবচা সেউজীয়া কুচনখনত
তলমুৰাকৈ বহি
শেৱালিয়ে ভাবে
কিয় আজি মোৰ
পাহিটি পৰিল সৰি। ❑

# এটি নতুন অনুৰাগ


মিচ্ সবিতা ডেকা
একাদশ শ্ৰেণী

বহাগ আহিলেই হেনো
কপৌ ফুলে....................
পিছে কপৌ ফুলে
বনত নে মনত?
সেই যে জোনাকত...............
গান গোৱা
আৰু দিন নাই।
কিয়নো জোনাকবোৰ
আৰু আজি নাই........
জোনাকৰ সলনি
তেজ ৰঙা আকাশ।
শৰতৰ সন্ধিয়াৰ আকাশতো
তৰাফুল নাই................
তৰা ফুলৰ সলনি
এটুকুৰা কলা ডাৱৰ। ❑



# শৰত

মিচ্ জাহানাৰা বেগম
একাদশ শ্ৰেণী



আকাশ মুখৰ কৰি যেতিয়া
শৰালি উৰে,
বতাহ সুগন্ধি কৰি যেতিয়া
বকুল সৰে,
জোনাকে ফুলাম কৰি যেতিয়া
শেৱালি ফুলে
তেতিয়াই মনে মনে
কুঁৱলীৰ আঁৰে আঁৰে
কহুৱাৰ মাজে মাজে
শৰত আহে।
মুখৰিত হয় মোৰ নিতাল হিয়া,
সুগন্ধিত হয় মোৰ কলিজাৰ বেথা,
ফুলাম হয় মোৰ আশাৰ বাগিচা।। ❑





# সন্ধান

শ্ৰীঅনুপম দাস
স্নাতক দ্বিতীয় বৰ্ষ

তোমাৰ অস্তিত্বৰ উমান পালো শব্দত
ৰূপ-ৰস-গোন্ধ-স্পৰ্শ গগনত
দৃষ্টিত-সৃষ্টিত পালো, পালো খোজত-
সকলোতে পাইও-নাপালো মনত।
অভ্ৰভেদী তুষাৰ মৌলি হিমাদ্ৰী শিখৰ-
নীল নভ শোভে আৰু বিশাল সাগৰ-
আঘোনৰ পথাৰখনি সোনগুটি ভৰা
শৰতৰ শেৱালি শোভা চন্দ্ৰ-তৰা।
নৱ নৱ ৰূপে শোভা কৰে নিতে নিতে-
তোমাৰ অস্তিত্বৰ উমান নাপালো মই চিতে। ❑





# অকাল শৰত

শ্ৰীনয়নজ্যোতি বৰ্মন
দ্বাদশ শ্ৰেণী


শৰতৰ শুকুলা শেৱালী
অসমত সেনাৰ পাশৱিক
ধেমালী
আহিনৰ পথাৰত তেজৰ ফাকু
অসমত চলিছে মানৱতাৰ
অপমৃত্যু।
যুৱকক কৰিছে হত্যা
যুৱতীক কৰিছে ধৰ্ষিতা
তেজৰ বন্যাত উৰিছে
মৃত্যুৰ উপত্যকা।
কেউদিশে মাথো মৃতদেহৰ শাৰি
গুপ্তঘাতকৰ টিঘিলি ঘিলনি
অত্যাচাৰত ক্ষত-বিক্ষত
পংগু দেহৰ চিৎকাৰ।
অসমৰ আকাশ বিদীৰ্ণ এতিয়া
দিয়ে ভয় আৰু আতংকৰ বতৰা,
কম্পিত হৃদয়, বিবৰ্ণ মুখ
আৰু আশাহীন দৃষ্টি
এয়াই অসমবাসীৰ সম্প্ৰতি।
সেয়েহে শৰৎ
তোমাক কৰিছো অনুৰোধ
স্বাধীনতা পালে আহিবা
এনুৱা পৰত
ধেমালি কৰিম
তোমাৰ উৎসৱত। ❑

# সময়ৰ গান

শ্ৰীনাগেশ্বৰ মেধী
স্নাতক প্ৰথম বাৰ্ষিক



শান্তিৰ তৰালি নাই
হৃদয় গভীৰতমলৈ সোমাই গৈছে।
ফলশ্ৰুতি বিহীন বন্ধ্যা চিন্তা
সংকীৰ্ণ পৰিসীমাৰ ভিতৰত
জিনিব নোৱাৰা খেল খেলি
সকলোৰে ভাগৰি পৰিছোঁ।
দুখ যন্ত্ৰণাক লুকুৱাই ৰাখি
আনন্দৰ বৰ মেলা পাতিছোঁ।
প্ৰতিখন দুখৰ শুকান মুখেই
এতিয়া মুখ ঠেকেছা খাই
পৰি আছে ৰাজপথত
ভয়ত কিম্বা বেজাৰত
কলা মানুহৰ মুখত সূৰ্যোদয়ৰ গান
যি গানৰ শাশ্বত স্বপ্নই
কাঢ়ি লৈ গৈছে
মুক্তিৰ প্ৰচেষ্টাৰ আত্মোৎসৰ্গৰ বতৰা
পুৰঠ হবৰ নৌহওঁতেই
হত্যা কৰা হৈছে আমাৰ নতুন প্ৰজন্মক
আৰু বিকলাংগ কৰিছে আমাৰ মানৱতাক। ❑



# অলপ দুখৰ অনুভৱ

শ্ৰীনিপজ্যোতি ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক

পাক্ ধূৰণি মৰা কেইজাকমান বতাহলৈ
ফাগুণ আহে
বিফলতাৰ জীৱনে কান্দি উঠে পচোৱাৰ ছন্দে ছন্দে,
কলিজাটো ফাটি পৰে হতাশাত।
লঠঙা গছবোৰে চকুপানী টুকে; শুকান মাটিত
চঞ্চলতাৰ জীৱনটোৱে থমকি ৰয়, ফাগুণত
চিনিব খোজে জীৱনৰ প্ৰেমক আৰু প্ৰেমৰ মাজৰ জীৱনক।
জীৱনৰ সামৰ্থ আৰু বাসনাই যুঁজ দিয়ে
ব্যৰ্থতাই বলিয়া ৰূপ ধৰে,
মাজনিশাও অশ্ৰু ওলায়;
পুৰণি পাত লুটিয়াই কান্দে
পচোৱাই উৰাই নিয়ে এইবোৰ দূৰলৈ-
বহুত দূৰলৈ।। ❑



# আশা

শ্ৰীকমল কুমাৰ চৌধুৰী
স্নাতক দ্বিতীয় বাৰ্ষিক

অতীতক সুঁৱৰি বৰ্তমানক দুঃসহ
কৰা নাই মন।
অনাহুত ভৱিষ্যৎ অনিশ্চিত
কালৰ খেয়ালী হাতত তথাপি
ভৱিষ্যতকে সাৰথি কৰি
বৰ্তমানক ভাঙিছো-গঢ়িছো।
লগৰীয়া-
লগৰীয়া মোৰ আশা।
জীৱনৰ শান্তিৰ বাবে পৰৰ
ওচৰতো পাতিছো হাত।
পৰৰ ওচৰত ঋণী।
দুখবোৰহে মোৰ নিজা।
ক্ষেদ নাই- তথাপি
থাকিম জীয়াই।
আমাৰ শান্তি পথত দুৰন্ত প্ৰতিবন্ধক।
শান্তি; এক দৈৱক্ৰিয়া
বুলিহে ভাবো।
কিন্তু; জগতখন
য'ত আছে সীমাহীন পবিত্ৰতা
আৰু অমৰণ-অভগণ প্ৰাণৰ সঞ্চাৰ
তাত?
সকলো পাহৰি
অতিক্ৰমি এক হৈ
নিজক বিচাৰি লব নোৱাৰিম নে?
আশাই হব মোৰ; মোৰ
জীৱনৰ শেষ লগৰী। ❑





# এটা নিঃশব্দ হাঁহি

শ্ৰীভাৰত ৰাজবংশী
স্নাতক প্ৰথম বাৰ্ষিক

কাঁইটে আগুৰি ধৰা
এটা নীৰৱ নিশা
মাথো যন্ত্ৰণাকাতৰ এটা নিঃশব্দ হাঁহি
কোনোবাই আঁকি দিয়ে
তাইৰ হৃদয়ত
অসন্তুষ্টিৰ ৰেখা,
কোনোবা চিত্ৰকৰৰ তুমুল সংগ্ৰাম
সৃষ্টিৰ বাবে লজ্জাজনক ছবি
দিগ্‌বলয়ৰ সিপাৰৰ পৰা
ভাহি আহে
অনামী আত্মাৰ কৰুণ ধ্বনি।
এটা বিকট চিঞৰ
মই যদি চিত্ৰকৰ হলোহেঁতেন
তাইৰ উত্তপ্ত বুকুৰ সংবেদনবোৰ
নীৰৱে আঁকিলোহেঁতেন
আজি মই নোৱাৰো
কাঁইটে আগুৰি ধৰা
এটা নীৰৱ নিশা
মাথো যন্ত্ৰণাকাতৰ এটা নিঃশব্দ হাঁহি। ❑

# মনত পৰিছে

মিচ্ নাজমা বেগম
একাদশ শ্ৰেণী



আজি কুৰি শতিকাৰ অন্তিম সময়ত
কিয় যেন তোমাক বাৰে বাৰে,
মোৰ মন দাপোনত প্ৰতিবিম্ব
হৰ ধৰিছে তোমাৰ প্ৰতিচ্ছবি।
তুমিয়েইতো দিছিলা এখানি মৰম চটিয়াই
প্ৰেমৰ ক্ষুধাৰে ভৰা।
তুমিয়েইতো কৈছিলা দুটি নিজৰা নিৰ্মল
পানীৰে ভৰা এক নৈ হৈ বৈ যাম মহাসাগৰলৈ
আৰু দিছিলাহি আশাৰ কাৰেং সাজি
আন্ধাৰ পথতে পোহৰাই তুলিম বুলি।
কিন্তু তুমি বেদনাৰ শিখা বুকুতে জ্বলাই,
আঁতৰি গলা দূৰ দিগন্তলৈ।
হে ছলনাময়ী নেপালো তোমাক চিনি
তুমি আঁতৰি গ'লা মানে সকলো
মোৰ পৰা কাঢ়ি লৈ গ'লা,
দি গ'লা মাথো বেদনাৰ স্মৃতি। ❑



# ব্যৰ্থ প্ৰয়াস

শ্ৰীগোলক দাস
একাদশ শ্ৰেণী

সঁচা নে মিছা
সপোন নে দিঠক
মৰম নে প্ৰলোভন
এয়া এক প্ৰহেলিকাময় দোমোজাৰ সাথৰ।
উত্তৰ থাকিও দিব নোৱাৰাৰ
ওচৰত থাকিও চুকি নোপোৱাৰ
এক নিৰ্মম মানসিক সংঘাট
জীৱন এক দুৰ্বিসহ যন্ত্ৰণা।
তথাপিতো হেপাহ জীয়াই থকাৰ
জীৱনক নতুনকৈ গঢ়াৰ।
দেৱী কিম্বা
পিশাচিনী স্বৰূপে
ভুলকৰে পৃথিৱীয়ে
বতাহেও কৰে
যদি ভুল হয় জীৱনত এবাৰ
সুধৰণী পথ অৱৰুদ্ধ চিৰকাল।
প্ৰবঞ্চনাৰে বহ্নিত স্ফুলিঙ্গক
ঢাকি ৰাখিবলৈ কৰা
এয়া এক
ব্যৰ্থ প্ৰয়াস। ❑



# ভগ্ন হৃদয়

শ্ৰীউৎপল দাস
স্নাতক প্ৰথম বাৰ্ষিক

মন কহুৱা বনৰ আঁৰে আঁৰে
তোমাক আছোঁ চাই
মোৰ হৃদয়ত আহিবা বুলি
তোমাৰ বাবে আছোঁ বৈ,

কহুৱা বনৰ আৰে আৰে বৈ
তোমাক সদায় কাষতে লৈ
উতনুৱা হয় মোৰ মন
দৃষ্টিত ভাহে অফুৰন্ত সুখ,

তোমাৰ আশ্ৰয়ত
হিয়াত অফুৰন্ত সাহস
বতৰে আনে ঋতুৰ সৌৰভ
শইচৰ দৰে সতেজ মনত

মোৰ জীৱনৰ পদযাত্ৰা
তোমাৰে আৰম্ভ
সময়ৰ কঠিন দিশত,
তোমাৰ ছাঁতে জিৰাওঁ
স্নিগ্ধ প্ৰেমত
তোমাৰ স্মৃতিক আদৰি
হৃদয় আমোল মোলাই পবিত্ৰ গোন্ধত। ❑





# প্ৰতিজ্ঞা

শ্ৰীচন্দনা কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

ভাবিছিলো জীৱনত
বহুতো পাম বুলি,
কোনেনো ধৰিব মোক
মৰম-স্নেহেৰে আকোঁৱালী।
বহুতো পোৱাৰ আশাৰে
কৰিছিলো কল্পনা,
সেয়েহে আজি জীৱনত
ভুগিছো যাতনা।
মাৰিছিলো যিপাত শৰ
হৃদয়ত মোৰ,
সহিছো নীৰৱে
দুখ-যাতনা সকলোবোৰ।
নিষ্ঠুৰ অস্ত্ৰ যিমানে
কৰিছো প্ৰয়োগ,
বুকুপাতি লৈছো সকলো
নুতুলিম কোনো অভিযোগ।
কৰিলো আজি মই
জীৱনত কঠোৰ প্ৰতিজ্ঞা,
নীৰৱে সহি যাম
সকলো বেদনা।। ❑

ড° আম্বেদকাৰৰ স্মৃতিত ৰচিত

## ।। আম্বেদকাৰ ।।

সংগীতা ডেকা
একাদশ শ্ৰেণী

হে মহান তোমাৰ জন্ম হৈছিল এক পবিত্ৰ ক্ষণত
এই পবিত্ৰ মাতৃভূমি ভাৰতৰ বুকুত
তুমি আছিলা অস্পৃশ্যতাৰ আজীৱন সংগ্ৰামী
ভাৰতৰ সংবিধান প্ৰণেতা
তুমি হ'লা ভাৰত ৰত্ন
তুমি বাবা চাহেব।
তুমি ভাৰতৰ হৰিজন সমাজৰ গৌৰৱৰ পাত্ৰ
হৰিজন সকলৰ আছিলা পথ প্ৰদৰ্শক
তুমি ভাৰত মাতৃৰ সুযোগ্য সন্তান
তোমাৰ স্মৃতি দিৱসত
যাচিছোঁ শ্ৰদ্ধাঞ্জলি। ❑

## সন্ধান

মিচ্ দুলুমনি দত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক



শব্দ তৰংগত বাঁজি উঠা
ক্ৰন্দনৰ কিৰণ ৰেখা
য'ত হেৰাই যায়
এয়া স্বদেশৰ বাবে যুদ্ধ।
মই এন্ধাৰতে যাওঁ
পোহৰ বিচাৰি সিহঁত
সেই ঠাই ওলাব পাৰে,
কোন যায় কোন আহে
হিচাপ নাই।
এয়া বাস্তৱ
প্ৰকৃতিৰ চিৰ সত্য
এটা বুলেট
জীৱনৰ পুৰস্কাৰ,
বন্ধু বিষাদত ভাগৰি নপৰিবা
দুঃ সহায় সময়ত
দায়িত্ব তোমাৰ গাত
উদিত সূৰ্য্যৰ উন্মুক্ত বাট,
প্ৰিয় বন্ধুহঁত
মই পুনৰ উভতিম
স্বদেশৰ কাৰণে -। ❑



## এটি নিশাৰ ডায়েৰী

শ্ৰীনিপন দত্ত
স্নাতক তৃতীয় বাৰ্ষিক

নীলা আকাশখন শুই পৰিল
চকু পানীৰে ডুব গ'ল
পুৰ্নিমাৰ হেঙুলীয়া জোনটি।
সিহঁত আহিব বুলি বাট চাই চাই
আবেলিৰ বতাহ জাক গ'লগৈ
ধনশিৰিৰ বুকুত নাও মেলি দিয়া
লৰাটোৱে গাই যায় -
"অ' ধনশিৰি নৈ
যাৰ বৈ কলৈ"
সন্যাসী ৰূপী উগ্ৰবাদীজনে
খেপিয়াই লয় তেওঁৰ একে-৪৭ টো
ফুটপাথত পৰি থকা ছোৱালীজনীয়ে
চুৰ কৰি খায় এটি পচা আপেল।
আইতাৰ সাধু শুনা নাতি লৰা হাল
এতিয়া টোপনিত লালকাল
বাহিৰত ব্যৰ্থ সৈনিকৰ বুতজোতাৰ ৰৰষুণ
আৰু-
অদূৰত মাতাল ৰাতিৰ জেহাদ চিঞৰৰ
চিয়েৰ্ছ। ❑





## প্ৰতীক্ষা

ৰীতা ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক

তোমাক লগ পোৱাৰ আগতেও মই আকাশলৈ চাইছিলো
মুগ্ধ হৈছিলো ইয়াৰ নীলা ভাস্কৰ্য্যত
তথাপি উমান নাপালো ইয়াৰ বিশালতাৰ।
সাগৰতো সাঁতুৰিছিলো তাৰ সমস্ত ঢৌৰ সৈতে
উমান নাপালো ইয়াৰ গভীৰতাৰ
ৰাতিৰ আকাশ চাই কৰ নোৱাৰা হৈছিলো
কাহানিও জনা নাছিলো জোনটো ইমান ধুনীয়া হোৱা স্বত্তেও
তৰাবোৰ বেছি আপোন কিয়?
জনা নাছিলো শেৱালীৰ সুবাসে কিয়
হৃদয়ত বিন্ধে................
তোমাক লগ পোৱাৰ আগতেও মই আকাশলৈ চাইছিলো
মাজনিশা কেতেকীৰ মাত শুনি সাৰ পাইছিলো
ভোল গৈছিলো তাৰ সুৰদি মাতত
কাহানিও বুজা নাছিলো তাৰ ভগ্ন হিয়াৰ মিঠা দুখ
তোমাক লগ পোৱাৰ আগতেও মই আকাশলৈ চাইছিলো
তথাপি মই যেন অপূৰ্ণ
তুমি আহিলা নীৰৱে, আনকি মইও গম নোপোৱাকৈ
মই পূৰ্ণতা পালো।
মোৰ শূন্য হৃদয় তোমাৰ পৰশতে পূৰ্ণ হ'ল
মই তোমাক ভাল পাও মোৰ সমস্ত অনুভূতিৰ পূৰ্ণতাৰে
মোৰ হাহি, মোৰ কান্দোন, মোৰ নিশ্বাস, মোৰ সমস্ত
বিশ্বাসেৰে
মৰা পাগলাদিয়া নৈৰ পাৰত
মুক্তভাৱে মোৰ আত্মাৰ শীৰ্ষতম সন্তুষ্টিৰে
জীৱনৰ শেষত সমাধিতলীৰ শান্তিময় নীৰৱতাৰে।। ❑

# সহস্ৰাব্দ

শ্ৰীমুনীন্দ্ৰ দাস
স্নাতক দ্বিতীয় বাৰ্ষিক

স্বাগতম!
হে! শতিকা নৱ প্ৰেৰণাৰে
নৱ সহস্ৰাব্দ

অসংযত অহমিকাৰে আগবঢ়া
ক্ৰুৰ দৰ্প অহংকাৰে চৌদিশ আকোঁৱালী
বিষ পাণ কৰি
সমাজত; সভ্যতাত
জনজীৱনৰ সংগ্ৰাম বিধৌত
জীৱনী মন্ত্ৰত
অমৃত বিয়পাই
আগবঢ়াই লৈ যোৱা সভ্যতাৰ জনজীৱনৰ সুৰদীসুৰীয়া গান।
নিত্য নতুন তালৰ ছন্দে ছন্দে
মানুহৰ; জীৱনৰ;
সেউজ জীপাল ধৰণী তিয়াই
শান্তি সমৃদ্ধি আৰু
মানুহৰ আপোন "সংস্কৃতি থলুৱা"।

স্বাগতম!
হে! নতুন শতিকা
হে! নতুন সহস্ৰাব্দৰ সোনোৱালী
জীপাল সমাগত দিন....... ❑

(মহাবিদ্যালয় সপ্তাহত ঠাইতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)





# প্ৰিয়তমা

মঃ দাদুল হক আহমেদ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

প্ৰিয়তমা তুমিয়ে যে আছিলা মোৰ
গুপ্ত মনৰ সুপ্ত দুৰ্গ
প্ৰেমৰ ডোলেৰে বান্ধিছিলো তোমাক
মোৰ হৃদয়ৰ আৰত
বিচাৰি পাইছিলো তোমাৰ হৃদয়ত
জীয়াই থকাৰ প্ৰেৰণা
নিৰিবিলি সন্ধিয়া মোৰ গীতাৰ মনত
তুমি সুৰৰ ঝংকাৰ তুলিছিলা
অসুস্থ যৌৱনৰ বতাহ চাটিয়ে উৰুৱাই নিছিল
মোক তোমাৰ হৃদয়ৰ কাষলৈ
তোমাৰ নিষ্ঠুৰতাই অকণো নুবুজিলে হায়
শীতৰ হিমশীতল বেদনা
তোমাৰ স্মৃতিতেই লিপিবদ্ধ কৰিছিলো
শত শত কবিতাৰ মালা
শত সহস্ৰ ৰজনী উজাগৰে পুৰাই দিলো
তোমাৰ সহাঁৰি বিচাৰি
অৱশেষত মই আৱদ্ধ হৈ পৰিলো
মধুৰ টোপনিৰ মায়া জালত
এতিয়া মই তোমাৰেই সপোন দেখিছো
মৃত্যুৰ পিছতো যেন তোমাক পাওঁ ❑





# গল্প

"—চুটিগল্প যেন এটি পাখিলাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পাচত উৰামাৰি কোনোবা পায়গৈ। আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।..............."

"জীৱনৰ একাঁজলি ৰঙিয়াল হাঁহি, এটোপাল চকুপানী, এমুঠি বিস্ময়ৰ জিলিঙণি, এচেৰেঙা সপোনৰ আভাষ, অলপমান দোধোৰ মোধোৰ— এইবোৰেই একো একোটা চুটি গল্পৰ অৱলম্বন।

—ড° মহেন্দ্ৰ বৰা।

# তেজ লগা চিঠি

শ্ৰীকিঙ্কন চন্দ্ৰ কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

অস্বস্তি স্বত্বেও পলাশে ক্লাচ দুটা কৰিলে। অহাত অলপ পলম হৈছিল বাবে সি শেষৰ বেঞ্চত বহিব লগা হ'ল। শেষৰ বেঞ্চত বহিব লগা হ'লে তাৰ বৰ অস্বস্তি লাগে কাৰণ শেষৰ বেঞ্চত আচলতে ক্লাচ কৰিব পৰা পৰিবেশ নাথাকে। তাত কিছুমান লৰাই অনবৰতে বিড়ি, চিগাৰেট, চাধা আদি খাই থাকে। ক্লাচ চলি থকা অৱস্থাত এইবোৰ খোৱাটো যেন সিহঁতৰ বাওঁ হাতৰ খেল। বিড়ি চিগাৰেটৰ ধোৱা সি সহ্য কৰিব নোৱাৰে কিন্তু নোৱাৰিলেও সিহঁতক একো নকয়। কাৰণ কোনোবাই কিবা আপত্তি কৰিলে সিহঁতে কয় "তই ভাল লৰা তোৰ ভৱিষ্যত আছে গতিকে ৰাতিপুৱাই আহি আগৰ শাৰীৰ বেঞ্চ দখল কৰিবি। পিছৰ বেঞ্চত এইবোৰ চলিবই।" এই লৰাবোৰ সাধাৰণতে উচ্চ শ্ৰেণীৰ মানুহৰ সন্তান। সিহঁতৰ সাজপোচাক আৰু মানিবেগেই এনেকৈ ভাবিবলৈ বাধ্য কৰে। ক্লাচ চলি থকা অবস্থাতে যেতিয়া সিহঁতে এটা চিগাৰেটৰ বাবে কাজিয়া কৰে তেতিয়া পলাশৰ মনত পৰে বেজবৰুৱাৰ "ধোৱাখোৱা" গল্পলৈ। এনেদৰে ভাৱত বিভোৰ হৈ থাকোতে কেতিয়া বেল পৰিল সি কবই নোৱাৰিলে। যেতিয়া অন্য ল'ৰা-ছোৱালীবোৰ উঠি যাবলৈ ধৰিলে তেতিয়াহে সি গম পালে যে ক্লাচ শেষ হ'ল। তেতিয়া পলাশ বাহিৰলৈ আহিল তাৰ আৰু ১২ বজালৈ ক্লাচ নাই। অৱশ্যে তাৰ ক্লাচ নাথাকিলে সাধাৰণতে সি জিৰণী কোঠাত নবহে। সি সদায় ৰূপা, দীপা, প্ৰীতি আদিৰ লগত পাৰ্কত বহে। তাৰো এটা কাৰণ আছে অৱশ্যে সেইটো হ'ল প্ৰীতিৰ লগত তাৰ এটা বেলেগ সম্পৰ্ক আছে। সেয়েহে সি সদায় সিহতৰ লগত বহি হাঁহি ধেমালি কৰিয়ে সময়বোৰ কটায়।

পলাশ-প্ৰীতিৰ সম্পৰ্ক নতুন। অৱশ্যে আগতেও সম্পৰ্ক আছিল কিন্তু বান্ধবী হিচাবেহে। সিহঁতে যেতিয়া স্নাতক শ্ৰেণীৰ প্ৰথম বৰ্ষত নাম ভৰ্তি কৰে সেই দিনাই নতুন সম্পৰ্কৰ প্ৰথম প্ৰস্তাৱটো আহে প্ৰীতিৰ ফালৰ পৰাই। সেই দিনাই প্ৰীতি হৈ পৰিল পলাশৰ প্ৰেমিকা। প্ৰীতি পলাশৰ প্ৰেমিকা হলেও পলাশে প্ৰীতিৰ ঘৰৰ বিষয়ে একোকে নাজানে আৰু সুধিবলৈও ভয় লাগে। প্ৰীতিৰ সাজ পোচাক হিচাবে ধনী ঘৰৰ ছোৱালী বুলিয়ে অনুভৱ হয় কিন্তু পলাশ, তাৰ সাজ পোচাক ভাল হলেও তাৰতো ঘৰৰ অবস্থা ভাল নহয়। দেউতাকে খেতি কৰি কোনোমতেহে ঘৰখন চলাই আছে। তাৰ ঘৰৰ অবস্থাৰ কথা জানিলে তাইৰ বা মনৰ অবস্থা কোনফালে ঢাল খায়? সেয়েহে এই বিষয়ে আগতে মুখ নোখোলাই ভাল কাৰণ সি তাইৰ ঘৰৰ কথা সুধিলে তাইয়ো তাৰ ঘৰৰ বিষয়ে সুধিব। এনেদৰেই চলি থাকিল সিহতৰ সম্পৰ্ক। এনেকৈয়ে দিনবোৰ বাগৰিল। সময়ৰ কঠোৰ আচোৰত পলাশৰ এদিন এটা চাইকেল দুৰ্ঘটনা ঘটিল। তাকো প্ৰীতিৰ সন্মুখতে। দেখাত পলাশৰ একো হোৱা নাছিল যদিও বুকুত অলপ বেছিকৈ দুখ পাইছিল। প্ৰথমতে কেইদিনমান একো হোৱা নাছিল কিন্তু চাৰিদিন পিছত সি বুকুখন বিষোৱা যেন অনুভৱ কৰিলে। এদিন সি গোটেই ঘটনাটো মাকক ক'লে, তেতিয়া মাকে গাওঁৰে এজন বেজক মাতি আনি কেইবাৰমান জাৰিলে। কোনো সুফল নাপালে। সেই দেখি এদিন নিজেই চৰকাৰী চিকিৎসালয়লৈ গৈ চিকিৎসকক সকলো কথা কলে। তেতিয়া ডক্তৰে কেইটামান পিল আৰু বেজী লিখি দি কলে "এইখিনি খাই কেইদিনমান জিৰণি লবা তেতিয়া সকলো ঠিক হৈ যাব"। কিন্তু এই ঔষধবোৰে একো কাম দিয়া নাই। এতিয়া বিষ কমাৰ বিপৰীতে বেছিহে হবলৈ ধৰিলে। সেয়ে সি গুৱাহাটীলৈ গৈ ভাল ডক্তৰক লগ কৰাৰ কথা ভাবিলে।

পলাশ চিকিৎসালয়ৰ পৰা হতাশ মনে বাহিৰ হৈ আহিল তাৰ বাবে যেন বাহিৰৰ জগতখন অস্পৃশ্য। সেয়ে সি ক'তো অলপো সময় নৰৈ পোনে পোনে বাছত উঠিল। বাছত তাৰ মনটোৱে নানান ভাৱত বিভোৰ হৈ আছিল। তাৰ দেউতাকৰ আস্থা, মাকৰ অবস্থা আৰু তাৰ মৰমৰ ভনীয়েক জনীৰ কি হব ভৱিষ্যত। সিহঁতৰ ভবিষ্যত তাৰ ওপৰতে নাই জানো। আৰু প্ৰীতি তাই বা কিমান সপোন ৰচিছে কিমান বা আশা আছে তাৰ ওপৰত। কিন্তু এয়া কি? সি দেখোন সকলোৰে আশাত চেঁচা পানী ঢালিব ওলাইছে। বাছৰ হৰ্ণত তাৰ ভাবত আউল লাগিল আৰু গম পালে যে তাৰ নামিবৰ হৈছে। বাছৰ পৰা নামি সি ঘৰলৈ খোজ ললে। অইন দিনাখন সি চ'কলৈ আহিলে এটা পান খোৱাটো তাৰ অভ্যাস। কিন্তু আজি তাৰ খাবৰ মন যোৱা নাই। ঘৰ পোৱাত সি নিজৰ ৰূমত গৈ বিচনাত বহিল। আজি যেন তাৰ গাত ভীষণ ভাগৰ লাগিছে। আন দিনাখন হলে সি তাৰ মৰমৰ ভনীয়েকক ক'লেহেঁতেন "ভনী মোলৈ একাপ চাহ আনচোন।" কিন্তু আজি দেখোন তাৰ একো খাবৰ মন যোৱা নাই। ডাক্তৰে দিয়া চাহকাপ যেন তাৰ এতিয়াও মুখতে লাগি আছে তেনে লাগিছে। মাকে যেতিয়া তাক বিষৰ কথা সুধিলে সি গহীন হৈ ক'লে "আৰু কিছুদিন পিছত যাবলৈ কৈছে। বৰ্তমান কেইদিনমানৰ ঔষধ দিছে"। সি মাকক মিছা মাতিলে এইখিনি। আচল কথাটো সি

নকলে কাৰণ কলে অঘটন ঘটিব পাৰে। সি এতিয়া আৰু মনে মনে চিকিৎসা কৰাৰ সিদ্ধান্ত ললে। সি এতিয়া খুব সাৱধান হব লগা হ'ল। কাৰণ আচল কথাটো ওলাই পৰিলে কি বা হয় পৰিস্থিতি। পলাশ প্ৰায় এমাহমান কলেজলৈ যোৱা নাই। সেইদেখি তাৰ বন্ধু-বান্ধৱীসকলৰ মাজত কৌতুহল। যি ভাল লৰাই এদিনো এটাও ক্লাচ নকৰাকৈ নাথাকিছিল সেই পলাশ এমাহ কলেজলৈ অহা নাই আচৰিত হোৱাৰে কথা। এদিনতো ৰূপাই প্ৰীতিক সুধিলে-

ঃ তই পলাশক কিবা বেয়াকৈ কৈছ নেকি?

ঃ মই, মই পলাশক বেয়াকৈ কম। তুমি তেনেকৈ ভাবিব পাৰানে?

ঃ তেনেহলে সি কলেজলৈ অহা নাই কিয়?

ঃ কব নোৱাৰো কিবা হৈছে তাৰ? ঘৰত আমাৰ দুয়োৰে কথা গম পাব পাৰে। সেই বাবেই তাক কলেজলৈ আহিব দিয়া নাই কিজানি।

এনেতে পলাশৰ বন্ধু অমল আহি সিহতৰ কাষত ৰৈ কলে-

ঃ এনেকৈ গহীন গম্ভীৰ হৈ কি আলোচনা কৰি আছা দুয়োজনীয়ে; আমাক অলপ ভাগ দিয়াচোন।

প্ৰীতি ঃ সকলোবোৰ কথাৰ ভাগ সকলোকে দিব নোৱাৰি।

ৰূপা ঃ পলাশৰ কিবা খবৰ পাইছা নেকি?

ঃ নাই কোনো খবৰ পোৱা নাই। দুদিন তাৰ ঘৰলৈ গৈছিলো দুয়োদিনেই লগ নাপালো। গুৱাহাটীলৈ গৈছে বোলে।

প্ৰীতি ঃ কিয় গৈছে তুমি গম পোৱানে?

ঃ ঘৰত একো কোৱা নাই। মোৰ বোধেৰে আমাক নজনোৱাকৈ চাকৰিৰ বাবে চেষ্টা কৰি আছে। ভনীয়েকজনীয়ে কৈছে সি হেনো সপ্তাহত দুদিনকৈ গুৱাহাটীলৈ যায়েই।

ৰূপা ঃ এদিন আমাকো লৈ বোলানা সিহতৰ ঘৰলৈ?

ঃ তোমালোকে দিন এটা ধাৰ্য্য কৰি মোক জনাবা মাত্ৰ।

প্ৰীতি ঃ ঠিক আছে।

পলাশৰ অসুখ দিনক দিনে বেছি হৈ আহিল। আজি কেইদিনমানৰ পৰা তাক কাঁহে জুৰুলা কৰি আছে। বিষতো আছেই। বিষত ৰব নোৱাৰি ৰাতি কেতিয়াবা চিঞৰি উঠে। মাকে কিবা ক'লে কয় "তুমি কেনেকুৱা মানুহহেঃ সদায় সদায় মোৰ সুন্দৰ সুন্দৰ সপোনবোৰ নষ্ট কৰি দিয়া।" এনেকৈয়ে ফাকি দি কিমান দিন চলিব? এদিন দুপৰীয়া কাহৰ লগতে মুখেৰে তেজ বাহিৰলৈ আহিল। এনেতে ভনীয়েকে ৰূম সাৰিবলৈ আহিল। সেই দেখি সি খৰধৰকৈ ৰূমালেৰে মুখখন মছি ললে। মছি লওতে নাকৰ কাষত অলপ মান তেজ লাগি থাকিল। তাই আহিয়ে তেজ দেখি আচৰিত হৈ সুধিলে দাদা! তোৰ মুখত তেজ দেখোন?

ঃ এই মাত্ৰ টেবুলত খুন্দা খাই নাকেৰে তেজ ওলাইছে।

ঃ টেবুলত আকৌ নাক কি দৰে লাগিল?

ঃ দিন বোৰ বেয়া হলে কেতিয়াবা লাগে। এতিয়া বেগতে গৈ তোৰ মলমটো লৈ আহ। মাক কিন্তু নকবি। এতিয়া তেজহে ওলাইছে মাত্ৰ মাই গম পালে নাকটো ভাঙি দিব।

ঃ তাই তাক মলমটো আনি দিলে আৰু সি তাইক দেখাকৈ মিছাতে অলপ মলম নাকট লগাই ললে।

* * * * *

অমল ঃ বাঃ বাঃ আজি তোমাক ইমান ধুনীয়া লাগিছে।

প্ৰীতি ঃ আগতে কিবা ধুনীয়া নাছিলো নেকি?

ঃ নহয়, মানে এইজোৰ সাজেৰে একেবাৰে পখিলাজনী হেন লাগিছে।

ঃ এতিয়া তেনেকৈ চুপতি মাৰিবৰ সময় নাই। সোনকালে ওলোৱা।

ঃ ৰূপা আহি পোৱাহি নাই নহয়।

ঃ এতিয়াও?

এনেতে ৰূপাই আহি পিছফালৰ পৰা মাত লগালে-

ঃ হায় অমল, প্ৰীতিয়ে আজি ইমান সাজি কাছি কলৈ যাব অমল?

ঃ কথাৰ অৰ্থ বুজিব পাৰি প্ৰীতিয়ে তাইক এটা ঠেলা মাৰি দিলে।

* * * * *

তিনিও আহি পলাশহতৰ ঘৰৰ পদূলিৰ মুখ পাই আচৰিত হ'ল। ই কি চোতালত দেখোন বহুত মানুহ। কোনোবা তিৰোতাই দেখোন কান্দি আছে। কিয়? সিহঁত লাহে লাহে ভয়ে ভয়ে ভিতৰলৈ সোমাই গ'ল। সিহতৰ লগৰে নিতুল, উপেন, উৎপল আদিয়ে শিলৰ মূৰ্ত্তিৰ দৰে ঠিয় দি আছে দেখোন। পলাশ দেখোন বিছ্নাত শুই আছে। তাৰ কাষত কেইটামান ফুল দেখি সিহঁত থৰ লাগি চাই ৰ'ল। এজন ডেকাৰ মাততহে অমল বাস্তৱলৈ ঘূৰি আহিল। ডেকাজনে তাৰ হাতত এখন ডায়েৰী তুলি দিলে। অমলে খৰধৰকৈ প্ৰীতি আৰু ৰূপাক ঘৰত থৈ আহিল। সিও নিজৰ ঘৰলৈ আহি ডায়েৰীখন মেলি ললে। শেষ পৃষ্ঠাত দেখিলে তালৈ লিখা এখন তেজ লগা চিঠি। সি চিঠিখন পঢ়িবলৈ ধৰিলে।

মৰমৰ

অমল

মৰমবোৰ হেলা নকৰি গ্ৰহণ কৰিবি। মোৰ কথাবোৰ তোক জনাবলৈ চিঠিখন লিখিলো। মই বহুত দিন কলেজলৈ যোৱা নাই। যাবলৈ ভয় লাগিছিল কাৰণ মোৰ তেজত মৃত্যুৰ বীজৰ জন্ম হৈছিল। মোৰ বুকুৰ অসুখৰ কথা তহঁতে নজনা নহয়। গুৱাহাটীৰ ডক্তৰৰ পৰামৰ্শ মতে মই তেজ পৰীক্ষা কৰো কিন্তু ৰিপোৰ্ট ভয়ানক। বহুত দিন বহুবাৰ পৰীক্ষা কৰিলো। কিন্তু কৰিলে কি হব সকলোতে একে উত্তৰ। ঘৰত ফাকি দি বহুত দিন বহু ডক্তৰৰ ওচৰত কাকুতি মিনতি কৰিলো কিন্তু কৰিলে কি হব ৬০-৭০ হেজাৰ টকাৰ কথা কয় সিহঁতে। ক'ত পাম ইমান টকা? কোনে দিব ইমান টকা? মা-দেউতাক কলে হয়তো ঘৰ মাটি বিক্ৰি কৰি দিলেহেঁতেন। কিন্তু এনেকৈ জীয়াই থাকি কিবা লাভ হব নেকি! আৰু ইমান টকা খৰচ কৰিও যদি ভাল নহও তেতিয়া কি হব? সেয়েহে জীয়াই থকাৰ আশা বাদ দিলো। শৰীৰত মৃত্যুৰ বীজ লৈ জীয়াই থকাটো বৰ কষ্টকৰ বুজিছা। সেয়ে মই মোৰ পথ বাচি ললো। কিন্তু মোৰ প্ৰীতিৰ বাবে জীয়াই থাকিবলৈ ইচ্ছা আছিল কিন্তু নোৱাৰিলো। তহতে তাইৰ আগত বৰকৈ মোৰ কথা নকবি। তাইৰ বেয়া লাগিব। তাইক........ অমলৰ আৰু চিঠিখন পঢ়িবলৈ ধৈৰ্য্য নহ'ল। ডায়েৰীখন বুকুত সাবটি ধৰি সি উচুপি উঠিল। ❑

অসমক সকলো প্ৰকাৰে অসমীয়া বা অতুলনীয় কৰি ৰাখিবলৈ চেষ্টা কৰা প্ৰত্যেক অসমীয়াৰ কৰ্তব্য। সকলো অসমীয়াই মুঠ বান্ধি একতা সূত্ৰত আবদ্ধ হৈ সমবেত কৰিলেহে আমাৰ উন্নতি হ'ব। জাতীয় উন্নতিৰ নিমিত্তে লাগে ঐক্য, গভীৰ স্বদেশানুৰাগ আৰু স্বজাতি প্ৰেম। লাগে অদম্য-উদ্যম, একাগ্ৰতা, সেৱা পৰায়ণতা আৰু স্বাৰ্থত্যাগ। লাগে জাতিৰ বিশিষ্টতাৰ সন্ধান আৰু সেই বিশিষ্টতাক ফুটাই তুলিবলৈ একান্ত চেষ্টা।

— আনন্দ চন্দ্ৰ আগৰৱালা

বন্দুকৰ গুলীয়ে আদৰ্শক হত্যা কৰিব নোৱাৰে।

— জ্যোতি প্ৰসাদ আগৰৱালা

সংসাৰত গাৰ বলেৰে বা শক্তিৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু জ্ঞান। জ্ঞান আৰ্জিবলৈ লাগে একমাত্ৰ অধ্যয়ন।

— জনছন

সকলো বিপদৰ একমাত্ৰ ঔষধ হৈছে ধৈৰ্য্য।

— প্লেটো

# হৃদয় বেদনাৰ গান

শ্ৰীকিশোৰ শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক

"আল্লাই আপোনাৰ মংগল কৰিব। মোক অলপ সহায় কৰিবনে?" হঠাৎ ৰূপমে দেখিলে তাৰ পিছফালে চিলভাৰৰ ভাঁজলগা কাঁহীখন আগবঢ়াই দি অপেক্ষাৰত দুপইচা অৰ্জনৰ অৰ্থে এজন পংগু শৰীৰৰ মানুহ। সি পকেটৰ পৰা এটকা উলিয়াই কাঁহীখনলৈ লক্ষ কৰি দলিয়াই দিলে। এইবাৰ ৰূপমে হোটেলখনলৈ লক্ষ কৰি সোমাই গ'ল।

"কি দিম বাবু। একেবাৰে গৰম গৰম শিংৰা, আচাৰ, পিয়াজ যি লাগে পাব বাবু। একদম গৰম কচুৰী জিলাপী দিম নেকি বাবু?" ৰূপমে ক'লে,- "নাই নালাগে।" "হব বাবু" "মাত্ৰ একাপ গৰম চাহ লৈ আহক"। "হব বাবু"। চাহ খাই বাহিৰলৈ ওলাই আহি ৰূপমে পান দোকানলৈ গৈ চিগাৰেট এটা কিনিলে। তেনেতে সি লক্ষ কৰিলে তাৰ কাষেৰে তাৰ এসময়ৰ............ Girl Friend মিতালী পখিলাজনী হৈ পাৰ হৈ গ'ল। মিতালীক দেখি সি তাৰ অতীত জীৱনলৈ ঘূৰি আহিল।

মিতালী আছিল ঘৰৰ কাষৰে অৰ্থাৎ সিহতৰ ঘৰৰ কাষৰে শৈশবৰ বান্ধৱী। সিহঁত দুয়ো একেলগে পঢ়িছিল, একেলগে খেলিছিল। এনেকৈ দুয়ো এসময়ত ডেকা-গাভৰুলৈ উৰা মাৰিলে। সেই নজনাকৈ দুয়ো ইজনে-সিজনৰ কাষ চাপি আহিল। সেই মিতালীয়ে হৈ পৰিল ৰূপমৰ প্ৰেমিকা। মিতালীয়ে ৰূপমক আৰু ৰূপমেও তাইক বৰ ভাল পাইছিল। ঘৰ দুখনৰ পৰাও সিহঁত দুয়ো সম্পূৰ্ণ মুকলি আছিল। এনেকৈ দুয়ো কলেজত পঢ়িছিল। কিন্তু নিষ্ঠুৰ নিয়তিত পৰি ৰূপমহঁতৰ ঘৰখনলৈ আহিল কাল-ধুমুহা। হঠাৎ ঘৰখনৰ সকলোকে এৰি থৈ ৰূপমহঁতৰ দেউতাক হৃদৰোগত পৰি মৃত্যু হ'ল।

সিহঁতৰ ঘৰখন আছিল মজলীয়া ধৰণৰ। তাৰ দেউতাকে এটা সামান্য চাকৰি কৰিছিল। সেই উপাৰ্জনেৰে সিহঁতৰ পাচজনীয়া পৰিয়াল এটা চলিব লাগিছিল। ৰূপমৰ এজনী বায়েক আৰু এজনী ভনীয়েক আছিল। একো উপায় নেদেখি মাকে আনৰ ঘৰত কাম কৰিবলৈ ধৰিলে। সিহঁতে কোনোমতে এসাজ খাই এসাজ লঘোনে জীয়াই থাকিল। তাৰ বায়েক আজলী এই নিষ্ঠুৰতাৰ পৰা সাৰি নগ'ল। তাইৰ নাম ৰূপা। দেহৰ যৌৱন অটুত থকা ৰূপমৰ বায়েকজনী অসৎ প্ৰবৃত্তিৰ ললুপ দৃষ্টিৰ পৰা ৰেহাই নাপালে। বাপেক নথকা বুলিও অলপ দয়াৰ দৃষ্টিৰে চোৱাৰ পৰিবৰ্তে সমাজৰ এচাম কেচা তেজ খোৱা মানুহৰ পৰা চল পালেই তাই বেয়া ইঙ্গিতহে পাবলৈ ধৰিলে। বিশেষকৈ চুবুৰীৰ ধনী মহাজন হৰকান্ত বৰুৱাৰ পৰা। পদে পদে অপমানিতা, লাঞ্ছিতা, ধৰ্ষিতা হোৱাৰ আশংকতাৰ কাৰণে তাইক মাকে কলেজলৈ যোৱাৰ পৰা বাধা কৰিলে। কিন্তু এদিনাখন বান্ধৱীৰ ঘৰৰ পৰা ঘূৰি আহোতে এন্ধাৰ হোৱাত, তাৰ মৰমৰ বায়েকে কোনোবা নৰ-পিশাচৰ কামনাৰ বলি হ'ল। তাইক মহাজনেই ঘোপমৰা এন্ধাৰৰ সুবিধা বুজি বলপূৰ্বক ধৰ্ষণ কৰিলে। দেহৰ পবিত্ৰতা নষ্ট কৰি তাই গলত আৰি ল'লে "চিপজৰী"। সিদিনা সিহঁতে বায়েকক হেৰুৱাই বহুত কান্দিলে। ৰূপমৰ মনটো হতাশাত ভাঙি পৰিল। সি পঢ়া জীৱন শেষ কৰি চাকৰিৰ বাবে বহুটো অফিচৰ দুৱাৰ বগালে। কিন্তু এক মাত্ৰ ঘোচ দিব নোৱাৰাৰ ফলত সি চাকৰিৰ মুখ নেদেখিলে। আজিৰ দিনত চাকৰি পোৱাতোটো সহজ নহয়। তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। এফালে বায়েকৰ মৃত্যুৰ প্ৰতিশোধ, আনফালে এই 'ঘোচ' খোৱা মুখা পিন্ধা ভদ্ৰলোক বিলাকৰ ওপৰত প্ৰতিশোধ।

এনেতে সি তাৰ মনৰ পৰা সকলো দুখ-চিন্তা আঁতৰ কৰি বাস্তৱ জগতলৈ ঘূৰি আহি মটৰ চাইকেলখন চলাই তাৰ নিৰ্দিষ্ট কেম্পলৈ বুলি ৰাওনা হ'ল। বাটত গৈ থাকোতে তাৰ সম্মুখত এখন ছবি ভাহি উঠিল, সেইখন আছিল তাৰ হতভগা মাকৰ মুখখন। বৰ্তমান ৰূপম এজন 'চাংলট ফেনলা'। আজি তাৰ সংগঠনত সোমোৱা চাৰি বছৰ হ'ল। কিন্তু সি ইমান দিনে তাৰ নিজা ঘৰলৈ কোনো দিনেই যোৱা নাছিল। সি যে বৰ ডাঙৰ ভুল কাম কৰি পেলাইছে। যিখন ঘৰৰ সি একমাত্ৰ ল'ৰা হৈ বিধবা মাকক সুখেৰে এগৰাহ ভাত দিয়াৰ বিনিময়ত দিছে মাথোন বিষ। তাৰ বাবেই মাক আৰু ভনীয়েকে সেনা বাহিনীৰ পৰা অশেষ কষ্ট পাইছে। তাৰ এতিয়া নিজৰ ওপৰতে ধিক্কাৰ জন্মিছে। সি যি সংগঠনত বহুত আশা বান্ধি সোমাইছিল। বৰ্তমান সেই সংগঠনৰ কোনো মূল লক্ষ্য নোহোৱা হৈছে। এই সংগঠন বৰ্তমান ধ্বংসৰ মুখত। তাৰ সেই সোণালী আশা পূৰ্ণ কৰিবলৈ সি বহুত চেষ্টা কৰিছে। সি এই প্ৰতিজ্ঞাৰ ওপৰত হাৰ মানিব খোজা নাই। এইদৰে অতীত স্মৃতি ৰোমন্থন কৰি গৈ থাকোতে কেতিয়া যে নিজৰ কেম্প আহি পালে গমেই নাপালে।

এফালে তাৰ আজলী মিতালীয়ে তাইৰ ৰূপম ঘূৰি আহিব বুলি সদায় পদুলী মুখত বাট চাই থাকে। "এই দুখ যাতনাবোৰ কেঁচুৱাৰ নিচিনা যিমানেই প্ৰতিপালিত কৰা হয় সিমানেই সিহঁতে বৃদ্ধি পাবলৈ ধৰে।" এই নিষ্ঠুৰ নিয়তিত যেন বিধাতাই সিহঁতৰ ৰংহে চাইছে। এনেদৰে এদিন ৰূপমৰ সৰু ভনীয়েক কৰবীয়ো তাক বিচাৰি অহা সেনাৰ হাতত ধৰ্ষিতা হ'ল। সিহঁতে ৰূপমৰ মাককো বহুত অত্যাচাৰ কৰিলে। ঘৰ লণ্ড-ভণ্ড কৰিলে। কিন্তু দুখীয়াৰ কাৰণে আইন কানুন বোলা একো নাই, চৰকাৰেও সিহঁতৰ ঘৰখনৰ ক্ষতিপূৰণ হোৱা বাবে কিবা এটা দিম বুলি আশ্বাস দি গ'ল। কিন্তু একো কামত নাহিল। আনকি ৰূপমহঁতৰ বাপেকৰ মৃত্যুৰ পিচত পোৱা সেই পৰিয়াল পেন্সনৰো মুখ নেদেখিলে। এতিয়া তাৰ সৰু ভনীয়েকৰ পেতত কোনোবা সেনাৰ ছয়মহীয়া জাৰজ সন্তান। জাতি-ভেদ নোহোৱা এটা জাৰজ সন্তান জন্ম দিবলৈ ওলাইছে তাই। এই সন্তানটোক তাই চিনাকি দিব এই বুলি যে "এইজন এজন আমাৰ দেশক ৰক্ষা কৰিবলৈ অহা কোনোবা কেচা তেজখোৱা কাপুৰুষ সেনাৰ সন্তান।" তাই নিজেই মৰি হ'লেও এই শিশুটিক জীয়াই ৰাখিব। কাৰণ এই প্ৰতিশোধ নল'লে তাইৰ আত্মাই কেতিয়াও শান্তি নাপাব। ইয়েই সেইজন প্ৰতিশোধকাৰী বিপ্লৱী হ'ব লাগিব। সৰু জীয়েক কৰবী আৰু ৰূপমৰ চিন্তাত সিহঁতৰ মৰমৰ মাকৰো মূৰৰ বিকৃতি ঘটিল। তাই এজনী পাগলী হ'ল।

সিদিনা ৰূপমে কিবা এটা কাৰণত তাৰ পুৰণি গাঁৱলৈ যাবলৈ ওলাল। কিন্তু সি তালৈ গৈ যিবোৰ কথা শুনিলে তাৰ মনটো আৰু বেছি বিদ্ৰোহী হৈ উঠিল। তাৰ সেই হতভগা মাকক চাবলৈ বৰ মন গ'ল। লগতে সৰু ভনীয়েকজনীকো। এনেতে ৰূপমে দেখিলে যে মিতালীয়ে সি অহা গম পাই তাৰ ওচৰলৈ দৌৰি আহিছে। "কি হ'ল মিতালী" আচৰিত হৈ ৰূপমে সুধিলে।

"সোনকালে ঘৰলৈ বলাচোন, সৰু বাইদেউৰ কিবা হৈছে" "কি হৈছে মিতালী"।

"নেজানো" আহাচোন মোৰ লগত" মিতালীয়ে তাক চোঁচোৰাই টানি নিয়াৰ দৰে লৈ গ'ল।

ঘৰলৈ গৈ দেখিলে যে তাৰ সৰু ভনীয়েকে এটা পুত্ৰ সন্তান জন্ম দি মৃত্যু হৈছে। তাৰ অজানিতে এটোপাল গৰম চকুলো বাগৰি পৰিলে। ৰূপমে মাকক ঘৰত নেদেখি আৰু বেছি দুখ লাগিল। তাৰ মৰমৰ মাকৰ দিন-ৰাতি একো নাই, পাগলী মানুহ, কৰবালৈ গুচি গৈছে।" যতে ৰাতি ততে কাতি।

এনেতে এজন ল'ৰাই খবৰ দিলেযে তাক বিচাৰি সেনা আৰু পুলিচ আহিছে। সি অলপ সময়ো পলম নকৰি শেষবাৰৰ বাবে তাৰ জীৱন্ত ভোকত কান্দি থকা মৰমৰ ভাগিনটোলৈ চাই পিচফালেৰে পলাই গ'ল। "মানুহৰ জীৱনটো এটা আবেষ্টনিৰ মাজত পৰিপাটিকৈ থকা সুষমা ভৰা পদাৰ্থ নহয়। ই অনিৰ্দিষ্ট জীবন্ত ব্যাপক জ্বলন্ত শিখাহে ঠিক তেনেদৰে মানুহৰ মানৱ জীৱনটো এটা মূৰ্খই কোৱা কাহিনীহে।

১৫ আগষ্টলৈ মাত্ৰ চাৰিদিন বাকী আছে। অসমলৈ কিবা কুটাঘাটমূলক কাম কৰিবলৈ এঘাৰজনীয়া এটা এক্চন গ্ৰুপ আহিছে। এই কেইদিন ৰূপমহঁতৰ গাত টোপনি নাই।

"গুৰুম................গুৰুম..............

তৎক্ষণাত হাহাকাৰ লাগি গ'ল। যিয়ে যেনি পাৰে পলাবলৈ ধৰিলে। চাৰিওফালে আৰ্তনাদ।

ৰূপমহঁতৰ মুখেৰে এটা সাফল্যৰ হাঁহি ওলাই গ'ল। তাৰ যেন এটা প্ৰতিশোধ পৰিশোধ হ'ল। সিহঁতে বোমাৰে এখন সৈন্য বাহিনীৰ গাড়ী উৰুৱাই দিলে। ঠিতাতে সাতজন জোৱান নিহত হ'ল। 'ইয়াৰ পিচত দ্বিতীয় প্ৰতিশোধ' বুলিকৈ ৰূপমে এন্ধাৰৰ সতে মিলি হৰকান্ত মহাজনৰ ঘৰলৈ বুলি ৰাওনা হ'ল। হঠাৎ সন্ধিয়া হাতত A.K.-47 লৈ মহাজন হৰকান্তই বহি থকা দোকানৰ গাদীৰ সম্মুখত ৰূপম গৈ উপস্থিত হ'ল। এক চেকেণ্ড সময়ো পলম নকৰি ৰূপমৰ হাতৰ বন্দুক গৰজি উঠিলে। হি-হিটচ্ তাৰ পিচত সি তাৰ কেম্পলৈ লক্ষ্য কৰি আন্ধাৰৰ সৈতে মিলি গ'ল।

"মাৰ মাৰ, এই পাগলীটোক মাৰ" ৰূপমে সেই মানুহৰ জুমটোলৈ লক্ষ্য কৰি আগুৱাই গ'ল। সি দেখিলে যে এজনী বুঢ়ী পাগলীক কিছুমান মানুহে আগুৰি ধৰি শিল গুটি দলিয়াই আছে। মানুহজনীৰ কপালত শিল পৰি তেজ ওলাইছে। ৰূপমে মানুহজনীৰ ওচৰলৈ গৈ দেখিলে যে সেইজনী অইন কোনো নহয়, তাৰেই মৰমৰ মাকজনী। তাৰ চকুৰে চকুপানী ওলাই গ'ল। এনে সময়তে সিহঁতৰ মূৰৰ ওপৰেৰে এজাক চৰাই কিচ্ কিচ্ শব্দ কৰি দূৰৰ দিগবলয়ত হেৰাই গ'ল। ❑

> শিক্ষাৰ ঘাই শিপাডাল তিতা, কিন্তু ইয়াৰ ফল বৰ সোৱাদ লগা।
>
> — এৰিষ্টটল

# অমানিশাৰ অন্ধকাৰ

শ্ৰীসঞ্জয় শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক

"মাইনা, শুই থাকা। বাৰ বাজি গ'ল। ৰাতিপুৱা সোনকালে উঠি পঢ়িবা।"

"ৰবা মা, এই পাঠটো শেষ কৰি লওঁ। আৰু অলপ আছে।"

নিশা দুপৰ হোৱা সত্বেও মাইনাই নোশোৱা দেখি কাষৰ কোঠাটোৰ পৰা মাকে চিঞৰি উঠিল। মাইনাৰ, ভাল নাম সাগৰিকা, প্ৰবেশিকা পৰীক্ষা দিব। পঢ়া-শুনাত ভাল, পৰীক্ষাত সদায় প্ৰথম হয়। সেয়েহে স্কুলৰ শিক্ষকসকলে আশা কৰিছে যে অন্ততঃ দুটা বা তিনিটা বিষয়ত 'লেটাৰ' সহ ষ্টাৰ পাই পাছ কৰিব বুলি। সাগৰিকাই তেওঁলোকৰ আশা ধুলিস্যাৎ কৰি দিব বিচৰা নাই। নিজৰো ভৱিষ্যতে এগৰাকী ভাল ব্যক্তি হোৱাৰ ইচ্ছা আছে। সেয়েহে অত্যন্ত মনোযোগেৰে পঢ়া-শুনা কৰিছে।

পঢ়া মেজৰপৰা মূৰ তুলি সাগৰিকাই দেৱাল ঘড়ীটোলৈ চালে- '১২-৩০'। কিতাপখন জপাই, চকীৰ পৰা উঠি টেবুল লাইটৰ চুইচ্‌টো অফ্ কৰি দিলে। কোঠাটো অন্ধকাৰেৰে ভৰি পৰিল। সাগৰিকাই এইবাৰ লাহে লাহে গৈ খিড়িকীখন খুলি দিলে। বাহিৰত অষ্টমীৰ জোনৰ জোনাক, ছা পোহৰৰ ৰেঙনি। দুই-একজালি জোনাক কোঠাটোলৈ চিটিকি আহিল। সাগৰিকাই আকাশৰ তৰাবোৰলৈ চালে। তৰাবোৰলৈ চাই থাকোতে দেউতাকলৈ মনত পৰি সাগৰিকাৰ চকুলো বাগৰি আহিল।

আজি তিনিবছৰমানৰ আগৰ কথা। সাগৰিকা তেতিয়া অষ্টম শ্ৰেণীত। মাক-দেউতাক আৰু ভায়েক সমৰৰ সৈতে চাৰিজনীয়া এটি সুখী পৰিয়াল। দেউতাক আছিল এজন আদৰ্শবান শিক্ষক। বৰ সুখে সন্তোষেৰেই দিন বাগৰিছিল। কিন্তু...! সেইদিনা আছিল সোমবাৰ। দেউতাকে ভায়েক সমৰক লগত লৈ চহৰলৈ গৈছিল। উভতি আহিবৰ সময়ত বাছ-আস্থানত বাছত বহি সমৰে দেউতাকক ইটো সিটো সুধি আছিল। ঠিক সেই সময়তে ঘটিল ঘটনাটো। এক প্ৰচণ্ড বিস্ফোৰণৰ শব্দই আকাশ বতাহ কপাই তুলিলে। বাছখনৰ ভিতৰত ফুটিছিল বোমাটো। তাৰ পাছত সকলো শেষ। পিছদিনা পুলিছে সাগৰিকাহঁতৰ ঘৰলৈ কঢ়িয়াই আনিছিল দুটা খণ্ড-বিখণ্ড মৃতদেহৰ টোপোলা। সাগৰিকা মুক্ হৈ পৰিছিল সেইদিনা দুদিনমানৰ পাছত বাতৰি কাকতৰ যোগেদি খবৰ পাইছিল যে বোমা বিস্ফোৰণটো এটা উগ্ৰপন্থী সংগঠনে সংঘটিত কৰিছিল। ঘৃণা জন্মিছিল সাগৰিকাৰ সিহঁতৰ প্ৰতি, দেউতাকৰ দৰে নিৰীহ তথা আদৰ্শবান আৰু সমৰৰ দৰে নিস্পাপ কণমানি শিশুক হত্যা কৰাৰ বাবে। বৰ নিষ্ঠুৰ সিহঁত। লাহে লাহে ডাঙৰ হৈ সাগৰিকাই উপলব্ধি কৰিলে যে, হত্যা, লুণ্ঠন আদিবোৰ অসমৰ নিত্য-নৈমিত্তিক ঘটনা মাত্ৰ। বৰ দুখ পাইছিল সাগৰিকাই দেশখনৰ এনে অৱস্থা দেখি। তাই তেতিয়া সংকল্প কৰিছিল, মাতৃভূমিৰ বুকুৰ পৰা এই দুৰ্যোগবোৰ আঁতৰোৱাত ব্ৰতী হ'ব। এই অভিশপ্ত ঘটনাবোৰৰ পুনৰাবৃত্তিত বাধা দিব। সাগৰিকাৰ মনত পৰিল দেউতাকে তাইক প্ৰায়েই কোৱা মহাত্মা গান্ধীৰ কথাষাৰ, "তুমি অন্ধকাৰলৈ ভয় নকৰিবা, কাৰণ অন্ধকাৰ দেখিলেই জানিবা ওচৰতে কৰবাত পোহৰ আছে।" "অসমতো এতিয়া অমানিশাৰ অন্ধকাৰ, কিন্তু পোহৰ নিশ্চয় এদিন আহিব।" তাই ভাবিলে। তৰাবোৰলৈ চাই চাই সাগৰিকাই পুনৰ ক'লে, "দেউতা, অসমী আইৰ বুকুৰ পৰা আউসীৰ কলংক মোচন কৰি পূৰ্ণিমাৰ জোনাক অনাৰ সংকল্পৰে মই মোৰ জীৱন উৎসৰ্গা কৰিছোঁ। তুমি মোক আশীৰ্বাদ কৰা দেউতা, যাতে মই ডাঙৰ মানুহ হৈ মোৰ উদ্দেশ্যত সফল হ'ব পাৰো।" — সাগৰিকাই তৰাবোৰলৈ চাই ৰ'ল। ❑

> যাৰ অন্তৰত সংগীত নাই তাক বিশ্বাস কৰিব নোৱাৰি। — প্লেটো
>
> বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি। — মাদাৰ টেৰেছা



# কেঁচা তেজৰ দাগ

শ্ৰীললিতা কলিতা
একাদশ শ্ৰেণী

অদূৰৰ পৰা ভাহি অহা কুলি চৰাইৰ কুউ-কুউ মাতত গোলাপ চ'ক খাই উঠিল। লাহেকৈ সি বিচনাৰ পৰা নামি দুৱাৰ খিৰিকীবোৰ খুলি দি গোটেই ঘৰটো এবাৰ সাৰি আগফালৰ বাৰাণ্ডালৈ গ'ল। তাৰ পিছত গেটৰ তলাটো খুলি এনেয়ে এবাৰ ফুৰিবলৈ ওলাই গ'ল।

যোৱাৰাতি গোলাপৰ ভাল টোপনি নহ'ল। নোহোৱাৰ কথাওঁ আছে। আজি যে তাৰ জন্ম দিন। গোলাপ আচৰিত হয় কেতিয়াবা। কিয়নো আজি দীপৰো জন্মদিন। দীপহঁতৰ ঘৰতে যোৱা তিনি বছৰে কাম কৰি আহিছে। তাতেই থাকে সি। দীপৰ ঘৰত কিন্তু কোনেও নাজানে যে দীপৰ জন্মদিনৰ দিনাই গোলাপৰো জন্মদিন। সেই কথা গোলাপে কাকো কোৱা নাই। কোৱাৰ প্ৰয়োজনবোধো নকৰে সি। কাৰণ সি দীপহঁতৰ ঘৰত থকাটোও যে পাপৰ কথা। ......... লাহে লাহে গোলাপ উভতিল। ইতিমধ্যে দীপেওঁ 'মৰ্ণিং ৱাক' কৰি ঘৰ সোমাইছিল।

আজি পুৱাৰে পৰাই ঘৰখনত উলহ-মালহ লাগি আছে। দীপৰ জন্মদিন। গতিকেই বিশাল আয়োজন। দীপৰ মাক-দেউতাকে অফিচৰ পৰা ছুটী লৈছে। আবেলিলৈ ওচৰ-চুবুৰীয়া আৰু দীপৰ বন্ধু-বান্ধবীবোৰ আহিব। সেয়ে গোলাপে পুৱাৰে পৰা টাকুৰি ঘূৰাদি ঘূৰি আছে। কোঠা চাফা কৰা, ফুলনি চাফা কৰা, ড্ৰয়িং ৰুম সজোৱা— ক'ত যে কাম। গোলাপৰ জিৰণীয়েই নাই। লাহে লাহে আবেলি হ'ল। গোলাপে লুচি, পায়স, ঘুগুনি, কেক আদি বিভিন্ন বস্তু বনাই থৈ দিলে। দীপহঁতৰ ঘৰৰ ৰন্ধা বঢ়াকে আদি কৰি বজাৰ-সমাৰ কৰালৈকে সমস্ত কাম গোলাপেই কৰে। তিনি বছৰ পাকঘৰত কাম কৰি কৰি গোলাপ এতিয়া পাকৈত ৰান্ধনি। নিৰ্দিষ্ট সময়ত মানুহ-দুনুহেৰে ঘৰ ভৰ্তি হ'ল। দীপে ড্ৰয়িং ৰুমত কেক কাটিলে। আটায়ে আনন্দত মচগুল হ'ল।

ইপিনে গোলাপে খোৱা বস্তুবোৰ ডাইনিং টেবুলত সজাই-পৰাই দি বিষণ্ণ মনেৰে তাৰ কোঠাত সোমাল। গোলাপে তাৰ পুৰণি চামৰাৰ বেগটোৰ পৰা সৰু টুপী এটা উলিয়াই বুকুত হেচা মাৰি ধৰিলে। মনত পৰিল তিনি বছৰৰ আগৰ কথা। সৰুৰে পৰাই গোলাপে ঘাট-মাউৰা। মাক-দেউতাকৰ ছবি তাৰ তিলমাত্ৰও মনত নাই। তাৰ ককায়েক আছিল অমিয়। অমিয়ই তাক সৰুৰে পৰা অতি কষ্টেৰে পোহপাল দিছিল। বহুত কষ্টেৰে সামান্য পান দোকান এখনেৰে ভায়েক গোলাপক পঢ়ুৱাইছিল। নিজে নাখাই গোলাপলৈ খোৱা বস্তু সাঁচিছিল। চাৰি বছৰ আগেয়ে গোলাপৰ জন্ম দিনৰ দিনাখন ককায়েক অমিয়ই গোলাপক এটা উপহাৰ দিছিল— এটি বগাৰঙী গান্ধী টুপী। আৰু সি কৈছিল, ভাই 'গোলাপ', আমাৰ নিচিনা গৰীবৰ জন্মদিন পাতিবৰ শকতি ক'ত? সেয়ে আজি তোক তোৰ এই দুৰ্ভগীয়া ককায়েৰেই এই সামান্য উপহাৰটো দিছো। কিয় জান? ভৱিষ্যতে তয়ো গান্ধীজীৰ দৰে সত্যবাদী, সৎ সাহসী হ'ব লাগিব।" পিছলৈ টুপীটো দোকানত ককায়েকেই পিন্ধিছিল। এনেকৈয়ে এবাৰ স্বাধীনতা দিবসত পতাকা উত্তোলন চাবলৈ যাওঁতে এটা প্ৰচণ্ড বোমা বিস্ফোৰণত টুপীটো পিন্ধি থকা অৱস্থাতেই ককায়েক অমিয়ই ভায়েক গোলাপক অকলশৰীয়া কৰি চিৰ দিনৰ কাৰণে এই পৃথিবীৰ পৰা চকু মুদিলে। টুপীটোত কেঁচা তেজৰ দাগ লাগি আছিল। গোলাপে সেয়া সযতনে সাঁচি থলে আৰু তাকেই যোৱা তিনিটা বছৰে বুকুত সাবটি লৈ আছিল। আজি গোলাপৰ জন্মদিন। চাৰি বছৰ আগৰ এই দিনটোতেই ককায়েকে গান্ধী টুপীটো দি গোলাপক সত্যবাদী হ'বলৈ শিকাইছিল। গোলাপে তেজৰ দাগটোত হাত ফুৰাই দিলে। এদিনৰ কেঁচা তেজৰ দাগ আজি একেবাৰে শুকান। তাৰ দুচকুত তপত চকুলো গান্ধী টুপীটোৰ ওপৰেৰে বাগৰিল।......

হঠাতে দীপৰ মাকে আহি ক'লে, 'অ' তই ইয়াতে সোমাই আছ। ইপিনে অথনিৰে পৰা তোক বিচাৰি গোটেইখন চলাথ কৰিলোঁ। হাতত সেয়া কিলৈ আছে? অ' মোকো ডাইনিংখন মচিবলৈ কাপোৰ এখন লাগিছিলেই ভালেই হ'ল।'— গান্ধী টুপীটো গোলাপৰ হাতৰ পৰা আজুৰি নি দীপৰ মাকে ডাইনিং মচাত লাগিল আৰু ক'বলৈ ধৰিলে— "বৰ ভাল অ', এনে কাপোৰেৰে টেবুল মচিবলৈ খদ্দৰৰ কাপোৰ যেন লাগে.......। ❑

# সোণ বৰণীয়া ফুলবোৰ আৰু তাই

শ্ৰীতপন দাস
একাদশ শ্ৰেণী

আমি নিজাকৈ এই নতুন ঘৰটো বান্ধি ইয়ালৈ অহাৰে পৰা ঘৰৰ বিভিন্ন বস্তু-বাহানি থানথিত কৰি লোৱাৰ পাছত, আজি আবেলিটোহে মই আহৰি পালো। মোৰ কোঠাটোৰ পৰা মন কৰিলো, আমাৰ ঘৰটোৰ সন্মুখৰ পিনে বহুত নতুন ঘৰ, কিছুমান এতিয়াও, সম্পূৰ্ণ হৈ উঠা নাই। মই পঢ়াৰ সুবিধাৰ বাবেই আগতে কৈ থোৱা মতে অলপ কাষৰীয়া এই কোঠাটো মোৰ নিজাকৈ পালো। ঘৰৰ বিভিন্ন অংশত হোৱা সচৰাচৰ হুলস্থূলবোৰৰ পৰা মই এতিয়া আঁতৰত। তাৰোপৰি মোৰ কোঠাৰ কাষৰ ফালটো সম্পূৰ্ণ মুকলি। সৰু সৰু ল'ৰাবোৰে তাত বাঁহৰ খুটি দুটামান পুতি ক্ৰিকেট খেলা মই এই কেইদিন দেখিছো। সিহঁতৰ কিৰিলিবোৰ মোৰ ভাল লাগিছে।

মই এইবাৰ কোঠাটোৰ বাওফালে পুৰণি কেকটাচ্‌ৰ টাবকেইটা সজাই থলো। অলপ আগতে দেউতাই বেৰত মাৰি থৈ যোৱা গজালটোত বহুতদিন আগেয়ে অঁকা কেনভাছখন ওলোমাই দিলো। এই কেনভাছখন মই Sir Joshua Reynoldsৰ "Age of Innocence" নামৰ Portrait খনৰ পৰা চাই চাই আঁকিছিলো। কিয় জানো, বুকুত হাত দুখন সাবটি লৈ বহি থকা ছোৱালীজনীৰ এই ছবিখন মোক বৰকৈ আকৰ্ষণ কৰিছিল। কিতাপৰ চেল্‌ফৰ ওপৰত থকা পিতলৰ চেপেটা ফুলদানিটোৰ মৰহি যোৱা ফুলকেইটা পেলাই টেবুল লাইট আৰু Wall Clock টো ঠিক ঠাইত থলো আৰু দুৱাৰমুখলৈ আহি কোঠাটো ভালদৰে নিৰীক্ষণ কৰিলো- ছাত্ৰীৰ পঢ়া কোঠাযেন লাগিছেনে নাই। এনেতে দেউতা আহি অভিধান, ফনী শৰ্মা আৰু জ্যোতিপ্ৰসাদৰ ৰচনাৱলী, অসমীয়া গল্প সংকলন, Freedom at Midnight, Glimpes of the world History, A forewell to Arms, Anna Karonina, Anandamath, the Golden Bough ইত্যাদি এজাপ কিতাপ দিলেহি আৰু কোঠাটো সুন্দৰ হোৱা বুলি শলাগিলে।

দেউতা গ'লগৈ। মই চেল্‌ফত কিতাপবোৰ সজাই থলো। এইবাৰ কোঠাটোৰ পিছফালটো চোৱাৰ মনেৰে কাঁচৰ বহল খিৰিকিখনৰ কাষলৈ আহি পৰ্দাখন কোচাই দিলো। মই আচৰিত হৈ গ'লো। এই ফালেতো মনেই কৰা নাছিলো। আবেলিৰ বেলিৰ সোণালী পোহৰত অলপ আগতে বৰষুণত তিতা সেউজীয়া পাহাৰখন জিলিকিছে আৰু পাহাৰখনৰ গাত থকা সোণাৰু গছৰ সোণবৰণীয়া ফুলবোৰ নীলা আকাশৰ তলত বতাহত কঁপিছে। বতাহত ফুলৰ পাহিবোৰ উৰি তলত পৰিছেহি। মোৰ মনটো ফুলবোৰৰ কাৰণে ব্যাকুল হৈ উঠিল। হালধীয়া ৰেণুভৰা কেশৰেৰে সেই ফুলবোৰ ১১-১৩ বছৰ আগৰ পাহাৰ, চাহ বাগিছা, ধাননি পথাৰ আৰু ..........গীতা!

তেতিয়া আমি মানে আমাৰ পৰিয়ালটো এতিয়াৰ শোনিতপুৰ জিলাৰ, অৰুণাচলৰ নামনিৰ, ঠাই এডোখৰত আছিলো। দেউতাই তাতে চাকৰি কৰিছিল। মই তাত থাকি বৰ ভাল পাইছিলো। ধাননি পথাৰৰ মাজেৰে আমাৰ ঘৰৰ কিছু দূৰেদি ৰেলৰ আলিটো গৈছিল। তাৰ কিছু দূৰৰ পাছত ফৰেষ্ট আৰু তাৰ সিটো পাৰে আছিল অৰুণাচল পাহাৰৰ লানি। ৰাতিৰ আকাশখন পাহাৰৰ ওলোটা ফালৰ পৰা পোহৰ হৈ পৰিছিল। দেউতাই কৈছিল পাহাৰবোৰৰ সিটো পাৰে হেনো ইটানগৰ চহৰ। আমাৰ ঘৰৰ পশ্চিম আৰু পূৱফালে কিছুদূৰত চাহ-বাগিছা আছিল। ৰাতি ৰাতি মাদল, ঝুমুৰ আৰু কুলী লাইনৰ পৰা হাঁহি-কান্দোনৰ মিশ্ৰিত শব্দ ভাঁহি আহিছিল। কেতিয়াবা কুলী লাইনত লগা মাৰপিট দেউতাইতে গৈ ভগা পতা কৰি দিবলগীয়া হোৱাৰ কথা মোৰ ভালকৈ মনত আছে।

পুৰণি দিনৰ কথা মনত পৰিলে এতিয়াও তালৈ গুচি যাম যেন লাগে। কিযে স্ফূৰ্তিৰ আছিল দিনবোৰ। বাৰিষা পথাৰ, খাল দোংবোৰ পানীৰে উপচি পৰিছিল। মেটেকা আৰু ভেটফুলে সিহঁতক ঢাকি ধৰিছিল। বাৰিষাৰ কজলা আকাশৰ তলত বেঙুনীয়া এজাৰ ফুলবোৰ আমাৰ ঘৰৰ আশেপাশে থকা গছ কেইজোপাত ফুলি উঠিছিল কিন্তু সোণাৰু ফুল—

মই বাৰু কেতিয়া প্ৰথমবাৰ গীতাক দেখিছিলো? মনত পৰিছে। আমাৰ ঘৰৰ পৰা কিছু দূৰত এখন দেওবৰীয়া হাট বহিছিল। সৰু সৰু খেৰৰ চালিৰ তলত বহা এই দেওবৰীয়া হাটখনত কিযে নাপাইছিল। মই দেউতাৰ সৈতে বহুত দিন তালৈ গৈছিলো। বজাৰত মানুহৰ ইমান সমাগম হৈছিল যে হেৰাই যোৱাৰ ভয়ত মই দেউতাৰ হাত এখন এৰিয়েই নিদিছিলো। বজাৰৰ শেষত ঘৰলৈ উভতি আহিলে পাকঘৰটো তৰকাৰী পাচলিৰে ঠাঁহ খাই পৰিছিল।

সেইদিনা আছিল দেওবাৰ-হাটৰ দিন। সেইদিনাও দেউতা আৰু মই হাটলৈ গৈছিলো। অৰুণাচলৰ পাহাৰৰ পৰা পিঠিৰ খোঙত নানা পাহাৰীয়া তৰকাৰী আৰু ফল-মূল লৈ বেচা-কিনা কৰিবলৈ বহুতো অঁকা-ডফলা ছোৱালী আৰু মতা মানুহ হাটলৈ আহিছিল। অদ্ভুত পোছাক পিন্ধা শকত আৱত আৰু থোকাথোকিকৈ কথা কোৱা মানুহবোৰলৈ মোৰ বৰ ভয় লাগিছিল। সিহঁতক দেখিলে মোৰ পেটতে হাত ভৰি লুকুৱা অৱস্থা হৈছিল। সেইদিনা দেউতাই কিনাত ব্যস্ত হৈ থাকোতে মই এজনী তেনে মানুহ দেখিলো। তাইক মোৰ মৰমীয়াল যেন লাগিছিল। তায়ো মোৰফালে মৰমেৰে চাই আছিল। অৱশ্যে মই তাইলৈ চোৱাৰ কাৰণটো আছিল অন্য। ....তাইৰ হাতত এসোপামান হালধীয়া-সোণোৱালী ফুল আছিল। তেনে ফুল মই আগতে দেখা নাছিলো। মোৰ মাথো হালধীয়া ফুলবোৰৰ মাজেদি তাইৰ ৰঙা গাল আৰু তিৰবিৰিয়া চকুযোৰলৈ থৰ লাগি চাই থকা মনত আছে। হঠাতে জোৰেৰে অহা বতাহত তাইৰ হাতৰ পৰা ফুল এপাহ চিগি তলত পৰি গ'ল। মই লোভ সামৰিব নোৱাৰি দৌৰ মাৰি গৈ ফুলপাহ তুলি ললো। কিন্তু বোকা লাগি ফুলপাহ নষ্ট হৈ গৈছিল মই চলচলীয়া চকুৰে তাইলৈ চালো, কিজানিবা দিয়েই! তাই বুজি পাইছিল। তাই মোক গোটেইখিনি ফুল দি দিলে— মই ফুলবোৰ সাবটি ধৰিলো। মোৰ তেতিয়া যে কেনে লাগিছিল মই নিজেই নাজানো। মই হাঁহি দিছিলো আৰু জনাব খুজিছিলো যে মই তাইক খুব ভাল পাইছো। তেনেতে দেউতাই মতাত মই দৌৰ মাৰি দেউতাৰ ওচৰ পালোহি। দেউতাই মোলৈ চাই সুধিছিল— "সোণাৰু ফুল? ক'ত পালা?"— সোণাৰু ফুলৰ সৈতে মোৰ সেইদিনা তেনেকৈয়ে চিনাকি ঘটিল।

ইয়াৰ পাছত বহুতবাৰ দেউতাৰ সৈতে হাটলৈ গ'লো। প্ৰত্যেকবাৰে তাই ক'ৰ পৰা আহি জানো ইমানবোৰ মানুহৰ মাজত মোক বিচাৰি পাইছিল এসোপা সোণাৰু ফুল মোক তাই কোনোবা পলকতে আহি দি গৈছিল। এনেকৈ তাই আৰু মোৰ মাজত বন্ধুত্ব দিনে দিনে গাঢ় হৈ আহিছিল। মই গোটেই সপ্তাহটো দেওবাৰে তাইক লগ পাবলৈ বাট চাইছিলো। লাহে লাহে সোণৰু ফুলাৰ বতৰ গ'ল। সোণাৰু ফুলৰ সলনি তাই মোলৈ নিতৌ দেওবাৰে ৰংবিৰঙৰ কিবা পাহাৰীয়া ফুল বা ফল লৈ আহিছিল। এনেদৰে এটা বছৰ পাৰ হৈ গ'ল। পুনৰ সোণাৰু ফুলাৰ বতৰ আহিল। পাহাৰত ফুলা সোণাৰু ফুল চাবলৈ তাই মোক সিহঁতৰ পাহাৰলৈ মাতিলে। এদিন ৰাতিপুৱা বৰ্ণালীয়ে মোক সিহঁতৰ পাহাৰলৈ লৈ গ'ল। সেই দিনটোৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। প্ৰথমতে সেউজীয়া ধাননি পথাৰ, চাহ বাগিছাৰ ফুৰফুৰীয়া চাহপাতৰ গোন্ধ আৰু তাৰ পাছত গছ-বননিৰ মাজৰ সুৰুসুৰীয়া বাটেদি গৈ সিহঁতৰ পাহাৰখন পালোগৈ। বাটত আমি কেইবাটাও জুৰি পাৰ হৈছিলো। বনৰীয়া কলগছ, কচুগছ, গাহৰি, সৰু সৰু জুপুৰী আৰু চাংঘৰ, বিভিন্ন গছ আৰু বনৰীয়া ফল ফুলেৰে ভৰা আছিল সিহঁতৰ পাহাৰখন। তাই মোলৈ ৰৈ আছিল। তাৰ পিছত গীতায়ে মোক নতুনকৈ ফুলিবলৈ আৰম্ভ কৰা সোণাৰু ফুলবোৰ দেখুৱাই দিছিল। মই তেতিয়া কি কৰিছিলো মনত নাই। গোটেই দিনটো তাই মোৰ সৈতে ব্যস্ত হৈ থাকিল। সৰু সৰু এজাক ল'ৰা-ছোৱালীৰ সৈতে সোণাৰু ফুলা পাহাৰখনত খেলিছিলে আৰু তাই আনি দিয়া কিছুমান পাহাৰীয়া ৰসাল ফল খাইছিলো। গধূলি হোৱাৰ আগেয়ে তাই মোক বিদায় দিলে। একাবেকা পাহাৰীয়া ৰাস্তাৰে আমি নামি আহি নেদেখা হোৱালৈকে গীতায়ে চাই আছিল।

ইয়াৰ কিছুদিন পাছতে দেউতাৰ ট্ৰেন্সফাৰৰ অৰ্ডাৰ আহিল। তাৰ পৰা যে কাহানিবা গুচি যাব লাগিব মই কেতিয়াও ভবা নাছিলো। গীতাক এৰি থৈ যাব লাগিব বুলি মই কিমান যে কান্দিছিলো। তাইক মই যেতিয়া এই কথা কৈছিলো, তাই মোৰ ফালে একেথাৰে চাই আছিল, লাহে লাহে তাইৰ সৰু সৰু চকু দুটি পানীৰে ভৰি পৰিছিল আৰু চকুপানীবোৰ গালেৰে বাগৰি গৈ তাইৰ ডিঙিত থকা ডাঙৰ ডাঙৰ ক'লা ৰঙা মনিবোৰত লাগি ধৰিছিল।

আমি তাৰ পৰা গুছি আহিবৰ দিনা পুৱাৰে পৰা মই তাইলৈ বাট চাইছিলো। তাই বহুত দেৰিলৈ আহি পোৱা নাছিল। বাছত উঠি মই বাছৰ খিৰিকিৰে দূৰলৈ চাই আছিলো। বাছ চলিবলৈ আৰম্ভ কৰা মাত্ৰকে মই দূৰত দেখিছিলো গীতা দৌৰি দৌৰি আহি আছিল। তাইৰ হাতত আছিল এথোপা সোণোৱালী ফুল। কিন্তু পিছ মুহূৰ্ততে তাই মোৰ চকুৰ আৰ হৈ গ'ল। গীতাক মই আৰু দেখা নাপালো।

এতিয়া মই খিৰিকিৰে সোণ বৰণীয়া ফুলবোৰ চাই আছো। ফুলবোৰে মূৰ দুপিয়াই দুপিয়াই যেন গীতাৰ কথাকে সোৱৰিছে। ইহঁত আগৰ দৰেই ধুনীয়া। ইহঁত আগৰ দৰেই ধুনীয়া শেষ ৰ'দৰ পাতলীয়া পোহৰত জিলিকিছে আৰু গীতা? মোৰ চকু দুটা সেমেকি আহিল। আঁকিম বুলি ঠিক কৰি কেনভাছখনৰ ওচৰলৈ গ'লো। এইবাৰ মই এখন নতুন ছবি কেনভাছত আঁকিম- মোৰ মনৰ সমস্ত আবেগ দি। মই আকিম- দুটা মৰম ভৰি পৰা চকুৰে হাতত এথোপা সোণালী ফুল লৈ থকা এজনী পাহাৰী ছোৱালী- গীতা। মোৰ মনৰ মাজতে থকা গীতাৰ স্মৃতি মই মোৰ তুলিকাত বিৰিঙাই তুলিম। সোণালী ফুলে ভৰা পাহাৰৰ কাষৰ মোৰ এই কোঠাটোত গীতাৰ অস্তিত্ব সোণালী কৰাৰ মনেৰে মই মোৰ ৰং, ব্ৰাচবোৰ গোটাই ললো। মাৰ যাব খোজা বেলিৰ ৰংবোৰ খিৰিকিৰে সোমাই আহি কেনভাছখনৰ ওপৰত বিয়পি পৰিল। ❑

# আলহী

শ্ৰীমনোজ দাস
দ্বাদশ শ্ৰেণী

আমাৰ পদূলিটো ইমান দীঘল যে পদূলিমুখৰ পৰা আহি আহি ঘৰ পোৱালৈ ইতিমধ্যে কাপোৰ সলোৱা, বহা কোঠা ঠিক কৰা জাতীয় প্ৰাৰম্ভিক প্ৰস্তুতি এটা সুকলমে শেষ কৰিব পাৰি। পদূলিটোৰ দুয়োকাষে পচতীয়াৰ বেৰ, তাৰো দুয়োকাষে খেতি পথাৰ। ঘৰটো পুৰণি অভিজাত্যৰ সংৰক্ষণ বুলি ক'লেও বোধহয় ভুল নহ'ব। কাষতে এটি বৃহৎ মন্দিৰ, মন্দিৰৰ পিছপিনে এটি পুখুৰী। অৱশ্যে পুখুৰীটোত ফাগুন-চ'তৰ দিনকেইটাত পানী প্ৰায় নাথাকে। বগলী, মাছৰোকা আদিয়ে সেই কেইদিন আলহী খাবলৈ নাপাহৰে।

চৌপাশে এটি নিৰিবিলি পৰিবেশ। ফুলনি কেইখনত ফুল বিশেষ নাই যদিও মন্দিৰৰ সন্মুখৰ পুলঞ্চ কেইজোপা আমোলমোলাই আছে। তেনে এটি পৰিবেশৰ সুন্দৰ আবেলিটো কেনেদৰে উপভোগ কৰিব লাগে সেইকথা ঘৰখনৰ আলাসৰ ল'ৰা হিচাপে মই ভালদৰে জানো। তাতে আকৌ মই গজল-প্ৰিয়। সেয়েহে আলহী বহা কোঠাৰ টেপ্‌ৰেকৰ্ডাৰত গজল বজাই সন্মুখৰ ঘাঁহনিত আৰামী চকী পাৰি বহিলো। হাতত এখন নতুন 'Reader's Digest'।

আলোচনীখনৰ প্ৰবন্ধ এটা পঢ়ি থাকোতে কেতিয়াযে এম্বেচাডৰখন আহি কাষ পালেহি গমেই নেপালো। তন্ময়তা ভাগি যোৱাত অলপ বিৰক্তি অনুভৱ কৰিলো। গাড়ীখনত অহা দুয়োগৰাকী বৃদ্ধাকেই চিনাকি যেন লাগিল। বহা কোঠালৈ মাতি নি বহুৱালো। গাওঁৰ ল'ৰা যদিও পকা থেকেৰাৰ কথা শুনিছোহে, এতিয়ালৈকে দেখা নাই। নহলে এগৰাকীক পকাথেকেৰাৰ দৰে বুলি কবলৈ মোৰ একো অসুবিধা নহ'লহেঁতেন। গান বজোৱা বন্ধ কৰি তেখেতসকলক বহিবলৈ কৈ ভিতৰত মাক খবৰ দিলোগৈ। এই প্ৰকাণ্ড ঘৰটোতে আগপিনে হালোৱানে চিঞৰি চিঞৰি গীত গালেও পিছপিনে ৰান্ধনিঘৰ বা শোৱনি কোঠাত থকা মাই সহজতে নুশুনে চাগৈ।

মাইহে ক'লে তেখেতসকল মাৰ দূৰ সম্পৰ্কীয় মাহীয়েক বুলি। আমাৰ ঘৰলৈ প্ৰথমবাৰৰ বাবে অহাত মা বেছ তৎপৰ হৈ পৰিল। অলপ পিছতে পেহীয়েও আহি কথাত যোগ দিলে। আলোচনা বেছ সৰৱ হৈ উঠিল। পেহী, আইতাৰ শৰাধতে আহি এতিয়ালৈকে আছে। ঘৰত এইকেইদিন মানুহ তেনেকৈ নাই। স্কুল বন্ধ কাৰণে দেউতাক এসপ্তাহৰ বাবে যোৰহাটৰ মামাহঁতৰ ঘৰলৈ গৈছে। কামো অলপ আছে। দাদাহঁততো কেতিয়াবাহে আহে। গাওঁৰ গধূলি বজাৰৰ নতুন মিঠাইৰ দোকানখনলৈ কাম কৰা ল'ৰাজনক পঠিয়ালো, কি পায় আনিবলৈ। কাম কৰা ছোৱালীজনী চাহৰ যোগাৰ কৰাত লাগিল।

ইতিমধ্যে সন্ধিয়া হৈ আহিল কথাৰ মালিহাৰ মাজতে সময় উলিয়াই মাই মন্দিৰত চাকি আগবঢ়াই পূজাৰ নৈবেদ্য সামৰিলে। কিন্তু তেতিয়ালৈকে তৃতীয়জন আলহীৰ কথা কোনোৱেই লক্ষ্য কৰা নাছিল। বেচেৰা চালকজনে গাড়ীৰ ভিতৰতেই জুপুকা মাৰি ইমানপৰ বহি আছে। এনেদৰে চাগৈ কিমান ঠাইত গৰাকীক অপেক্ষা কৰি ৰৈ থাকিবলগা হয়। কাঁহ মৰা শব্দ শুনি ময়েই ওচৰ চাপি গ'লো। মোক দেখিলেই হবলা তেওঁ ওলাই আহিল। এজন আধা-বয়সীয়া মানুহ। দুই এটা প্ৰাৰম্ভিক কথা পতাৰ পিছতেই মানুহজন সৰল হৈ পৰিল। আমাৰ ঘৰৰ চৌকাশৰ পৰিবেশটো বেছ প্ৰশংসা কৰিলে। কথা বতৰাত বুজিব পাৰি, আনুষ্ঠানিক শিক্ষা খুব বেছি নহয়, কিন্তু মানুহজন বেছ সৰল। কথা প্ৰসঙ্গত মোক ক'লে বুজিছে, আপোনালোকৰেই ভাল। শান্তিত আছে। গুৱাহাটীখনত উশাহ ল'বলৈও ঠাই নাই। প্ৰকৃতিৰ এনে পৰিবেশ ক'ত পাব? মইতো বেছি একো নিবিচাৰো। শান্তিত থাকিব পাৰিলেই হ'ল। নিজৰ বিষয়ে কিবা ক'ব খুজিও মানুহজনে বিশেষ একো ক'ব নোৱাৰিলে। তেওঁক হঠাতে গহীন হৈ যোৱা মই লক্ষ্য কৰিলো।

ইতিমধ্যে ভিতৰত চাহৰ আয়োজন সম্পূৰ্ণ হৈছিল। মাহী আইতাহঁতৰ লগত কথা পাতিবলৈ মই ভিতৰলৈ গ'লো। তেখেতসকলে চাহ খাবলৈ আৰম্ভ কৰিছিল। মানুহ দুগৰাকী বেছ সাদৰী। আমাক এদিন তেখেতসকলৰ ঘৰলৈও জোৰকৈ মাতিলে। কাম কৰা ছোৱালীজনীক চালকজনৰ বাবে দুই এটা কথা পাতি চাহ আনিবলৈ ক'লো। অলপ পিছতেই পেহীয়ে এনে এবাৰ মন্তব্য কৰিলে, যিষাৰ মোৰ হজম নহ'ল।

চালকজনক আগফালৰ বাৰান্দাতে চাহ দিলে। চাহ দেখিয়েই নেকি বাৰান্দাৰ চুকত শুই থকা মাইকী কুকুৰজনী গহীন গহীন খোজেৰে উঠি আহিল। বেচেৰী আমাৰ সকলোৰে গোৰ-দাবি খোৱাতেই অভ্যস্ত। চালকজনে চাহ খোৱাত অসুবিধা পায় বুলি তাইক খেদি দিব ওলালো। তাইক খেদিব খোজা দেখিহে চালকজনে অসুবিধা পোৱা যেন লাগিল। "একো নহয় দিয়ক, থাকক" বুলি বৰঞ্চ তাইক ৰুতিৰ লোভহে দেখুৱালে। সম্পূৰ্ণ বিপৰীত ব্যৱহাৰত উৎফুল্লিত হৈ তাই নেজ নচুৱাই চালকজনৰ ভৰিত গা ঘঁহিবলৈ ধৰিলে। তেৰোঁ একান্তমনে সন্তুষ্টিৰ ভাৱত তাইৰ লগত ব্যস্ত হৈ পৰিল। মই 'নালাগে, নিদিব, খাওঁক' ইত্যাদি কোৱালৈ মন নকৰি দুয়োখন ৰুটিয়েই তাইক দি শেষ কৰিলে। মোৰ অনুমতি লৈ বাৰান্দাৰ চুকত অলপ চাহ বাকি দি তাইক খাবলৈ আদৰ ধৰিছিল। পিছে কেতিয়াবা তাই চাহ খাই পালেহে!

সিমানতে নিজৰো খোৱা শেষ কৰি তেওঁ উঠিল। কুকুৰজনী হেনো বেচ ভাল জাতৰ, পোৱালি হেনো খুব ভাল হব। পিছে মই আৰু নক'লো যে তাই গাওঁৰ দেশী জাতৰ। মোক সুধিলে, "গা ধুৱাই থাকে, নহয়?" হয়তো চিলিচিলিয়া নোমবোৰ দেখি মানুহজনৰ দৃঢ় বিশ্বাস হৈছিল যে তাইক গা ধুৱাওঁ। সেয়েহে তেওঁক নিৰুৎসাহ নকৰিবলৈ তপৰাই ক'লো মাজে মাজে ধুৱাওঁ বুলি। এইবাৰহে আচল প্ৰশ্নটো সুধিলে। যিটো প্ৰশ্নত মই অপ্ৰস্তুত হোৱাই নহয়, চিন্তান্বিত হব লগাও হৈছিল। সুধিলে 'এইৰ নামটো কি বাৰু?' মোৰ পেটে পেটে হাঁহি উঠিল। গাওঁৰ দেশী জাতৰ কুকুৰৰনো কোনোবায় নাম থয়নে, গা ধুৱায়নে? দিনটো দাবি-ধমকি আৰু অলপ কথাতেই থিয় গোৰটো খোৱাতেই সিহঁতৰ সন্তুষ্টি। আৰু নাম? গোকাটি মিছা কথা কবলৈ মোৰ ইচ্ছা যোৱা নাছিল তথাপি তাইৰ নাম 'মামু' বুলি ফটা মুখেৰে ওলাই গ'ল। তেওঁ নামটো বেছ সুন্দৰ বুলি কৈ তাইক 'মামু', 'মামু' কৈ মাতিলে। নাম পোৱাৰ আনন্দত নে ৰুটি পোৱাৰ আশাত নাজানো, তাই হ'লে আগ্ৰহেৰে তেওঁৰ ওচৰলৈ লৰৰি গ'ল।

ইতিমধ্যে মাহী আইতাহঁত যাবলৈ ওলাল। সকলোকে মাত লগাই তিনিও গাড়ীত উঠিল। চাৰিটা চকাৰ ওপৰেদি গাড়ীখন বাগৰি গুছি গ'ল গুৱাহাটী মহানগৰী অভিমুখে।

মনটো অজানিতে বিষণ্ণ হৈ পৰিল। চালকজনে চাহ-খোৱা পিয়লাবোৰ ময়েই ভিতৰলৈ নিও বুলি তুলি ল'লো। ক'ৰ পৰা জানো পেহীয়ে দেখি চিঞঁৰি উঠিল, "আপী আছে নহয়, তই কিয় নিছ ড্ৰাইভাৰটোৱে খোৱা কাপ-প্লেটযোৰ।" উত্তৰ দিবলৈ মোৰ ওচৰত সেই সময়ত কোনো উত্তৰেই নাছিল। মাথো চাৎকৰে মনত পৰিছিল, পেহীয়ে কোৱা সেই হজম নোহোৱা কথাষাৰ, "হ'বদে, ড্ৰাইভাৰহে! ৰুটি দিলেই হব।" ❑



---

সাহিত্য কি? নানাবিধ ঠাল-ঠেঙুলি আৰু পাত-ফুলেৰে ধুনীয়াকৈ সজাই শুৱলা কৰা ভাষাকে সাহিত্য বুলিব লাগে। ভাষা মানুহৰ ভিতৰত যেনেকৈ আছে, জন্তুৰ ভিতৰতো আছে। গৰুজনীয়ে হেম্বেলিয়ালে তাৰ কি উদ্দেশ্য পোৱালীটোৱে বুজে। গছৰ ভিতৰতো ভাষা আছে। মানুহৰে, গছেৰে, জন্তুৰে সকলোৰে মিলি এটা ভাষা আছে, সেই ভাষা হৈছে- বিশ্ব ভাষা। সেই বিশ্ব ভাষাৰ উপাদান বিশ্বজ্ঞান।

— কমলাকান্ত ভট্টাচাৰ্য

কবিতা বুজিবৰ কাৰণেহে লিখা হয়, বুজাবৰ কাৰণে নহয়। কবিতা আনক বুজাবৰ চেষ্টা কৰাতকৈ আৰু ডাঙৰ অপমান একো হব নোৱাৰে। যিবোৰ কবিতা এবাৰ পঢ়িলেই পাঠকে বুজি পায়; সেইবোৰ পদ্য, আৰ্য্যা বা অঙ্কৰ নেওতা। যিবোৰ কবিতাই কবিতা পঢ়োতাক ভবাই তোলে, চিন্তাত গোলমাল লগাই দিয়ে, একো বুজি নোপোৱাযেন লগাই দিয়ে আৰু বুজি পালে এক চৰম আনন্দত জপিয়াই দিবৰ মন যোৱা কৰি দিয়ে সেইবোৰহে কবিতা।

— চৈয়দ আব্দুল মালিক

এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহ হত্যা কৰা একে কথা।

— মিল্টন

# সংঘৰ্ষ

মিনু বেগম
স্নাতক প্ৰথম বাৰ্ষিক

জীৱন মানেই হ'ল সংঘৰ্ষ। আজিৰ পৃথিৱীত প্ৰতিজন মানুহেই জীৱনৰ লগত সংগ্ৰাম বা সংঘৰ্ষ কৰি জীয়াই আছে। বিভিন্ন জনে বিভিন্ন সংঘৰ্ষ কৰিবলগীয়াত পৰিছে। শিশুৱে জন্ম লৈয়েই কান্দে কিয়? হয়তো সি নিজৰ জীৱনত ঘটিবলগীয়া ঘটনাবোৰৰ আভাষ সেইদিনাই কিছু অনুভৱ কৰে। জীৱন, পৰিবেশ, পৰিস্থিতিৰ লগত যুজি বা সংগ্ৰাম কৰি হাৰি হাৰি জিকি যোৱা জনেই এই পৃথিৱীৰ প্ৰকৃত মানুহ। বাবে জীয়াই নাথাকি আনৰ বাবে জীয়াই থাকিব পৰা যায় তাৰ আমেজেই বেলেগ। নিজৰ সকলো দুখ, আঘাত পাহৰি এবাৰ আনৰ বাবে কেৱল আনৰ বাবে জীয়াই থকা এজনী ছোৱালীৰ নাম হ'ল মেৰী। যিজনীয়ে নিজৰ স্বাৰ্থ ত্যাগ কৰি জীয়াই আছিল সংগ্ৰাম কৰি। আজিৰ পৃথিৱীতো যে এনে মানুহ জীয়াই আছে এয়া কেৱল কল্পনাহে কৰিব পাৰি।

আনদিনাৰ দৰে সেইদিনাও মেৰীয়ে টিউচনলৈ বুলি ওলাই গৈছিল। দুঘৰত টিউচন কৰি আকৌ ঘৰলৈ ওভতি আহিব লাগে। দৈনিক ৰুটিন হৈ পৰিছিল তাইৰ এইটো। সেইদিনা তাইৰ অলপ দেৰিয়েই হৈছিল। তাই খৰখেদাকৈ ঘৰলৈ বুলি বাটত ভৰি দিলে। এটা সময়ত তাই ঘৰ আহি পালে। বৰ ভাগৰ লাগিছিল তাইৰ। তেতিয়া পৃথিৱীৰ বুকুলৈ সম্পূৰ্ণ এন্ধাৰ নামি আহিছিল। ভাগৰতে তাই কাঠৰ ভগা চকীখনতে আউজি দিছিল। মূৰত বহু চিন্তা তাইৰ, বিশেষকৈ মাকক লৈ। যিজনী বিছনাত পৰি পৰি কেৱল মৃত্যুৰ ক্ষণ গনি আছে। মনত বহু আশা পুহি ৰাখিছিল তাই। কিন্তু কি হব মনৰ আশা মনতেই মাৰ গৈছিল। তাইৰ সপোন আছিল তায়ো আন দহজনীৰ নিচিনা ডিগ্ৰী লব, চাকৰি কৰিব, জীৱন অতি সুন্দৰ হব। কিন্তু ভবা কথা জানো কেতিয়াবা সিদ্ধি হয়। তাইৰ গতিও তেনে হৈছিল। নানানটা চিন্তাই মন জুৰুলা কৰিছে তথাপিও তাই তাইৰ কৰ্তব্য পালন কৰি গৈ আছে। কাৰণ ঘৰখনৰ একমাত্ৰ সাৰথি হ'ল তাই। গোটেই ঘৰখনৰ ভাৰ পৰিছিল তাইৰ মূৰত যিদিনা মাকৰ 'পেৰেলাইছিছ্' হৈছিল। আজিৰ পৰা প্ৰায় ত্ৰিশ বছৰৰ আগৰ কথা। তেতিয়া তাই সপ্তম মানত পঢ়ে। এদিন তাইৰ দেউতাকে সিহঁতক এৰি গুছি গ'ল। ক'লৈ গ'ল কি হ'ল সেয়া আজিও ৰহস্য। দেউতাক যোৱাৰ পাছত ঘৰখনৰ গোটেই ভাৰ পৰিল মাকৰ ওপৰত। মাকে বহু কষ্ট কৰি মেৰীক মেট্ৰিকটো পাছ কৰালে। আৰু মেৰীৰ ভনীয়েক এনিক পঞ্চম মানলৈ। তাৰ পাছত সেই অঘটনটো ঘটি গ'ল। মাক চিৰদিনৰ বাবে বিছনাত পৰি গ'ল। মাকৰ বেমাৰৰ পাছত সকলো দায়িত্ব পৰিল মেৰীৰ ওপৰত। মেৰীয়ে অতি কষ্ট কৰি অ'ত ত'ত কিছু কাম কৰিলে আৰু কেইটামান টিউচন যোগাৰ কৰি ল'লে। আৰু সেই পইছাৰে তাই ঘৰখনো চলাই নিলে আৰু ভনীয়েকক বি.এ. পাছ কৰালে। প্ৰথমে বৰ কষ্ট হৈছিল। পিছত তাইৰ এইটো অভ্যাসত পৰিণত হৈছিল। এটা সময়ত তাইৰ বিয়াও পাতিলে। খুব ডাঙৰকৈ নহ'লেও তাইক বিয়া দি এটা দায়িত্ব পূৰণ কৰিলে। আৰু তাৰ পাছত ঘৰত আছিল বেমাৰী মাকজনী আৰু এজনী বোবা ছোৱালী তাইৰ নাম পুষ্পা। পুষ্পাক তাই গীৰ্জালৈ যাই থাকোতে বাটটে পাইছিল। তাই পুষ্পাক নিজৰ ঘৰলৈ লৈ আহিছিল। তাই পুষ্পাক বৰ মৰম কৰিছিল। ঘৰৰ খৰছ, মাকৰ বেমাৰ এই লৈয়েই তাই চিন্তা কৰি থাকে। মনটো বৰ উদাস। এনেকুৰা এটা মূহুৰ্ত নাই যিটো মূহুৰ্ত তাই ঘৰখনৰ কথা মনত কৰা নাই। মনত নানানটা চিন্তাই আগুৰি ধৰিছে। বিশেষকৈ এই পুষ্পাজনীক লৈ। কাৰণ তাই দিনক দিনে ডাঙৰ হৈ আহিছে। তাইক ঘৰত অকলে এৰি যাব ভয় লাগে। কাৰণ মাকটো থাকে বিছনাতে। ইফালে তাই হ'ল বোবা, কোনোবাই যদি অঘটন কৰে। তাই বাহিৰলৈ গলেও এই চিন্তাই তাইক খাই থাকে। ভাগ্য ভাল খেতিৰ মাটিখিনিৰ বাবে চাউলখিনি কিনিব নালাগে। আৰু বাৰীত শাক-পাঁচলি কিছু লগাইছে। আজৰি সময়খিনি তাই বাৰীতে কটায়। তাই নিজৰ জীৱটোৰ বাবে অকণো চিন্তা নকৰে। তাই নাভাবে তাইৰ পিছৰ জীৱনটো কেনে হব। তাইলৈ বহুতে বিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল তাই সেইবোৰ নাকচ কৰি গৈছিল মাত্ৰ এই ঘৰখনৰ বাবেই। তাই তাইৰ সমৰ্থৰে যিখিনি পাৰে কৰি গৈছে। মাজে সময়ে ভনীয়েকে কিছু টকা পঠাইছিল। মাকৰ প্ৰায় ভাগ অংশই মৰি আহিব ধৰিছিল। ইফালে দামী দামী ঔষধ লাগে সিফালে তাইৰ আৰ্থিক নাটনি। তাই যিমান পাৰে কষ্ট কৰি গৈ থাকিল। তাইৰ কষ্ট আৰু বাঢ়িল। তাই মনটো তেতিয়াও স্থিৰ কৰি ৰাখিছিল। এতিয়া ৰাতি টোপনিও ভালকৈ মাৰিব নোৱাৰে কাৰণ মাকক চাব লাগে। টোপনিৰ নামত দুই-তিনি ঘণ্টা মানহে শুৱলৈ পায়। কেতিয়াবা নিজৰ জীৱনটোৰ প্ৰতি বিৰক্তি লাগে। তাইৰ খং উঠে নিজৰ ওপৰতে তথাপিও তাই সেই খং দমন কৰে কোনোমতে। আজিৰ এই পৃথিৱীত এজন মানুহ পোহপাল দিয়াতো তাইৰ বাবে আৰু কঠিন হৈ আহিছিল। তাই আৰু দুটা টিউচন বঢ়াই ল'লে। এতিয়া আবেলিও যায় মানুহৰ ঘৰলৈ টিউচন পঢ়াবলৈ। সেইদিনাও তাই টিউচন শেষ কৰি ঘৰলৈ উভতিছিল। সেইদিনা আনদিনাতকৈ অলপ বেছি দেৰি হৈ গৈছিল। তাইৰ বৰ ভাগৰ লাগিছিল। চকীত আউজি থাকোতেই তাই কোনোবাই উচুপি উচুপি কান্দি থকা শুনিছিল। তাই বহাৰ পৰা উঠি আগুৱাই গৈছিল কোনে উচুপি আছে তাক চাবলৈ। তাই দেখিলে দুৱাৰৰ কোণত হাত দুখন বান্ধি তলৰ পিনে মুখ কৰি পুষ্পাই কান্দি আছিল। মেৰীয়ে পুষ্পাৰ মূৰত হাত থলে। পুষ্পাই জোৰকৈ কান্দি উঠিল। মেৰীৰ বুজিবলৈ বাকী নাথাকিল সেই কান্দোনৰ অৰ্থ কি। তাইৰ অৱস্থাটো দেখি মেৰীৰ খুব বেয়া লাগিল। সমাজখনৰ প্ৰতি তাইৰ ঘৃণাও জন্মিল। পৃথিৱীৰ এই এক পিশাচৰ কাম। যি পিশাচে কোনো নথকাৰ সুযোগতে তাইৰ এনে অৱস্থা কৰিলে। কেনেকৈ এনে এগৰাকী নিঃসহায় ছোৱালীক পাশৱিক অত্যাচাৰ চলালে। মানুহৰ নামত এইবোৰ হ'ল দুঠেঙীয়া জন্তু। যিয়ে কেতিয়া কি পাৰে আনৰ অন্যায় কৰিবলৈ। এইবোৰৰ প্ৰতি তাইৰ ঘৃণা জন্মিল। পুষ্পাক তাই নিজৰ বুকুৰ মাজলৈ টানি আনিলে। পুষ্পাই কেৱল উচুপি থাকিল। তাই যদি বোবা নহ'লহেঁতেন তেতিয়া হ'লে তাইক অত্যাচাৰ কৰা সেই পিশাচটোৰ নাম হয়তো তাই কব পাৰিলেহেঁতেন। এতিয়া তাইৰ চিন্তা আৰু বাঢ়িল। তাই আবেলিৰ টিউচন দুটা বাদ দিলে। তাই প্ৰায় ঘৰতেই থাকিব ধৰিলে।

সময় বাগৰিল আৰু এদিন তাইৰ মাকে তাইক এৰি এই সংসাৰৰ পৰা চিৰ বিদায় ল'লে। তাই অন্তৰত বহুত দুখ পালে। তাইৰ মূৰৰ পৰা এটা বোজা কমি গ'ল। তাই কিছু কষ্টৰ পৰা মুক্ত হ'ল। ৰাতি টোপনি খটি আৰু নহয়। তথাপিও তাইৰ ভাল লগা নাই। ইফালে পুষ্পাৰ গৰ্ভত সেই পিশাচটোৰ সন্তানটো ৰ'ল। সন্তানটো ভিতৰত ডাঙৰ হৈ আহিবলৈ ধৰিলে। আৰু এটা সময়ত দিন পুৰা হৈ আহিল। পুষ্পাৰ এজনী ছোৱালী সন্তান জন্ম হ'ল। মেৰীৰ খুব আনন্দ লাগিল। মেৰীয়ে কেচুৱাটো কোলাত ল'লে। আনন্ততে তাইৰ মুখৰ পৰা ওলাই আহিল জুলি। অ' এই সন্তানটিৰ নাম ৰাখিব তাই জুলি। সন্তানটো যেন মেৰীয়েহে জন্ম দিলে তাইৰ তেনেকুৱা আনন্দ লাগিছিল। আৰু এই জুলিৰ দ্বাৰাই মেৰীৰ আধৰুৱা সপোন যিবোৰ তাই সৰুকালতেই ৰচনা কৰিছিল সেইবোৰ পূৰণ কৰিব। জুলিক তাই ভবা সেই মেৰীজনী বনাব। আনন্দতে মেৰীয়ে জুলিক তাৰেই মুখৰ কাষলৈ আনি কপালত এটা চুমা খালে। লগে লগে মেৰীৰ দুগালেৰে দুটোপাল তলত চকুলো বাগৰি আহিল।



সংস্কৃতিয়ে সাধাৰণতে একোো জাতি বা জনগোষ্ঠীৰ সাহিত্য, সংগীত, চিত্ৰকলা, ভাস্কৰ্য আৰু স্থাপত্য এই পাঁচবিধ সুকুমাৰ কলাৰ মাজেদি প্ৰকাশিত মানসিক উৎকৰ্ষ বা কৃতিত্বকে বুজায়। কিন্তু বহল অৰ্থত তাৰ গৃহ নিৰ্মাণ প্ৰণালী ইত্যাদি নানা কথা সংস্কৃতি শব্দটোৱে প্ৰকাশ কৰে। থুল-মূলকৈ এনেদৰে কব পাৰি যে সংস্কৃতি মানুহৰ মাৰ্জিত, সুন্দৰ আৰু শুভ অনুভূতিবোৰৰ মনোৰম প্ৰকাশ। যদিও মানৱ জাতিৰ সংস্কৃতি মূলতে একেটাই তথাপি নানা কাৰণত ই বিভিন্ন অঞ্চলত বিভিন্ন ৰূপত প্ৰকাশ পায়। সকলো সংস্কৃতিয়েই একোটা জাতি বা জনগোষ্ঠীৰ মাজত আৰু একোটা ভৌগোলিক সীমাৰ মাজত গঢ় লৈ উঠে।

— **তফজ্জুল আলি**

কিতাপহে মনৰ সঁজুলি, মনক কিতাপৰ সজুঁলি হবলৈ দিলে বিপদ।

— ড° হীৰেণ গোঁহাই

বন্ধুত্ব কেতিয়াবা প্ৰেমত পৰিণত হব পাৰে; কিন্তু প্ৰেমৰ শেষ পৰিণতি বন্ধুত্ব হোৱাটো অসম্ভৱ।

— **বাইৰণ**

# দুঃসময়

শ্ৰীমুনীন্দ্ৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ

ধম্! ধম্!! ধম্!!!

ধম্! ধম্!! ধম্!!! তিনি জাই ট্ৰিগাৰ টিপা শব্দ। পৰিবেশটো হঠাৎ উত্তেজনাপূৰ্ণ হৈ পৰিল। চৌদিশে কেৱল মানুহৰ ব্যস্ত দৌৰা-দৌৰি। সকলোৰে মুখে-গালে আতংকৰ চাপ। মনত মাত্ৰ এটাই উৎসুকতা কি হ'ল কোনে কি কৰিলে।

সৰু চহৰখনৰ দোকান পাহাৰবোৰৰ ইলেক্‌ট্ৰিক বাল্‌ববোৰ জলি উঠিছিল। মাত্ৰ এনে মধুৰ সন্ধিয়াৰ সন্ধিক্ষণতেই ঘটনাটো ঘটি গ'ল।

মোৰ অনুসন্ধিৎসু মনটোৱে ক্ষীপ্ৰ গতিৰে তালৈ ঢাপলি মেলিববলৈ ইচ্ছা কৰি দুখোজমান দিছোহে মাত্ৰ। এনেতে আচৰিত হৈ পৰিলো। মনত এক অনামী ভয় আৰু আতংকত মোৰ সৰ্বশৰীৰ থক্‌থক্‌কৈ কঁপিবলৈ ধৰিলে। দুকাষত দুজন পিষ্টলধাৰী যুৱকে মোৰ মূৰত পিষ্টলৰ নলী লগাই ধৰি মাত্ৰ কৈছে— "চুপ! চয়তানী বুদ্ধি বন্ধ কৰি গাড়ীত উঠ।" মই নিৰুপায় হৈ লাহেকৈ মোৰ ওচৰত ৰৈ যোৱা 'মাৰুতী ভান'খনৰ পিচৰ চিটত বহি পৰিলো। তাৰ আগেয়ে দুৱাৰ খোলা আছিল। তীব্ৰ গতিৰে সৰু চহৰখনৰ মাজ মজিয়াৰ পৰা গাড়ীখন উত্তৰৰ হিমালয় দিশলৈ আগবাঢ়ি গ'ল।

গাড়ীৰ পিছৰ চিটত বহী মই থকথককৈ কেৱল কঁপিছোঁ। কিয়ে কাগুখন হৈ গ'ল মূহূৰ্তত? মনত কেৱল অবিৰত বাধাহীন প্ৰশ্নৰ জোৱাৰ।

মই ভাবিবলৈ ধৰিলো।—

ধম্‌ধম্‌কৈ ট্ৰিগাৰ টিপাৰ শব্দৰ অৰ্থ কি? হয়তো মই ভবাৰ দৰে নহবও পাৰে।

মই মোৰ কথা চিন্তা কৰা নাই। অধিক চিন্তাম্বিত হৈ পৰিছো মোৰ ঘৰখন পৰিয়াল খনলৈহে।

ঘৰখনত যে কেনেকুৱা এক পৰিবেশে বিৰাজ কৰিব। তাক ভাবিহে মোৰ চিন্তা অধিক।

আজি দুদিন হ'ল এটি সৰু জুপুৰি ঘৰৰ চাৰিবেৰৰ মাজত মই আবদ্ধ। দুকাষত দুজন বন্দুকধাৰী যুৱক। মই সিহঁতৰ লগত কোনো কথা পতাৰ বাবে ইচ্ছুক নাছিলো। তথাপি প্ৰাণৰ ভয়; ঘৰখনত পত্নী আৰু পুত্ৰ-কন্যা দুজনৰ ভৱিষ্যতলৈ মনলৈ যিবোৰ ভাব বাৰে বাৰে আহিব ধৰিছে সেই ভাবটোৱে হঠাৎ হৃদয় কঁপাই তোলে। তেনে সময়ত কেনেকুৱা লাগে তাক অনুভৱেই কৰিব পৰা নাযায়।

"মোক আপোনালোকে কি কাৰণত ইয়ালৈ আনিছে?" কাতৰ কণ্ঠে প্ৰশ্ন কৰিলো যুৱক দুজনক।

"এই প্ৰশ্নৰ উত্তৰ আমাৰ হাতত নাই। ওপৰৰ আদেশ কেৱল আপোনাক আমি বৰ্তমান বন্দী কৰি ৰখাহে।

মই আৰু কোনো প্ৰশ্নৰে সিহঁতক বিৰক্তি কৰি তুলিব নিবিছাৰি নিশ্চুপ হৈ ৰ'লো।

কি দিন কি হ'ল। মুক্ত বিচৰণ, মুক্তভাৱে কথা কোৱা স্বাধীনচিতিয়া মনোভাৱ লৈ জীৱন সংগ্ৰামত আগবঢ়াটোৱে যেন বৰ্তমান সমাজত এক সৰ্বনাশ(?) কি কাৰণত মোক এনেকৈ অপহৰণ কৰিব লগা হ'ল?

এনেতে এজন ওখ যুৱক মোৰ কোঠালৈ সোমাই আহিল। মই ভয়ে ভয়ে তাৰ মুখলৈ চালো।

সি মোক ক'লে- "আমাৰ ভুলক্ৰমে হিমন্ত চৌধুৰী বুলি আপোনাক ধৰি আনিলো। বেয়া নেপাব আপোনাৰ লগত তেখেতৰ মুখৰ দেহৰ সাদৃশ্য একেটা। আপোনাৰ ভয় নাই আপোনাক আমাৰ বন্ধুৱে ঘৰত থৈ আহিব।

ঘৰ পোৱাত আত্মীয় কুটুমে মোৰ চৌদিশে বেৰি ধৰিলে আৰু মই সকলোৰে বহু প্ৰশ্নৰ সন্মুখীন হব লগা হ'ল। কিন্তু কি কাৰণত মোক অপহৰণ কৰা হৈছিল তাক বুজাই কোৱাটো যেন কোনেওঁ মোৰ সঁচা কথাটো বিশ্বাস কৰিবলৈ টান পালে। মই নিৰুপায়ত পৰি সকলোকে নানা প্ৰশ্নৰ উত্তৰ দি ভাগৰি পৰিলো। সাংবাদিকবোৰেও মোৰ ঘৰত ভীৰ কৰিবলৈ ধৰিলে। ❑

*(মহাবিদ্যালয় সপ্তাহত তাঁইতে লিখা গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)*



প্ৰাগজ্যোতি সম্পাদনা সমিতি ১৯৯৯-২০০০ বৰ্ষ



প্ৰথম শাৰী (বাওঁফালৰ পৰা): সদানন্দ দাস (সদস্য), জিতেন কুমাৰ ভাগৱতী (সদস্য), মনিকান্ত দাস (সদস্য), ড° ৰমেশ চন্দ্ৰ শৰ্মা (সভাপতি), ৰুদ্ৰ কলিতা (তত্ত্বাৱধায়ক), কিশোৰ কুমাৰ শৰ্মা (সদস্য), নিৰ্মলী মহন্ত চৌধুৰী (সদস্য)।
দ্বিতীয় শাৰী (বাওঁফালৰ পৰা): অনুপম দাস (সদস্য), ৰূপম আলী (সদস্য), আলকাচ আলী (সম্পাদক), দীপক শৰ্মা (সদস্য)।
(প্ৰৱক্তা অনিল চন্দ্ৰ মজুমদাৰ (সদস্য) ফটোত অনুপস্থিত)

## ১৯৯৯-২০০০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



**প্ৰথম শাৰী (বাওঁফালৰ পৰা) ঃ** প্ৰবক্তা ৰুদ্ৰ কলিতা (তত্ত্বাবধায়ক, আলোচনী) জিতেন কুমাৰ ভাগৱতী (তত্ত্বাবধায়ক, তৰ্ক বিভাগ) মনিকান্ত দাস (তত্ত্বাবধায়ক, ছাত্ৰ একতা সভা) ড° ৰমেশ চন্দ্ৰ শৰ্মা, অধ্যক্ষ (সভাপতি) হেমন্ত কুমাৰ শীল (তত্ত্বাবধায়ক, সাংস্কৃতিক বিভাগ) অনুপ কুমাৰ শৰ্মা (তত্ত্বাবধায়ক, সমাজসেৱা) তপন কলিতা (তত্ত্বাবধায়ক, খেল বিভাগ)

**দ্বিতীয় শাৰী (বাওঁফালৰ পৰা) ঃ** দীপক শৰ্মা (সম্পাদক, সমাজসেৱা) গৌতম গোস্বামী (সম্পাদক, ছাত্ৰ জিৰণি কোঠা) আলকাচ আলী (সম্পাদক, আলোচনী) উৎপল মজুমদাৰ (সহঃ সাধাৰণ সম্পাদক) মনোৰঞ্জন মেধি (সম্পাদক, সাংস্কৃতিক বিভাগ) কমল কুমাৰ চৌধুৰী (উপ-সভাপতি) অনুপম দাস (সাধাৰণ সম্পাদক) চাইফুদ্দিন আলী (সম্পাদক, গুৰু খেলবিভাগ)

*(অনিল মজুমদাৰ, ত্তত্বাবধায়ক, ছাত্ৰ জিৰণি কোঠা; কল্যাণী দেৱী, তত্ত্বাবধায়িকা, ছাত্ৰী জিৰণি কোঠা; মাধৱ ৰয়, সম্পাদক, লঘু খেলবিভাগ, নৰেন শৰ্মা, সম্পাদক, তৰ্ক বিভাগ; ফুলমণি গোস্বামী, সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ফটোত অনুপস্থিত)*

## বিশেষ ফটো সংযোজন



ৰবিতা ভূঞা
শ্ৰেষ্ঠ গায়িকা, ১৯৯৯-২০০০



সুৰেশ বৰুৱা
শ্ৰেষ্ঠ খেলুৱৈ, ১৯৯৯-২০০০



মহাবিদ্যালয়ত আয়োজিত উৎপল মহন্তৰ আদ্যশ্ৰাদ্ধৰ এটি মূহুৰ্ত



নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ 'ৰাষ্ট্ৰীয় সেৱা যোজনা' গোটৰ সৌজন্যত ২৭ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰী, ২০০০ ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা 'বিশেষ শিবিৰ'ৰ এটি মূহুৰ্ত।

# প্ৰশ্নহে আপোনাৰ, উত্তৰ পিছে মোৰ

উত্তৰ : সম্পাদক, প্ৰাগ্‌জ্যোতি

? *সম্পাদক দা, প্ৰথমতে শিক্ষা লোৱা উচিত নে চৰিত্ৰ গঠন কৰা উচিত?*
*—আচিদা বেগম, স্নাতক ১ম বৰ্ষ*

➢ শিক্ষিত হবলৈ (অকল পঢ়া-শুনাৰ কথা কোৱা নাই) চৰিত্ৰবান হব লাগিব। আনহাতে চৰিত্ৰবান হবলৈ শিক্ষা গ্ৰহণ কৰিব লাগিব।

? *সম্পাদক দা, আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ নাম কিয় প্ৰাগজ্যোতি হ'ল জনাব নে? —দীপা দেৱী, উঃ মাঃ ১ম বৰ্ষ*

➢ আমাৰ মহাবিদ্যালয়খনৰ পুৰণি নাম প্ৰাগ্‌জ্যোতি আছিল। সেই অনুসৰি আলোচনীখনৰ নাম প্ৰাগ্‌জ্যোতি হ'ল।

? *সম্পাদক ডাঙৰীয়া, আজি একবিংশ শতিকাত থিয় দিও মানুহে জাতি-ধৰ্মৰ ভেদাভেদ আনে কিয়?—দীপক শৰ্মা, স্নাতক ২য় বৰ্ষ*

➢ ভেকুলীয়ে যেনেকৈ বোপা-ককাৰ ৰীতি এৰিব নোৱাৰে, তেনেদৰে মানুহ নামৰ প্ৰাণীবিধৰ মানৱতাবোধৰ অভাৱৰ বাবে।

? *সম্পাদক ডাঙৰীয়া, প্ৰেম জীয়াই ৰাখিবলৈ কিহৰ প্ৰয়োজন?*
*—প্ৰদীপ দাস, উঃ মাঃ ২য় বৰ্ষ*

➢ টকা / পাৰস্পৰিক বিশ্বাস।

? *সম্পাদক ডাঙৰীয়া, 'হাঁহি 'আৰু 'কান্দোন' শব্দ দুটাৰ সুৰ বিশ্বৰ সকলো ভাষাতে একে কিয়? —জোৎস্না গোস্বামী, স্নাতক ২য় বৰ্ষ*

➢ পৃথিৱীত ভিন ভিন ভাষাসমূহ সৃষ্টি কৰিছে মানৱ জাতিয়ে। আনহাতে মানুহক জীৱন দান কৰিছে প্ৰভুৱে। আকৌ হাঁহি-কান্দোনৰ সমাহাৰেই হ'ল জীৱন। সেয়েহে চাগে ভিন-ভিন ভাষা হোৱা স্বত্বেও সকলোৰে হাঁহি-কান্দোনৰ সুৰ একে।

? *সম্পাদক দা, বিজ্ঞানে সৃষ্টি কৰে নে ধ্বংস কৰে?*
*—ভনীতা কলিতা, উঃ মাঃ ২য় বৰ্ষ*

➢ এৰা, মই কলাৰহে ছাত্ৰ।

? *সম্পাদক দা, প্ৰেমত দুখ বেদনা, প্ৰতাৰণা থকা বুলি জানিও প্ৰেমৰ জাহাজখনত উঠিবলৈ সকলোৰে মন মেলে কিয়?*
*—ললিতা কলিতা, উঃ মাঃ ১ম বৰ্ষ*

➢ প্ৰেম বিহীন মৰুভূমিত দহি-পুৰি মৰাতকৈ প্ৰেমৰ জাহাজত উঠি সাগৰত ডুবি যোৱায়েই বেছি ভাল বুলি ভাবে বোধকৰো।

? *সম্পাদক দা, আপুনি কলম শ্ৰেষ্ঠ বুলি ভাবে নে বন্দুক?*
*—হিমাংশু দাস, উঃ মাঃ ২য় বৰ্ষ*

➢ নিশ্চয় কলম।

? *সম্পাদক ডাঙৰীয়া, বৰ্ত্তমান শিক্ষা জগতত দেখা দিয়া অৰাজকতাৰ কাৰণে আপুনি কাক দায়ী বুলি ভাবে? শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক নে চৰকাৰ? —ৰূপধন আলী, স্নাতক ২য় বৰ্ষ*

➢ অনুপযুক্ত শিক্ষক, জ্ঞান বিমুখ ছাত্ৰ-ছাত্ৰী, অসতৰ্ক অভিভাৱক আৰু নিৰুদ্বেগ চৰকাৰেই দায়ী।

? *হেৰা সম্পাদক বন্ধু, কিমান টকা মাৰিলে, ইলেকচনৰ খৰচখিনি সূতে মূলে উঠিল নে? ওপৰঞ্চি কিমান.......সঁচা কথা কব দেই।*
*—মচৰেফ আলী, স্নাতক ২য় বৰ্ষ*

➢ ধেই, নেপাই নহয় কব আনে গম পালে কেলেংকাৰীত পৰি যাম দেখোন।

? *সম্পাদক ডাঙৰীয়া, শিক্ষাৰ অৰ্থ জ্ঞান নে ডিগ্ৰী লাভ?*
*—মুকুট পাঠক, স্নাতক ১ম বৰ্ষ*

➢ শিক্ষাৰ অৰ্থ জ্ঞান লাভ। আকৌ আজিকালি জ্ঞান লাভ কৰাটো প্ৰতিনিধিত্ব কৰে ডিগ্ৰীয়ে।

? *সম্পাদক ডাঙৰীয়া, আপোনাৰ মতে প্ৰেম শ্ৰেষ্ঠনে বন্ধুত্ব?*
*—পোনাকণ দাস, স্নাতক ২য় বৰ্ষ*

➢ দুয়োটা।

? *সম্পাদক দা, শুনিবলৈ পাইছো আলোচনী সম্পাদক হোৱা প্ৰতেকে ঘৰ বনাইছে নাইবা গাড়ী কিনিছে। আপুনিও তেনে কিবা এটা নকৰিব নে? —পুলমা কলিতা, উঃ মাঃ ২য় বৰ্ষ*

➢ নিশ্চয় কৰিম। (অৱশ্যে ভৱিষ্যতে চাকৰি-বাকৰি পাও যদিহে)

? সম্পাদক ডাঙৰীয়া, প্ৰেমে জাতি-ধৰ্ম, আইন-আদালত একোকে নামানে বুলি আপুনি বিশ্বাস কৰে নে?
*—বিনীতা শৰ্মা, উঃ মাঃ ২য় বৰ্ষ*

➢ নিশ্চয় কৰো, অৱশ্যে বেংক বেলেন্স মানে।

? সম্পাদক দা, আপুনি হেনো আলোচনী ছপা কৰা প্ৰেছটোৰ মালিকৰ লগত কিবা লেন-দেন কৰিছে?
*—ৰেজিনা বেগম, উঃ মাঃ ১ম বৰ্ষ*

➢ ৱাঃ তুমি কেনেকৈ গম পালা?

? সম্পাদক ডাঙৰীয়া, আপুনি আপোনাৰ প্ৰেমিকাক প্ৰথম প্ৰেম-পত্ৰখন কেনেকৈ লিখিছিল জনাব নে?
*—অৰ্চনা খাটনিয়াৰ, স্নাতক ২য় বৰ্ষ*

➢ হিমালয়ৰ ঠাল-ঠেঙুলীক কলম কৰি, প্ৰশান্ত মহাসাগৰক চিয়াহী কৰি অ-আ, ক-খ ৰে লিখিছিলো।

? সম্পাদক বন্ধু, আজি আমি বিশ্বৰ সকলোৱে জানো বিজ্ঞানৰ যুগ বুলি। সূৰ্য্যটো দেখোন বিজ্ঞানে পশ্চিম দিশত উঠাই দিব পাৰে, কিন্তু উঠোৱা নাই কিয়?
*—দ্বীপেন বৈশ্য, স্নাতক ২য় বৰ্ষ*

➢ এৰা, তুমি অতি সোনকালে তেজপুৰলৈ গৈ চিকিৎসা লোৱা ভাল।

## ১৯৯৯-২০০০ ইং বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ আলোচনী বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ

**থিতাতে লিখা কবিতা প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীমুনীন্দ্ৰ দাস
দ্বিতীয় ঃ শ্ৰীকিশোৰ কুমাৰ গোস্বামী
তৃতীয় ঃ শ্ৰীদিপুল পাটগিৰি

**থিতাতে লিখা গল্প প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ বিবেচিত নহ'ল।
দ্বিতীয় ঃ শ্ৰীমুনীন্দ্ৰ দাস
তৃতীয় ঃ শ্ৰীকিশোৰ কুমাৰ গোস্বামী

**অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা ঃ**

প্ৰথম ঃ শ্ৰীখনীন ওজাকহাৰ
দ্বিতীয় ঃ শ্ৰীকমল কুমাৰ চৌধুৰী
তৃতীয় ঃ শ্ৰীকিশোৰ কুমাৰ গোস্বামী



## উপসভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে চূড়ান্ত আত্মবলিদানেৰে ভাৰত মাতৃক বিদেশী শত্ৰুৰ কবলৰ পৰা ৰক্ষা কৰা বীৰ শ্বহীদসকললৈ মোৰ অশ্ৰুসিক্ত অঞ্জলি নিবেদিছো আৰু তেখেতসকলৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছো। যিসকলে নিজৰ আশাসুধীয়া প্ৰচেষ্টাৰে নিৰ্মল হালে মহাবিদ্যালয়ক এক জ্ঞানৰ পূণ্যতীৰ্থ ৰূপে প্ৰতিষ্ঠিত কৰিলে সেইসকল মহামণিষীলৈ মই গভীৰ শ্ৰদ্ধা আৰু ভক্তি নিবেদিছো।

যিসকলৰ পূৰ্ণ সহায় সহযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে প্ৰথম বছৰৰ বাবে উপ সভাপতি হিচাপে দায়িত্ব পালনৰ সুবিধাকণ পালো তেওঁসবলৈ এই প্ৰতিবেদনৰ জৰিয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

ছাত্ৰ একতা সভা গঠন হোৱাৰ পিছত প্ৰত্যেক ছাত্ৰ একতা সভাই বছৰত এবাৰ মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভা অনুষ্ঠিত কৰে। আমাৰ কাৰ্যকালৰ ভিতৰতো আমি সাধ্যানুসাৰে মহাবিদ্যালয় সপ্তাহ আৰু নৱাগত আদৰণি সভা আয়োজন কৰিছিলো।

আমি আত্মসমালোচনা কৰিবলৈ আজি টান পাওঁ। অভিভাৱক সকলে ছাত্ৰ সমাজক সমালোচনা কৰে। কিন্তু তেখেতসকলেও সমালোচনা কৰাটো খুবেই প্ৰয়োজন। নিজৰ লৰাটোক বা ছোৱালীজনীক নাম ভৰ্ত্তি কৰাই দিলেই তেখেতসকলৰ দায়িত্ব আৰু কৰ্ত্তব্য শেষ হৈ নাযায়। শ্ৰেণীসমূহ নিয়মীয়া হয়। নে নহয় অথবা আন কিবা অসুবিধা পাইছে নেকি এইবোৰৰ ওপৰতো তেখেতসকলে চকু ফুৰোৱাটো আমি নিতান্তই প্ৰয়োজনীয় বুলি ভাবো। ছাত্ৰসকলৰ কৰ্ত্তব্য পালনকো কোনোমতে নুই কৰিব নোৱাৰি কাৰণ আমি জানো যে ছাত্ৰৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্যই হৈছে নিজ অধ্যয়নত ব্ৰতী থকাটো। তথাপি ছাত্ৰসকলৰ সমাজখনৰ প্ৰতিও কেতবোৰ কৰণীয় আছে সেইটো অস্বীকাৰ কৰিব নোৱাৰি। আজি আমাৰ চাৰিওফালে বন্দুক-বাৰুদৰ শব্দ। বন্দুক বাৰুদৰ আক্ৰমণত মৃত্যুমুখী অসমীয়া জাতি দুৰ্নীতি, হত্যা, ধৰ্ষণ, লুণ্ঠনত চটফটাই আছে আমাৰ সমাজখন, অসমখন। নিতৌ হত্যা কৰা হৈছে একো একোজনক। কোনেও নাজানে কাৰ কি অপৰাধ। মানুহকলৈ ৰাজনীতিৰ নামত চলিছে কেৱল প্ৰতাৰণা আৰু প্ৰবঞ্চনা। শাসনৰ নামত চলিছে শাসক গোষ্ঠীৰ শোষণ হত্যা-ধ্বংস লীলা আৰু অত্যাচাৰ। নিজৰ মাটি, পানী, বায়ু, আকাশৰ তলত থাকি নিজৰ দেশৰ হকে, নিজৰ মানুহৰ হকে সত্যত মাত মতাটো আজি অপৰাধ বুলি গণ্য কৰা হয়। আজিৰ সমাজৰ পৰিবৰ্তনত শিল্পী-সাহিত্যিকৰ প্ৰয়োজন নাই আছে মাথোন বন্দুক-বাৰুদৰ এই কু-প্ৰবৃত্তিবোৰ দূৰ কৰিবৰ বাবে সমাজ সচেতন হোৱাৰ বৰ্তমান আৱশ্যক হৈ পৰিছে। শাৰীৰিক শক্তিৰে এই কু-প্ৰবৃত্তিবোৰ আতৰ কৰিব পৰা নাযায়। মানসিক পৰিবৰ্ত্তনৰ দ্বাৰাহে এইবোৰ নিঃশেষ কৰিব পাৰি। সেয়ে অসমৰ প্ৰতিজন ব্যক্তিয়ে মানসিক পৰিবৰ্তন আনি আমাৰ অসমখনক জীয়াই ৰাখিবলৈ চেষ্টা কৰক নহলে জাতিৰ কোনো অস্তিত্ব নাথাকিব।

ছাত্ৰ-ছাত্ৰীসকলৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি তলত দিয়া সমস্যাকেইটা উল্লেখ কৰিলো—

১। খেল পথাৰৰ অভাৱ।
২। পুথি ভড়ালত পঢ়া কোঠাৰ অভাৱ।
৩। ছাত্ৰ-ছাত্ৰীৰ চাইকেল আৰু শিক্ষাগুৰুসকলৰ যানবাহন থোৱাৰ অভাৱ।

এই তিনিটা সমস্যা সমাধান কৰিবলৈ অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয় পৰিচালনা সমিতিক এই প্ৰতিবেদনৰ জৰিয়তে অনুৰোধ জনালো।

মোৰ কাৰ্য্যকালৰ সময়ত আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শ্ৰদ্ধাৰ ৰূপৰেখা দেবী বাইদেউৰ অকাল মৃত্যু হয় আৰু আমাৰ মহাবিদ্যালয়ৰ সতীৰ্থ উৎপল মহন্তৰ ট্ৰাক দুৰ্ঘটনাত অকাল মৃত্যুক সাৱটি লয়। দুয়োজন মৃতকৰ গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতসকলৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক তাৰ বাবে মই কামনা কৰিছো।

মোৰ এই কাৰ্য্যকালত বিভিন্ন প্ৰকাৰে দিহা পৰামৰ্শ দি আমাৰ কাৰ্য্যসূচী চলাই নিয়াত সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহাশয়ৰ লগতে শিক্ষাগুৰুসকলৰ ওচৰত চিৰঋণী। এই ছেগতে মোৰ কাৰ্য্যকাল চোৱাত শান্তিৰে অতিবাহিত হোৱাৰ বাবে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলক কৃতজ্ঞতা জনাইছো।

সদৌ শেষত অনিচ্ছাকৃত ভুল ক্ৰটিৰ মাৰ্জনা বিচাৰি লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

*একান্ত অন্তৰঙ্গতাৰে*
**শ্ৰীকমল কুমাৰ চৌধুৰী**
উপ-সভাপতি
নিঃ হাঃ মঃ

## সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ বীৰাঙ্গনাই স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ হেতু প্ৰাণ আহুতি দি চিৰদিনলৈ আঁতৰি গ'ল সেই মহান শ্বহীদসকললৈ মই মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ।

১৯৯৯-২০০০ ইং বৰ্ষ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে যিসকল শুভাকাংক্ষী ছাত্ৰ-ছাত্ৰীয়ে মোক প্ৰত্যক্ষ নিৰ্বাচনেৰে জয়যুক্ত কৰি পবিত্ৰ অনুষ্ঠানটিৰ দায়িত্বৰ লগতে সেৱা কৰাৰ সুবিধা কণ দিলে তেখেতসকলক কৃতজ্ঞতাৰে সুঁৱৰিছোঁ আৰু মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

১৯৯৯-২০০০ ইং বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে মই কাৰ্যভাৰ গ্ৰহণ কৰো। কাৰ্য্যকালৰ সময় ছোৱাত মহাবিদ্যালয়ৰ প্ৰগতিৰ হকে কৰিবলগীয়া কাম অসংখ্য থাকে, কিন্তু সীমিত পুঁজিৰে আটাইবোৰ কাম কৰা সম্ভৱ নহয়। তথাপি নানা ঘাত প্ৰতিঘাট আৰু ভুল-ক্ৰটিৰ মাজেৰে অতিবাহিত কৰি অহা কাৰ্য্যকালৰ চমু আভাস এটি দাঙি ধৰিলো।

'মহাবিদ্যালয়ৰ সপ্তাহ, মহাবিদ্যালয়ৰ খেলা-ধূলা, কুইজ, কেৰম আদিৰ প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিভা বিকাশৰ উদ্দেশ্যে আৰু মানসিক তথা শাৰীৰিক উৎকৰ্ষ সাধনাৰ্থে চলি অহা মহাবিদ্যালয় সপ্তাহ এই বেলিও বিভাগীয় তত্বাবধায়ক আৰু বিভাগীয় সম্পাদকসকলৰ সু-পৰিচালনাত ২০.১.২০০০ তাৰিখৰ পৰা এক আৰম্বড়পূৰ্ণ পৰিবেশত ৫ দিনীয়া কাৰ্য্যসূচীৰে উদ্‌যাপন কৰা হয়। এই মহাবিদ্যালয়ৰ সপ্তাহৰ ক্ৰীড়া, কুইজ আদি প্ৰতিযোগিতা সমূহ বৰ উৎসাহ উদ্দীপনাৰে অনুষ্ঠিত কৰা হয়।

শ্ৰমদান কাৰ্য্যসূচী অথবা "সমাজ সেৱা আঁচনি" (N.S.S.) শিক্ষাৰে এটা অপৰিহাৰ্য্য অঙ্গ। অকল পুথিগত শিক্ষাৰ মাজত আৱদ্ধ নাথাকি শ্ৰমদান কাৰ্য্যসূচীৰ জৰিয়তে সামাজিক জীৱনৰ উৎকৰ্ষ সাধন কৰাতো সকলো ছাত্ৰ-ছাত্ৰী আৰু সামাজিক লোকৰ কৰ্তব্য।

অদমনীয়া উচ্চ শিক্ষা লাভৰ অভিলাস বাস্তৱত ৰূপায়িত কৰাৰ আশাৰে আৰু নিজকে সু-নাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ৰখা লক্ষ্য উদ্দেশ্য সুদৃঢ় কৰাৰ মানসেৰে আমাৰ মহাবিদ্যালয়ৰ পদাপৰ্পন কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰণি জনাবলৈ "নৱাগত আদৰণি" সভাখন ১৯.৮.২০০০ ইং তাৰিখে অনুষ্ঠিত কৰা হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ শৰ্মাদেৱে। সভাত নিৰ্দ্দিষ্ট বক্তাৰ আসনৰ পৰা ভাষণ ৰাখে বি.এইচ. কলেজৰ অধ্যক্ষ ড° ৰমেন কুমাৰ দাস দেৱে। তেখেতৰ কাৰ্য্যকৰী শিক্ষা আৰু নৈতিক শিক্ষাৰ শুৱলা ভাষণ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ বাবে এক স্মৰণীয় জয়মালা হৈ ৰব। এই সভাৰে মুখ্য অতিথিৰ আসন শুৱনি কৰে কৌতুক অভিনেতা মঞ্চ ও কথাছবি জগতৰ শ্ৰীযুত অৰুণ বেজবৰুৱা দেৱে। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থাকে স্থানীয় বিধায়ক শ্ৰীমোহন দাস দেৱে।



আমাৰ মহাবিদ্যালয়খন চালুকীয়া অনুষ্ঠান। গতিকে এই মহাবিদ্যালয়ত নানা অভাৱে জুমুৰি ধৰাটো স্বাভাৱিক। মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ দুটা এটা অভাৱ পূৰণ কৰিবলৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ জৰিয়তে স্থানীয় বিধায়ক মহোদয়লৈ দুই দফীয়া দাবী স্বম্ভালিত চনদ এখন প্ৰেৰণ কৰিছিলোঁ। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে স্থানীয় বিধায়কদেৱে সেই দুই দফীয়া দাবীৰ এটিয়ো দাবী পূৰণ কৰিব পৰা দেখা নগ'ল। সেইটো হ'ল ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মহাবিদ্যালয়ৰ সংযোগী পথটো উন্নত কৰাৰ লগতে ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়টো আচবাব সমূহ যোগান ধৰি; ছাত্ৰ-ছাত্ৰীৰ বৃহত্তৰ স্বাৰ্থৰ ক্ষেত্ৰত অনুকূল প্ৰভাৱ পেলোৱাৰ বাবে এই চনদখন প্ৰেৰণ কৰা হৈছিল। বৰপেটা জিলাৰ শেষ সীমাত অৱস্থিত বৃহত্তৰ পাটাছাৰকুছি অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নিৰ্মল হালৈ মহাবিদ্যালয় ইং ১৯৭৯ চনত প্ৰতিস্থিত হোৱা, ইং ১৯৯৬ চনত মহাবিদ্যালয়খনে চৰকাৰী ঘাটি-মঞ্জুৰী লাভ কৰিছে। বৃহত্তৰ পাটাছাৰকুছি অঞ্চলৰ বাদেও বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে শিক্ষা গ্ৰহণৰ বাবে এই মহাবিদ্যালয়লৈ আহে।

সৰ্বমুঠ ১২০০ (বাৰশ)তকৈ অধিক ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণ কৰা এই মহাবিদ্যালয়ত নিশকতীয়া পুঁজিৰ বাবেই গ্ৰন্থাগাৰত যথোপযুক্ত কিতাপৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলৈ জীয়াতু ভূগিবলগীয়া হৈছে।

সেয়েহে আমি ছাত্ৰ একতা সভাৰ পৰা গ্ৰন্থাগাৰৰ কাৰণে, মাননীয়, অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ হাতত এখন স্মাৰক পত্ৰ প্ৰদান কৰিছিলোঁ, কিন্তু পৰিতাপৰ কথা এই যে এই স্মাৰক পত্ৰখনৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ নকৰিলে।

ছাত্ৰ-ছাত্ৰীৰ অভাৱ অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা অধ্যক্ষ ড° মহোদয়লৈ সাত দফীয়া চনদ এখন প্ৰদান কৰিছিলো সেয়া হ'ল—

(১) ছাত্ৰ-ছাত্ৰীৰ স্থায়ী খেল পথাৰৰ অভাৱ।
(২) ছাত্ৰৰ প্ৰস্ৰাৱগাৰটো মেৰামতী কৰা।
(৩) পতাকা উত্তোলনৰ বাঁহৰ মাৰিডালৰ সলনি লোৰ মাৰি দিয়াৰ বাবে আবেদন।
(৪) মহাবিদ্যালয়ৰ চৌহদটো চাফাই কৰি তাত ফুলৰ বাগান নিৰ্মাণ কৰণ।
(৫) মহাবিদ্যালয়ৰ মূল তোৰণখন ৰং কৰাৰ বাবে ব্যৱস্থা কৰা।
(৬) প্ৰতিটো শ্ৰেণী কোঠাত বিজুলী বাতিৰ লগতে পাঙ্খাৰ বাবে ব্যৱস্থা কৰা।
(৭) ছাত্ৰ একতা সভাৰ কাৰ্য্যালয়টো মেৰামতি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ চাইকেল ষ্টেণ্ডটো মেৰামতি কৰা।

কিন্তু দুৰ্ভাগ্যৰ বিষয় এই যে সাত দফীয়া দাবীৰ কেইটামান দাবীহে পূৰণ কৰে।

আমাৰ অভাৱ অভিযোগ অলেখ সঁচা কিন্তু মই ন দি কব পাৰো যে আন দিশত অভাৱ থাকিলেও শিক্ষাৰ দিশত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কোনো অভাৱ আৰু অসুবিধা পোৱা নাই। শিক্ষাৰ মানদণ্ড ৰক্ষা কৰাৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খনে আন মহাবিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দই যি চৰম ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি হলেও মহাবিদ্যালয়খনৰ অনগ্ৰসৰৰ পথত আগুৱাই নিয়াৰ চেষ্টা অব্যাহত ৰাখিছে তাৰ বাবে তেখেতসকল আমাৰ চিৰনমস্য আৰু শ্ৰদ্ধাৰ পাত্ৰ।

শিক্ষানুষ্ঠানত শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ মূলতেই হ'ল সুস্থ শৈক্ষিক পৰিৱেশ। ছাত্ৰ আৰু শিক্ষক উভয়ে সুস্থ শৈক্ষিক পৰিৱেশৰ অভাৱত শিক্ষা লাভ কৰা সম্ভৱ নহয়। অৱশ্যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ উপযুক্ত জিৰণি ভৱন নোহোৱা বাবে মাজে মাজে শিক্ষাদান আৰু গ্ৰহণত বাধা জন্মাটো অস্বাভাৱিক নহয়। দৰাচলতে তাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক দায়ী নহয় বুলি ভাবো কিয়নো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ সংখ্যাৰ তুলনাত সা-সুবিধা নিচেই তাকৰ।

মোৰ কাৰ্য্যকালছোৱাত ২০-৯-২০০০ ইং তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীউৎপল মহন্তই ট্ৰাক দুৰ্ঘটনাত আকস্মিকভাৱে মৃত্যু বৰণ কৰে। তেওঁৰ বিদেহী আত্মাৰ সদ্গতিৰ অৰ্থে ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা মহাবিদ্যালয়ত এখন প্ৰাৰ্থনা সভা অনুষ্ঠিত কৰা হয়। তাৰোপৰি শোকাকুল পৰিয়াললৈ আমাৰ ছাত্ৰ-একতা সভাৰ তৰফৰ পৰা এটা শোক প্ৰস্তাৱ লৈ সমবেদনা জ্ঞাপন কৰা হয়।

মোৰ কাৰ্য্যকালছোৱাত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী প্ৰবক্তা স্বৰ্গীয়া ৰূপলেখা দেৱীৰ যোৱা ১৭-৩-২০০০ ইং তাৰিখে হোৱা অকাল মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰিছো, তেখেতৰ বিদেহী আত্মাই চিৰ শান্তি লাভ কৰক লগতে শোকাকুল পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছো।

আমাৰ এই কাৰ্য্যকালৰ সময়ছোৱাত কেবাগৰাকীও স্বনামধন্য ব্যক্তিৰ মৃত্যুৰ শোকসভা অনুষ্ঠিত কৰা হয়। হে মোৰ মৰমৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকল, আপোনালোকক অনুৰোধ জনাও যে এই জ্ঞানৰ মন্দিৰত এগছি বন্তি জ্বলাবলৈ আপোনালোক আহিছে বহুদূৰ অতিক্ৰম কৰি; যত দেশৰ সামগ্ৰিক চিনতা চৰ্চা হৈছে অকল্পনীয় ভাতৃত্বৰ এনাজৰী; সুস্থিৰ চিন্তা, একাত্মবোধ, গভীৰ অধ্যয়ন আৰু আত্ম বিশ্বাস আগত ৰাখি আমি আটায়ে আগুৱাব লাগিব, কাৰণ আমাৰ দেশৰ গুৰু দায়িত্ব এদিন আমিয়ে মূৰ পাতি লব লাগিব। কিয়নো আজিৰ যি নপুৰুষ কাইলৈ সি দেশৰ ধৰণী স্বৰূপ হব।

মোৰ কাৰ্য্যকাল ছোৱাত বহুতো হেঙাৰ অতিক্ৰম কৰি বিভিন্ন গঠনমূলক কামত আগবাঢ়ি যাবলৈ দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ শৰ্ম্মাদেৱে চিৰসাম্য শিক্ষাগুৰু সৰ্বশ্ৰী ড° প্ৰবোধ গোস্বামী দেৱ, হেমন্ত শীল, সুশীল বৰ্মন,

ৰুদ্ৰ কলিতা, নিৰ্মল শইকীয়া, মানিক দাস, অনুপ শৰ্মা, জিতেন ভাগৱতী, তপন কাকতি, তপন কলিতা, মোহন কলিতা আৰু ছাত্ৰ একতা সভাৰ তত্বাবধায়ক শ্ৰীযুত মনিকান্ত দাস মহাশয়ৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম। প্ৰতিটো খোজত যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ লগত ছাঁৰ দৰে থাকি সহায় সহযোগ কৰিলে তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰম।

সদৌ শেষত নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ। লগতে বিগত কাৰ্য্যকালৰ সময়ছোৱাত জ্ঞাতে অজ্ঞাতে কৰা ভুল-ক্ৰুটিৰ মাৰ্জনা বিচাৰি মই মোৰ বছেৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু নিৰ্মল হাঁলে মহাবিদ্যালয়

শ্ৰীঅনুপম দাস
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
নিৰ্মল হাঁলে মহাবিদ্যালয়

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে জাতিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি নিবেদিলো।

১৯৯৯-২০০০ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ যি মহান দায়িত্ব পালন কৰাৰ সুযোগ দিলে তাৰ বাবে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ কৃতজ্ঞতা জনাইছো লগতে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ মূলতে যি সকল ব্যক্তিৰ শ্ৰম ত্যাগ নিহিত হৈ আছে সেই সকললৈ আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছো।

এই চমু কাৰ্য্যকালছোৱাত মহাবিদ্যালয়ৰ কিমান দূৰ সেৱা কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়, অৱশ্যে মোৰ জ্ঞানেৰে কেতিয়াও কৰ্মত অৱহেলা কৰা নাই। তথাপি জ্ঞাত-অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহ চলাই নিয়াত সাধাৰণ সম্পাদকৰ লগতে অন্যান্য বিভাগীয় সম্পাদকসকলক মোৰ ফালৰ পৰা সম্পূৰ্ণ সহায় সহযোগ আগবঢ়াও।

মোৰ কাৰ্য্যকালত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাত তোৰণ আৰু মঞ্চ বনোৱাৰ লগতে সজোৱাৰ দায়িত্ব ছাত্ৰ একতা সভাই মোৰ ওপৰত অৰ্পণ কৰিছিল। উক্ত দায়িত্বখিনি মই নিষ্ঠাৰে পালন কৰো।

মোৰ কাৰ্য্যকালত সকলো প্ৰকাৰে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা নিবেদিছো। লগতে ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ উপৰিও যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক সহায় সহযোগ তথা দিহা পৰামৰ্শ আগবঢ়ালে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰি আৰু ভৱিষ্যৎ নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ ঐক্য, শান্তি আৰু প্ৰগতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু নিৰ্মল হাঁলে মহাবিদ্যালয়

সহঃ সাধাৰণ সম্পাদক
শ্ৰীউৎপল মজুমদাৰ



## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল শ্বহীদে নিজৰ কলিজাৰ কেচা তেজেৰে মাতৃৰ চৰণ সিক্ত কৰি অসমক চিৰদিনৰ বাবে কন্দুৱাই গুচি গ'ল সেইসকল শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

নিৰ্মল হাঁলে মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদকৰূপে নিৰ্বাচিত কৰি কাৰ্যনিৰ্বাহ কৰিবলৈ এই সুবিধাকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অৱশ্যে এই দায়িত্ব কিমান কৃতকাৰ্য্যতাৰে তথা দক্ষতাৰে পালন কৰিব পাৰিছো সেইখিনি আপোনালোকৰহে বিচাৰ্য।

মহাবিদ্যালয়ৰ উপযুক্ত সা-সজুলিৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালীৰ প্ৰতি অমনযোগিতা পৰিলক্ষিত হৈছে। অতি দুখৰ বিষয় এয়ে যে এতিয়ালৈকে মহাবিদ্যালয়খনত খেলপথাৰ গঢ়ি উঠা নাই। ইমানবোৰ সমস্যা থকা স্বত্বেও ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনলৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়।

মোৰ কাৰ্য্যকালৰ সময় ছোৱাত বিভিন্ন ধৰণে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ তত্ত্বাবধায়ক মাননীয় শ্ৰীযুত তপন কলিতা চাৰৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত অতি চেনেহৰ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু নিৰ্মল হাঁলে মহাবিদ্যালয়
"জয় আই অসম"

ধন্যবাদেৰে
মঃ চাইফুদ্দিন আহমেদ
গুৰু খেল বিভাগৰ সম্পাদক

## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মূহুৰ্ততে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যিসকল বীৰ শ্বহীদ কলিজাৰ কেঁচা তেজেৰে মাতৃৰ চৰণ সিক্ত কৰি আমাক চিৰদিনৰ কাৰণে কন্দুৱাই গ'ল, সেই মৃত্যুঞ্জয় শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো লগতে শত সহস্ৰ পংগু যুৱক-যুৱতীলৈ মোৰ হিয়া ভৰা সমবেদনা জ্ঞাপন কৰিছো।

১৯৯৯-২০০০ বৰ্ষৰ লঘু খেল বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি দায়িত্ব গ্ৰহণৰ এইকণ সুবিধা দিয়াৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা সমূহ অধ্যাপক-অধ্যাপিকাক শ্ৰদ্ধাৰে সোঁৱৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আৰম্ভ হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। এই মহাবিদ্যালয় সপ্তাহত বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত কৰা হৈছিল। লঘু খেল বিভাগৰ সম্পাদক হিচাপে মই বিভাগটোৰ দায়িত্ব গতানুগতিকতাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ত থকা নূন্যতম খেল সামগ্ৰীৰ বাবে বিভিন্ন খেল পৰিচালনাত অসুবিধাৰ সন্মুখীন হৈছিলো। যাৰ বাবে মহাবিদ্যালয়ত একো একোজন সম্ভাৱনাপূৰ্ণ খেলুৱৈ থকা স্বত্বেও তেওঁলোক হতাশাগ্ৰস্ত হৈ পৰিছিল। মহাবিদ্যালয়ত বিশেষকৈ এখন খেল পথাৰৰ অতি প্ৰয়োজন। হয়তো এডোখৰ উপযুক্ত ঠাইৰ অভাৱতে খেল পথাৰখন হৈ উঠা নাই। যি কি নহওক মহাবিদ্যালয়ৰ খেল বিষয়ত থকা সমস্যা সমূহ অতি সোনকালে দূৰ কৰিব বুলি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত বিনম্ৰ অনুৰোধ জনালো।

**কৃতজ্ঞতা জ্ঞাপন ঃ** মোৰ কাৰ্য্যকালত বিভিন্ন ফালৰ পৰা সহায় সহাযোগীতা আগবঢ়োৱা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা ন-পুৰণি ছাত্ৰ একতা সভাৰ সদস্যবৃন্দ তত্বাবধায়ক মাননীয় শিক্ষাগুৰু শ্ৰীযুত তপন কলিতা তথা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু অধ্যাপিকা সকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

**ক্ষমা প্ৰাৰ্থনা ঃ** শেষত কাৰ্য্যকালৰ অজ্ঞাত ভুল-ত্ৰুটি সমূহৰ বাবে ক্ষমা বিচাৰিছোঁ। লগতে মহাবিদ্যালয়খনিৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মই মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

*ধন্যবাদেৰে*

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

**শ্ৰীমাধৱ ৰয়**

লঘু খেল বিভাগৰ সম্পাদক

## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিত, স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক জনাইছো শতকৌতি প্ৰণাম। ঐক্যবদ্ধ ছাত্ৰ সমাজে অসমী আইৰ প্ৰতিটো সংকটৰ মূহুৰ্তত স্বদেশৰ হকে সংগ্ৰাম কৰি আহিছে। আজিৰ এই সংকট পূৰ্ণ মূহুৰ্তত আকৌ [illegible] স্বদেশৰ হকে কিছু কৰাৰ বাবে।

[illegible] মাথো দুটা শব্দৰ সমষ্টি নহয়। এই সুক্ষ্ম শব্দটিয়ে মানৱ জীৱনৰ এক বিশাল দিশ সাঙুৰি লয়। মাথো পাঠ্য-পুথি অধ্যয়নৰ [illegible] শিক্ষা নহয়। [illegible] অস্বীকাৰ কৰিব নোৱাৰে যে পাঠ্যপুথিৰ পাঠ্যক্ৰমৰ লগতে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা সম্পূৰ্ণতাৰ [illegible] সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ। এতিয়া যদি শিক্ষাৰ প্ৰধান উদ্দেশ্য হয় শাৰীৰিক, মানসিক, বৌদ্ধিক তথা আধ্যাত্মিক বিকাশ আৰু উৎকৰ্ষ সাধন কৰা তেন্তে সহঃ পাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ ভিতৰত তৰ্ক, বক্তৃতা, আকস্মিক বক্তৃতা ইত্যাদি হ'ব অন্যতম।

তৰ্কশাস্ত্ৰ ভাৰতৰ প্ৰাচীন শাস্ত্ৰসমূহৰ ভিতৰত অন্যতম। সামাজিক ন্যায় প্ৰতিষ্ঠা আৰু বৌদ্ধিক বিকাশ তৰ্কৰ মূল উদ্দেশ্য। ইয়াৰোপৰি যুক্তিসঙ্গত তৰ্কই ছাত্ৰ-ছাত্ৰীৰ চিন্তাশক্তি তথা যুক্তিবাদৰ বিকাশ, সাহসিকতা, কথনশৈলীৰ উপযুক্ত শব্দৰ প্ৰয়োগত সদায়েই অনুপ্ৰেৰণা যোগায়। যিহেতু তৰ্কত আবেগৰ স্থান নাই সেয়ে তৰ্কই ছাত্ৰ-ছাত্ৰীক নিৰ্ভীক আৰু সত্যৰ মুখামুখি হ'বলৈ



তৰ্ক হৈছে একপ্ৰকাৰ কলা যি কলাই অতীজৰে পৰা মানুহক সামাজিক আৰু ৰাজনৈতিক জীৱনত প্ৰতিষ্ঠিত হবলৈ সহায় কৰি আহিছে।

'আজিৰ ছাত্ৰ কাইলৈৰ নাগৰিক'। ছাত্ৰ এগৰাকীৰ যুক্তিবাদী চিন্তা-চৰ্চাই সমাজক শুদ্ধ পথৰ সন্ধান দিয়াৰ লগতে সমাজখন সুশৃংখল হোৱাত সহায় কৰিব পাৰে। সেয়ে ভাৰতীয় সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাত সুদক্ষ প্ৰশাসক, বিচক্ষণ ৰাজনীতিজ্ঞ, সচেতন নাগৰিক স্মৃতিত তৰ্কই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

প্ৰতিবেদনৰ সামৰণিত বিশেষভাবে উল্লেখ কৰিব বিচাৰিছো যে মঙ্গলদৈত অনুস্থিত একাদশ শ্বহীদ সোঁৱৰণী তৰ্ক প্ৰতিযোগিতাত যোগদান কৰি গৌৰৱৰ ভাগি হ'ব পাৰিছো। আকৌ মোৰ কাৰ্য্যকালত বিশেষভাবে উৎসাহিত কৰাৰ বাবে মোৰ বিভাগীয় শিক্ষাগুৰু শ্ৰীযুত জিতেন ভাগৱতী দেৱক আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ৰমেশ শৰ্মাদেৱৰ ওচৰত চিৰকৃতজ্ঞ। আকৌ মোক বিশেষভাবে সহায় কৰা পাটাছাৰকুছি আঞ্চলিক ছাত্ৰসন্থা আৰু বন্ধুবৰ মনিন ওজাকাথৰক ধন্যবাদ জনালো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

**নৰেণ শৰ্মা**

তৰ্ক বিভাগৰ সম্পাদক

## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে বিগত মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ বিসৰ্জন দিয়া জ্ঞাত অজ্ঞাত বীৰ শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। আকৌ আমাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা ৰূপৰেখা দেৱী বাইদেউ আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ছাত্ৰ উৎপল মহন্তৰ আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছো। লগতে যিসকল স্বদেশপ্ৰেমীয়ে নিজৰ দেশৰ স্বাৰ্থৰক্ষাৰ্থে কাৰ্গিলৰ যুদ্ধত চিৰ পংগুতা জীৱন আকোৱালি ললে সেই সকল মহান ত্যাগীলৈও মোৰ শ্ৰদ্ধা নিবেদিছো।

নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভালৈ সাংস্কৃতিক সম্পাদকৰ পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ আপোনালোকক সেৱা কৰাৰ সুযোগকণ পাই নিজকে গৌৰৱ তথা আনন্দ অনুভৱ কৰিছো।

এবছৰীয়া কাৰ্য্যকালছোৱাত মই কিমানখিনি বৰঙণি আগবঢ়াইছো সেয়া আপোনালোকৰ বিচাৰ্য্য বিষয়।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে যোৱা বছৰকেইটিৰ দৰে এই বছৰো সংগীত, একক অভিনয়, কৌতুক, ভেশছন আদি প্ৰতিযোগিতা চলোৱা হয়। কিন্তু অতি দুখৰ বিষয় যে আমাৰ মহাবিদ্যালয়ত কোনো এটা প্ৰতিযোগিতাতে উপযুক্ত প্ৰতিযোগী নহয়। মাত্ৰ কেইজনমানেহে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। এই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে অনুৰোধ জনাও যে অহাবছৰৰ পৰা প্ৰতিটো প্ৰতিযোগিতাতে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

দ্বিতীয় কাৰ্য্যসূচী হিচাপে পাইছিলো নৱাগত আদৰণি সভা। নবাগত আদৰণি সভাৰ পিছৰ কাৰ্য্যসূচী সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠানটিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। এই অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ সংগীতৰ লগতে কৌতুক আৰু মুকাভিনয় পৰিবেশন কৰে। লগতে বিভাগীয় তত্বাবধায়ক শিক্ষাগুৰু হেমন্ত শীল ছাৰ আৰু মাননীয়া অধ্যাপিকা সাবিত্ৰী বেজবৰুৱা বাইদেউয়ে উক্ত অনুষ্ঠানত সুমধুৰ সংগীত পৰিবেশন কৰি ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰে।

আমাৰ মহাবিদ্যালয়ত বিভিন্ন বাদ্যযন্ত্ৰৰ লগতে বহুত যন্ত্ৰৰ অভাব আছে। এই অভাবৰ ভিতৰত প্ৰধান হৈছে স্থায়ী মঞ্চ এখন লগতে মঞ্চৰ কাপোৰ। সুখৰ খবৰ যে এইবাৰ সাংস্কৃতিক বিভাগৰ দ্বাৰা মঞ্চৰ কাপোৰখিনি মহাবিদ্যালয়ৰ নিজাববীয়াকৈ কৰা হৈছে। আগলৈকে স্থায়ী মঞ্চৰ লগতে মহাবিদ্যালয়ৰ অভাবসমূহ পূৰণ কৰাৰ বাবে অধ্যক্ষৰ জৰিয়তে কৰ্তৃপক্ষৰ ওচৰত অনুৰোধ জনালো।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত বহুমূলীয়া উপদেশ তথা দিহা পৰামৰ্শ আগবঢ়োৱাৰ উপৰিও সহায় সহযোগ কৰা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ চন্দ্ৰ শৰ্মা ছাৰৰ লগতে মাননীয় শ্ৰীযুত হেমন্ত শীল, নিৰঞ্জন দাস, সাবিত্ৰী বেজবৰুৱা, মনিকান্ত দাস, ৰুদ্ৰ কলিতা, সুশীল বৰ্মণ, গীতাশ্ৰী গোস্বামী আৰু অনিল মজুমদাৰ ছাৰ বাইদেউসকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। এই ছেগতে মই নিৰ্মলহালৈ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলক আৰু কাৰ্য্যালয় সহায়ক কৰ্মচাৰী সকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

মোৰ কাৰ্য্যকালত বিভিন্ন দিশত হাতে কামে সহায় সহযোগ কৰা নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সতীৰ্থবৃন্দ আৰু সৰ্বশ্ৰী মৃন্ময়, চামচুল, ববিতা, পুলমা, প্ৰশেনজিৎ, দিগন্ত, ভনিতা আদিকো কৃতজ্ঞতাৰে শুৱৰিছোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিছো। লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

*ধন্যবাদেৰে*

**শ্ৰীমনোৰঞ্জন মেধি**

সাংস্কৃতিক বিভাগৰ সম্পাদক

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে জাতীয় সংগ্ৰামত প্ৰাণ বিসৰ্জন দিয়া অসমী আইৰ মহান সন্তান সকললৈ মই মোৰ অশ্ৰু-অঞ্জলী নিবেদিছো। একাগ্ৰতা তথা অক্লান্ত শ্ৰমেৰে নিৰ্মল হালৈ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰা মহান ব্যক্তি সকললৈ মই মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়াইছো।

বিংশ শতাব্দীৰ শেষ আৰু একবিংশ শতাব্দীৰ প্ৰাক্‌মূহুৰ্তত হে প্ৰিয় নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীবৃন্দ আপোনালোকৰে কাৰ্য্যবৰ্ষত সমাজসেৱাৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগত সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰাৰ বাবে আপোনালোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছো।

মোৰ এবছৰীয়া কাৰ্য্যকালত কিমানদূৰ সফলতা অৰ্জন কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্য। এই মূহুৰ্তত মই মোৰ কাৰ্য্যকালত সম্পন্ন কৰা কিছুমানৰ খতিয়ান দাঙি ধৰিলো।

মোৰ কাৰ্য্যকালত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ “মহাবিদ্যালয় সপ্তাহ”ৰ লগত সংগতি ৰাখি সমাজসেৱা বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। লগতে মহাবিদ্যালয়ৰ চৌহদ চাফাই কৰা হয়। ইয়াত ছাত্ৰ-ছাত্ৰীসকলৰ পৰা লাভ কৰা সহযোগিতা আন্তৰিকতাৰে সুঁৱৰিছো। শ্ৰদ্ধেয় শ্ৰীযুত প্ৰবোধ গোস্বামী ছাৰৰ তত্ত্বাৱধানত ৰাষ্ট্ৰীয় সেৱা আঁচনি (N.S.S.)ৰ পাচদিনীয়া শিবিৰৰ কাৰ্য্যসূচী আমাৰ মহাবিদ্যালয়ত পালন কৰা হয়। ইয়াত মহাবিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰত বহুতো মূল্যবান গছপুলি ৰোপন কৰা হয় আৰু বাহিৰত বাট পথৰ কাম কিছু পৰিমাণে হলেও কৰা হয়। ১৩ অক্টোবৰৰ পৰা ১৭ অক্টোবৰলৈ মৰিগাও মহাবিদ্যালয়ত অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ “বাৰ্ষিক বিশেষ সেৱা শিবিৰ”লৈ আমাৰ মহাবিদ্যালয়ৰ হৈ শ্ৰীযুত প্ৰবোধ গোস্বামীৰ তত্ত্বাবধানত সৰ্বশ্ৰী দ্বীপেন বৈশ্য, ধনজিৎ ৰয়, সঞ্জয় শৰ্মা আৰু এই প্ৰতিবেদকে অংশ গ্ৰহণ কৰো।



নিৰ্দিষ্ট সীমাবদ্ধতাৰ ভিতৰত মই মোৰ কৰ্ত্তব্য পালন কৰিবলৈ চেষ্টা কৰিছিলো। কৰ্ত্তব্য পালন কৰোতে বিভাগীয় সম্পাদক হিচাপে মই বহুতো সমস্যাৰ সন্মুখীন হব লগা হৈছে তাৰ ভিতৰত আৰ্থিক দিশটোৱে মুখ্য। আশা ৰাখিছো ভৱিষ্যতে এই দিশৰ উন্নতি ঘটিব। নিজৰ চৰিত্ৰ গঠনত বিশেষ অৰিহণা যোগোৱা সমাজ সেৱা বিভাগটোৰ সৈতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে জড়িত থাকি মহাবিদ্যালয়ৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ মই প্ৰতিবেদনৰ জৰিয়তে আহ্বান জনাইছো।

এই মূহুৰ্ত্তত বিভাগীয় তত্ত্বাবধায়ক শ্ৰীযুত অনুপ শৰ্মা ছাৰলৈ মই শ্ৰদ্ধা নিবেদন কৰিছো। লগতে মোক বিভিন্ন ধৰণে সহায় কৰা বিপুল, চন্দন, ৰাজেন, সলিতা, দুলুমণি, ৰীতামণি, ভৃগু, আলকাছ, দ্বীপেন, কমল, হীৰা, ধনজিৎ, প্ৰাঞ্জল, ৰানা, চানু, দীপা, জুৰি, পৰীক্ষিৎ আৰু খনিনলৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

যোৱা ছেপ্টেম্বৰ মাহত পথ দূৰ্ঘটনাত মৃত্যুবৰণ কৰা সতীৰ্থ উৎপল মহন্তৰ আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

*ধন্যবাদেৰে*

**শ্ৰীদীপক শৰ্মা**

সমাজ সেৱা বিভাগৰ সম্পাদক

## ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা বন্ধু-বান্ধবী সকললৈ মোৰ আন্তৰিক মৰম তথা শ্ৰদ্ধা জনালো। জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া জ্ঞাত অজ্ঞাত বীৰ শ্বহীদ সকললৈ অশ্ৰু অঞ্জলি নিবেদিছো। ১৯৯৯-২০০০ ইং চনৰ নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা পদত বিনা প্ৰতিদ্বন্দিতাৰে অধিষ্ঠিত হবলৈ সুযোগ দিয়াৰ বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ খুব কম দিনৰ ভিতৰত 'মহাবিদ্যালয় সপ্তাহ' উদযাপন কৰিবলগীয়া হয়। মহাবিদ্যালয় সপ্তাহত এই বিভাগৰ দ্বাৰা বিভিন্ন প্ৰতিযোগিতা হৈছিল। ইয়াত সকলো প্ৰতিযোগিয়ে অংশ গ্ৰহণ কৰিছিল। একমাত্ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহায় সহযোগিতাৰ বাবে কামটো সুচাৰুৰূপে চলাই নিয়াত সুবিধা পাইছিলো। ছাত্ৰীসকলে অতি আগ্ৰহেৰে কইনা সজা, পুষ্পসজ্জা আৰু কেৰম প্ৰতিযোগিতাত ভাগ লৈছিল।

মহাবিদ্যালয়ত ছাত্ৰীসকলৰ অভাব অভিযোগ অনেক। তাৰ ভিতৰত সাধ্য অনুযায় পূৰণ হৈছে। যেনে- ফেন, লাইট কেৰামৰ ষ্টেণ্ড ইত্যাদি ইত্যাদি। বিভাগীয় কাৰ্য্য পৰিচালনা কৰাৰ ক্ষেত্ৰত মই কিমান সাফল্য লাভ কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিশত পৰামৰ্শ দি সহায় কৰা শিক্ষাগুৰু মাননীয় শ্ৰীযুত ৰুদ্ৰ কলিতা, শ্ৰীযুত তপন কলিতা, বাইদেউ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদিছো। যিসকল বন্ধু বান্ধবী মোৰ দায়িত্বখিনিত সহায় সহযোগিতা আগবঢ়ালে তেওঁলোকক কৃতজ্ঞতা যাচিছো।

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

*শ্ৰদ্ধাৰে*

**শ্ৰীফুলমণি গোস্বামী**

সম্পাদিকা, ছাত্ৰী জিৰণী চ'ৰা

১৯৮৮ চনৰ পৰা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আৰু আলোচনী সম্পাদকৰ নাম সমূহ তলত উল্লেখ কৰা হ'ল ঃ

| আলোচনী সম্পাদক | সাধাৰণ সম্পাদক |
| --- | --- |
| বিনয় দত্ত<br>১৯৮৮-৮৯ | অনিল চন্দ্ৰ ৰয়<br>১৯৮৮-৮৯ |
| প্ৰদীপ ঠাকুৰীয়া<br>১৯৮৯-৯০ | সুৰেণ কলিতা<br>১৯৮৯-৯০ |
| ৰঞ্জিত কুমাৰ ৰয়<br>১৯৯০-৯১ | চমেন দাস<br>১৯৯০-৯১ |
| মনোৰঞ্জন পাঠক<br>১৯৯১-৯২ | হেমন্ত কুমাৰ ৰয়<br>১৯৯১-৯২ |
| তপন ৰয়<br>১৯৯২-৯৩ | ভবেশ পাঠক<br>১৯৯২-৯৩ |
| নয়ন কুমাৰ মেধী<br>১৯৯৩-৯৪ | পৰেশ ডেকা<br>১৯৯৩-৯৪ |
| বিবেকানন্দ দাস<br>১৯৯৪-৯৫ | হিতেশ ৰয়<br>১৯৯৪-৯৫ |
| গনেশ শৰ্মা<br>১৯৯৫-৯৬ | উৎসৱ ৰয়<br>১৯৯৫-৯৬ |
| চন্দ্ৰ হালৈ<br>১৯৯৬-৯৭ | দ্বীপেন্দ্ৰ নাথ দাস<br>১৯৯৬-৯৭ |
| কংকণ শৰ্মা<br>১৯৯৭-৯৮ | হেমেন কলিতা<br>১৯৯৭-৯৮ |
| গৌতম শৰ্মা<br>১৯৯৮-৯৯ | দিপুল পাটগিৰি<br>১৯৯৮-৯৯ |
| আলকাচ আলী<br>১৯৯৯-২০০০ | অনুপম দাস<br>১৯৯৯-২০০০ |



# English Section

# PRAGJYOTI

NIRMAL HALOI COLLEGE MEGAZINE

12th Annual Publication
1999-2000 year

*Prof-in-Charge*
Sri Rudra Kalita

*Editor*
Syed Alkas Ali

# A memorable entry into Indian Politices

Mr. Hemanta Kr. Seal
Lecturer in Political Science

The entry of M.K. Gandhi into Indian Politics brought a major change in National Movement. He entered into politics with the Satyagraha in champaran in Bihar in 1917. Gandhi's great success resistance against the govt of South Africa was commonly alleged. While the British govt sternly opposed Indian peasants, they made him a rapid invitation to which he was highly responsive. He undertook visits to different parts of India with a view to making search of grievences of the peasant and on his recommendation, the govt appointed an inquiry committee in which he served himself. Practically, a great deal of their hardship was removed and if settled gandhi's achievement in his first struggle against the British govt. In 1918 while the peasants of Gujrat were unable to pay the revenues, Gandhiji followed "No tax campaign" and finally could make a compromise between the govt and the peasants. In the same way, he could mutually settle the dispute between the workers and the factory owners in Ahmedabad. Afterwhile Gandhi directed well attraction to Indian National Congress.

M.K.Gandhi aiming at withdrawal of the Raolott Act initiated Satyagraha Movement, on 30th March 1919 as a day of Hartal, fasting, prayer, penance and organised meeting and processions all over the nation. It was also led by him in different places of the country on 6th April of same year. However, the British govt undertook disciplinary steps to suppress the Movement. The worst happened in Punjab particularly at Amritsar where the tragedy of Jallianwala Bagh was enacted which caused death and destruction out of imagination. It led Indian people to be involved in violence and so Gandhi declared the Satyagraha Campaign to be a 'Himalayan Blunder' and immediately suspended the Movement.

Gandhi also deeply involved in "Khilafat and Non-cooperation Movement. Turky's sultan 'Khilafat, the religious head of the Muslims all over the World was condemned by the British govt which led Indian Muslims to launch "Khilafat Movement" aiming at maintaining the statuesque and rights of Khalifa. It also drew deep attraction of M.K. Gandhi. The central Khilafat committee adopted the resolution of Non-co-operation of its Bombay Session on 28th May 1920. M.K. Gandhi along with most other Indian political leaders accepted it to be the Golden opportunity to stand both Hindus and Muslim in a single platform against the British Finally, Khilafat committee and the congress committee were merged and they unitedly launched the non-co-operation Movement under the leadership of M.K. Gandhi. People were firmly devoted with the basic objectives of the Movement. Even Gandhi gave up the title, "Kaiser-I-Hind" assigned him by the British government. Besides, people were advised to use Swadeshi goods and to develope harmonious outlook between the two major communities. The fullest extent of the movement established a national awakening. On the other hand, the British govt adopted disciplinary measures to suppress the agitated people of India that resulted universal melstorm. With the situation, Gandhi suspended the movement but he didnot avoid strong determination for further agitation.

Having the resolution of complete independence, Gandhi gave a call to the people of India to celebrate 26 January, 1930 as a "Purna Swaraj Day" which was practically observed. However, the British govt directed no response, the Indian National Congress launched "Civil Disobedience Movement" for which Gandhi made the famous "Dandi March" in 1930 with some of his followers. It resulted attendance of three round table conferences attended by the British govt with which Indians were not satisfied.

To the end of the Second World War, having anxiety, Indian National Congress led by M.K.Gandhi passed the historic "Quit India Resolution" on 12th August 1942 which caused a great shock to the British govt. On the other hand, the new ruling party in England disclosed hot favour to India which resulted India's freedom in August'15, 1947. Finally M.K.Gandhi contributed most towards India's freedom that drew national sentiment of the masses. Gandhi made serious efforts for Hindus-Muslims unity, emancipation of Women, use of swadeshi decentralisation of power, proper scheme of education with a view to establishing the "Ram Rajya" in India. ❑

# EDUCATIONAL REFORMS IN INDIA

by **Kishore Kr. Sarma**
Dept. of English

Despite all the rhetoric that has gone into condemnation of the system of higher education in India and despite all the fanfare accompanying the introduction of the reforms suggested by the different commissions, educational standard continue to deteriorate. Consequently a general atmosphere of cynicism prevails in the academic circles.

The present system of education is the least exacting as far the labour on the part of the students and the teachers is concerned. That is why even the lukewarm efforts at experiments such as the introduction of semestar system, internal assessment have been opposed. Higher secondary education has failed to achieve its aim, inservice summer institutes have been a failure, and 10+2+3 system is branded unpractical. So long as the teachers and taught do not involve themselves seriously in the educational reforms nothing can be done.

Education in India has always been the victim of extreme negligence on the part of the government. Since Independence no government has been able to adopt a suitable pattern of education, despite the fact that many commissions had been set up. Right from Zakir Hussain's committee upto Kothari Commission only structural changes have been suggested in the system of education. Some commissions suggested the introduction of basic education whereas other commission recommended higher secondary system and the latest recommendation was 10+2+3 system of education. The main fault of our planners lies in their too much fascination for European system of education. They have been trying to introduce job oriented education because unemployment problem had become extremely acute in India. It has also created frustration among the young people and they have started thinking that our education is not purposive. According to 10+2 system after Xth. standard, education was to be divided into academic stream and professional stream. Those who get high percentage of marks will be allowed to pursue academic education, others will have to take up education in one or the other trade. Theoritically the system seems to be aiming at complete education for adopting a career after 10+2 stage. Three years of college education were to be devoted to higher studies.

Some had pointed out that the 10+2 system is unworkable and unrealistic, this system of education is injustice to younger generation.

The world Conference on Education for All(EFA) was held in 1990 at Jomtien, Thailand. At the conference, India, along with 155 other countries, committed itself to universalise primary education and halve the adult illiteracy rate by 2000. Even before Jomtien, India had formulated a National Policy on Educational (NPE) in 1986, with the goal of providing education to all. Conceptually, the N.P.E., a sound and forwardlooking document, recognised quality as a major factor, the need to make education relevant to the life contexts of both children and adults. It redefined learning in an empowering context, changing curricula and texts to address the life concerns of the disadvantaged. India's literacy rate increased from 18.33 percent at the time of Independence to 52.21 percent in 1991. According to the National Sample Survey Organisation's 53rd Round figures for 1997, the literacy rate is 62 percent. This is no mean achievement. We can not forget, however, that in absolute numbers India still accounts for one-third of the world's illiterate people. More than 290 million adults continue to be illiterate and 38 million children remain out of school.

In 1991, there were more than 300 million illiterate adults in the country. The National Literary Mission sought to cover 100 million people by 1999, by adopting a mass campaign approach and making adult literacy a people's movement. But who has benefited most from the expansion in education that has been achieved in the post-Independence period? In terms of gender differences, 81 percent of the girls were enrolled in primary school in 1997, as against 98.5 percent of the boys, but at the upper primary level this fell to 49.5 percent for girls.

The Yash Pal Committee Report (Learning without Burden, 1993) stated that attempts to give a 'life orientation' to primary education are lacking.

Now let us get back to the World Education Forum April 2000, in Dakar-Senegal. Since the formulation of 'National Policy on Education in 1986 (Kothari Commission), the country is yet a long way to go to achieve the goal and there needs an adequate analysis of the education policy in India. ❑



# Beauty Pageant & Indian Society

**Sri Anup Kr. Sarma**
Lecturer of English

Even before former Union Finance Minister Dr. Manmohan Singh almost singlehandedly initiated Free Trade policy which, in a wider sense, came to be called Globalisation, beauty pageant or fashion show had been in vogue in our country. Of course it was of a different nature. But Dr. Singh's maiden endeavour added a new vista to the traditional show. With Globalisation there occurred an unrestricted influx of foreign goods, foreign culture, foreign modes and manners, foreign habits and above all foreign currencies. India became a fertile and integral ground of the foreign traders. Globalisation not only encouraged the billionaires, it also remoulded the budding youths and made them prone to the make-believe world of glare and glamour. Of course, in this respect the impact of the cinema can not be gainsaid. Various scenes presented on the screen made the youths fashion-conscious and they started imitating the fashions with all their glare and glamour. Cinema fashioned the modes and behaviouristic patterns of the youths. The impressionistic minds of the youngsters received indelible impression upon their minds. Our women no longer hesitate to expose themselves for monetary gains. They no longer have to keep themselves in chains of social conventions and household restraints. The Indian eves are in great demand for the foreign capitalists for ad films in order to capture markets at home and abroad. Our women have almost become raw materials at the hands of the greedy multi-billionaires and they have fallen an easy prey to their temptation. The rich capitalists earn fabulous amount of wealth at the cost of our women's display of their naked beauty.

Even before Globalisation Indian beauty could enthral the foreign viewers. The vein of winning a beauty contest abroad started in the late 608 when Miss India Rita Faria became the Miss World. After that there was no time to looking back and the last decade saw four Indian women grabbing the coveted and prestigious Miss World and Miss Universe titles. Even this year's Miss World was a 19-year old Indian eve called Priyanka Chopra.


The Organisers of these beauty pageants proudly say that whatever they gain from these shows, will donate for the charity funds. But it is mere hypocrisy. Even the Indian women who have been entitled.


Miss World and Miss Universe, soon after winning such titles, declare about their future plans for uplifting the poor houses in the metropolis. But in reality they enter the glamorous world and run after money. Even the rich parents encourage their teen-aged daughters to participate at the beauty contests and win lucrative prizes. It has become a fashion among the middle class eves to wear as scanty clothes as possible. Wearing Swim suits for displaying one's beauty was deemed immoral about two decades ago. But now it becomes a fashion. Juvenille delinquencies, a plague of the contemporary society, can be attributed to this beauty pageant. Viewing the naked beauty of their opposite sex on decorated stage, the budding youths commit so many anti-social activities like gang-rape, extortion, murder and so on. Apprehending its adverse effects, there have been mass protests against this beauty pageant at home and abroad. Of course the positive value of these beauty pageants can not be ignored. It has made women smart and confident and moulded them fit for all sorts of jobs. Now our women take to driving, aeronautics, farming, politics and what not. Of course its ills outnumber the good ones. ❑

# My Beseech

Saifuddin Ahmed

Why are we born and
Why do we die
Oh! My Lord please tell me!
I am a small thing
of this world that's
I don't know why are we born
And why we die.
All are mortal, it's true..........
But alas! No body feels this
They also jump and enjoy
In this uncertain life and
Forget that man is mortal
No body can say after death
Who goes where...........
That's I fail to discover, what is the
Cause of people's quarrel with each other
People think that they
Have climbed to the top
of the tower of success.
But in reality they have gone to
The path of destruction and
At a time they will burst,
Then every thing would end.
Oh! my Lord! I need to live
With peace and progress in this world
Please join with me and make society
Happy, peaceful and progressive.
It's my beseech to all of you. ❑





# How to Succeed

Pranjeet Kalita
T.D.C. 2nd Year

To dream anything, that you want
to dream, that is the
beauty of the human mind
To do anything that you want
to do that is the
strength of the human will.
To trust yourself to test
your limits, that is
the courage, to succeed. ❑